অক্টোবৰ ২০০১ Rs. 10/-

# চান্দমামা

LET'S CELEBRATE NOVEMBER
OUR SPECIAL MONTH
WATCH OUT FOR THE
CHILDREN'S SPECIAL ISSUE
OF CHANDAMAMA IN NOVEMBER 2001
Exciting stories from child-writers!
Illustrations from child-artists!
Even the Vikram-Vetala story has come from a kid!
Jokes, riddles, games - all from children!
Your favourite comics, contributed by a child!
From kids, for kids
Don't miss Chandamama's Children's Special Issue!
A sparkler to light up your Diwali!

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
V
W
HERO CYCLES
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
HTA.5979.2001

# এই সংখ্যাত আছে বৰ্ষ : ২৮ অক্টোবৰ ২০০১ সংখ্যা - ১০

ভাৰত কথা

২৫

সন্ন্যাসীৰ বৰদান (বেতাল কথা)

১৯

যক্ষ পৰ্বত

১১

জ্ঞান বিক্ৰী কৰা ল'ৰাজন

২৮


## এই মাহৰ বিশেষ আকৰ্ষণ


★ মানৱ প্ৰতিমা ★ যক্ষ পৰ্বত-৮...১১ ★ সন্ন্যাসীৰ বৰদান (বেতাল কথা) ...১৬ ★ ভাৰত কথা -১৯ ?...২৫
★ জ্ঞান বিক্ৰী কৰা ল'ৰাজন ...২৮ ★ কথাকলি ...৩৪
★ অযাচিত মতবাদ ...৩৬ ★ বিজয়ৰ উৎসৱ দশহৰা ...৩৭
★ ৰসিক ব্যক্তি - যদুমণি...৪২ ★ সংবাদ বিচিত্ৰা ?...৪৪
★ গছত জিলাপী লগা দিনটো ...৪৬ ★ ভাৰতৰ বিষয়ে জানি লোৱা প্ৰশ্নাৱলী ...৫০ ★ কৃষ্ণভূপতি - ১...৫১
★ দেৱী ভাগৱত ...৫৭ ★ অজেয় গৰুড় ...৬২
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৬৬



**SUBSCRIPTION**

For USA and Canada
Single copy $2
Annual subscription $20
*Remittances in favour of Chandmama India Ltd.*
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

**বৰঙণি**

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব



এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
*মিচ মোনা ভাটীয়া*
ফোন : ০১১-৬৫১৫১১১/ ৬৫৬৫৫১৩/৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬/২৬৫৩০৫৭



© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

10-10-2001

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

# এজন শিক্ষিত শিশুও শিক্ষক হব পাৰে

অৰ্দ্ধ শতিকাৰো কিছুবছৰ আগলৈকে বিদেশীয়েহে আমাৰ ভাগ্য নিৰ্দ্ধাৰণ কৰিছিল ।

সাৰ্বজনীন অভিযোগটো আছিল আমাৰ স্কুল, কলেজবোৰ বিদেশী শাসকৰ কেৰাণী তৈয়াৰ কৰা কাৰখানা হে ।

স্বাধীনতাৰ পিছত আমাৰ শিক্ষাৰ পদ্ধতিটো ভালদৰে পৰীক্ষা কৰি তাৰ আৰ্হিটো ৰাখি পাঠ্যক্ৰমৰ পৰিবৰ্তন কৰা হৈছে আৰু কিছুমান নতুন বিষয় অন্তৰ্ভূক্ত কৰা হৈছে । যাৰ ফল স্বৰূপে, মাতৃভূমিৰ সেৱা কৰিবলৈ মেধাৱী ছাত্ৰ আৰু নিজদেশত নোপোৱা হৈছে ।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাটোৱে আমাৰ হাজাৰ হাজাৰ শিক্ষিত যুৱক যুৱতীক নিবনুৱা কৰি ৰাখিছে। ঠিক একেদৰে হাজাৰ হাজাৰ লোক শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে । আমাৰ জনসংখ্যাৰ এই অংশটোৰ আমি যত্ন লব লাগিব, বিশেষকৈ উঠি অহা ল'ৰা ছোৱালীবোৰৰ । তাৰ ভিতৰত বহুতে ওচৰতে শিক্ষানুষ্ঠান নথকা বাবে শিক্ষা গ্ৰহণ কৰিব পৰা নাই । কিছুমানে আকৌ আধাতে স্কুলৰ শিক্ষা সমাপ্ত কৰিব লগা হৈছে ।

যদি ওচৰত কোনো স্কুল নাথাকে, যদি স্কুলৰ শিক্ষাই তেওঁলোকক আকৰ্ষিত কৰিব নোৱাৰে, তাৰ কাৰণে শিশুসকল শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব লাগিব নেকি ? শিক্ষা মাথোঁ ক্লাছৰুমৰ চাৰি বেৰৰ মাজতে আবদ্ধ হৈ থাকিব নালাগে । এজনৰ নিজৰ ঘৰটোও ক্লাছৰুম হব পাৰে ।

যিসকলে স্কুলৰ শিক্ষা গ্ৰহণ কৰা সুবিধা পাইছে তেওঁলোকে নিজৰ চুবুৰীটোৰ শিশুবোৰক, যিসকলে স্কুলৰ শিক্ষা গ্ৰহণৰ সুবিধা পোৱা নাই, তেওঁলোক ঘৰুৱা শিক্ষকৰ নিচিনাকৈ পাঠদান কৰিব পাৰে ।

জাতিৰ পিতা মহাত্মা গান্ধী, যাৰ জন্ম দিন এই ২ অক্টোবৰতে পৰিছে, তেওঁ কৈছিল-- "যিসকল ল'ৰা ছোৱালীক শিক্ষিত কৰা হব, তেওঁলোকৰ পৰাহে প্ৰকৃত শিক্ষা আদায় কৰিব লাগিব ।"

জ্ঞান ভগাই দিয়া মানেই জ্ঞান লাভ কৰা । যদি কথাষাৰ সঁচা হয়, শিক্ষিত ল'ৰা ছোৱালীবোৰে যেতিয়া তেওঁলোকে লাভ কৰা জ্ঞানৰ আনকো ভাগ দিব, তেতিয়া তেওঁলোকৰ নিজৰ জ্ঞান বঢ়াৰ লগতে সমাজৰো উপকাৰ হব ।

এই বিষয়ে সঠিক ভাবে চিন্তা কৰাৰ উপযুক্ত সময় হব এই অক্টোবৰ মাহৰ নৱৰাত্ৰিৰ সময়ত আৰু শিক্ষাৰ অধিস্থাত্ৰী দেৱীৰ পূজাৰ সময়ত ।

---

**সম্পাদক : বিশ্বম**

# হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

## হিৰোজ অফ ইণ্ডিয়া - ১

হিৰোজ কুইজবোৰ ভালদৰে পঢ়ি চোৱা। সকলোবোৰ প্ৰশ্নই ইতিহাসৰ পৰা লোৱা হৈছে। তুমি নিশ্চয় উত্তৰবোৰ জানিবা।

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব।*

1. ১. ১৫২৬ চনত মই ভৰতবৰ্ষ অ

2. ২. মই সুন্দৰী সংযুক্তাক ঘোঁৰাত তুলি লৈ আমি এক ৰোমাণ্টিক সূৰ্য্যাস্তৰ ফালে আগবাঢ়ি গৈছিলো। কব পাৰানে মই কোন?

   ..................................................................................

3. ৩. ১৭ শ শতিকাত তৈয়াৰ কৰা মোৰ ময়ুৰ সিংহাসন আছিল। মই মোৰ সু- দৰী পত্নীক ইমানেই ভাল পাইছিলো, তেওঁৰ মৃত্যুৰ পিছত মই.....নিৰ্মাণ কৰিছিলো। 'নকও, কলে সেইটোৱে তোমাক পথ দেখুৱাব। ..............................

4. ৪. মই গ্ৰীক ৰাজকুমাৰৰ লগত যুদ্ধ কৰিছিলে আৰু পৰাজিত হৈছিলো, কিন্তু সাহসেৰে তেওঁৰ সম্মুখত থিয় হৈ কৈছিলো "মোক ৰজাৰ দৰে ব্যৱহাৰ কৰিবা।" কব পাৰানে মই কোন?

   ...........................................

5. ৫. মই এখন ডাঙৰ যুদ্ধত জয়লাভ কৰিছিলো। কিন্তু তেতিয়াৰ পৰা মোৰ জীৱনৰ এক নতুন অধ্যায় আৰম্ভ হয়। তেতিয়াৰ পৰা মই যুদ্ধ পৰিত্যাগ কৰিছিলো। অনুমান কৰাচোন মোৰ নাম..........................................


তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES


প্ৰতিটো প্ৰশ্নৰ তলত থকা খালি ঠাই শুদ্ধ উত্তৰেৰে পূৰ্ণ কৰিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? ইতিহাসৰ মোৰ ভাললগা হিৰোজনৰ বিষয়ে ১০ টা শব্দ লিখা।

..........................................................................

..........................................................................

প্ৰতিযোগীৰ নাম..........................................................

বয়স................................শ্ৰেণী......................................

ঠিকানা.......................................................................

পিন...............................ফোন........................................

প্ৰতিযোগীৰ চহী...........................................................

দেউতাক/মাকৰ চহী........................................................

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

**Heroes of India Quiz-1**
Chandamama india limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

৫নবেম্বৰ, ২০০১ তাৰিখৰ আগতে পোৱাকৈ পঠাবা।

**নিয়মাৱলি:**

১. এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।
২.* সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনী কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি সকলো শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচী হয়, তেতিয়া হলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগীক বাচনী কৰা হব।
৩. বিচাৰক সিদ্ধান্তই চূড়ান্ত।
৪. এই সম্পৰ্কে কোনো চিঠি-পত্ৰ আদান প্ৰদান কৰা নহব।
৫. সকলো বিজয়ী প্ৰতিযোগীকে ডাক যোগে জনোৱা হব।

# মানৰ প্ৰতিমা

বহুদিন আগৰ কথা । শ্ৰীধৰ মহাৰাজে গাঁৱৰ মুখীয়ালজন নিযুক্তি কৰিছিল নিজ ইচ্ছামতে । তেওঁৰ আশ্ৰয়লৈ যি সকল আহিছিল, সিহঁতৰ ভাল লগা জনকে তেওঁ গাঁৱৰ মুখীয়াল পাতিছিল । এই প্ৰক্ৰিয়াত বহুত পক্ষপাতিত্ব হৈছিল । সিহঁতৰ মাজৰে কিছুমান বৰ দুষ্টলোক আছিল, কাৰণ সিহঁতে ৰজাৰ পৰা আশ্ৰয় আৰু সহায় পাইছিল । সেই মুখীয়াল সকলে জনসাধাৰণক বহুত কষ্ট দিছিল । জনসাধাৰণেওনো কিমানদিন তেওঁলোকৰ অত্যাচাৰ সহ্য কৰিব ? সেয়ে প্ৰভাকৰ নামৰ এজন লোকক তেওঁলোকৰ প্ৰতিনিধি হিচাপে ৰজাৰ ওচৰলৈ পঠালে । তেওঁলোকে বিচাৰিছিল প্ৰভাকৰে যাতে তেওঁলোকৰ দীনহীন অৱস্থাৰ কথা ৰজাক জনাই আৰু ৰজাই সুবিচাৰ কৰে । ৰজাৰ আগত প্ৰভাকৰে মুখীয়ালসকলৰ অন্যায়, অত্যাচাৰৰ বিষয়ে বিবৰি কলে ।

মহাৰাজ শ্ৰীধৰৰ প্ৰভাকৰৰ এই কথা বোৰ ভাল আৰু সঠিকযেন নালাগিল । "মোকযাৰ ভাল নালাগে, তেওঁলোকে জানিবুজিয়ে মোৰ ওপৰত কলঙ্ক জাপিদিব খুজিছে । মোৰ বদনাম কৰিবলৈ চেষ্টা কৰিছা ।" জনসাধাৰণৰ প্ৰতিনিধি প্ৰভাকৰক তেওঁ গালি পাৰিলে ।

"দেউতা, জনসাধাৰণৰ আৰাধ্যদেৱতা শ্ৰী জনাৰ্দন স্বামীৰ শিলাখন্ডত শপত খাই কৈছো যে জনসাধাৰণৰ সেই অভিযোগত সত্যতা আছে । মোৰ কথা বিশ্বাস কৰক আৰু এই গাঁৱৰ মুখীয়াল সকলৰ ওপৰত উচিত ব্যৱস্থা লওক । দৰকাৰ হলে অনুসন্ধান কৰক ।" এইবুলি প্ৰভাকৰে মিনতি কৰিলে ।

শ্ৰীধৰে এইকথাত হাঁহিব ধৰিলে আৰু

কলে, “প্ৰতিমাৰ ৰূপত খোদিত কৰা পাথৰ মাত্ৰেই প্ৰতিমাৰ গুণ নাথাকে । প্ৰতিমা হৈছে অশিক্ষিত আৰু অজ্ঞানী মানুহৰ বাবে । মোৰ ভাল আৰু সত্যৰ ওপৰত বিশ্বাস আছে । এইবোৰে মোৰ দেৱতা ।

মই ভালদৰেই জানো যে যিসকল গাঁৱৰ মুখীয়ালৰ তুমি দোষ উলিয়াইছা, যিসকলৰ ওপৰত তুমি মিছাতে বদনাম দিছা, তেওঁলোক বেয়া নহয়, বৰং বহুত ভাল মানুহ। তেওঁলোকৰ বিষয়ে তুমি যি যি কথা কৈছা, সেইবোৰ মিছা । এইবাৰ তোমাক ৰেহাই দিলো। আগলৈ যদি তুমি এনে ধৰণৰ অভিযোগ লৈ মোৰ ওচৰলৈ আহা মই তোমাক জেললৈ পঠাম আৰু গুৰুতৰ শাস্তি দিম ।”

“দেউতা আপুনি মোক মাফ কৰিলে, ইয়াৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞ তথাপিতো সেই মুখীয়াল সকলৰ বিৰুদ্ধে আপোনাৰ সন্মুখত আপত্তি দৰ্শাইছো । আপোনাৰ ইচ্ছা হলে মোক জেললৈ পঠাওক। যি শাস্তি আপুনি দিব খোজে দিয়ক ।” নিৰ্ভীকভাবে প্ৰভাকৰে কলে ।

এই কথা শুনি শ্ৰীধৰে থতমত খালে । তেওঁ প্ৰভাকৰৰ ওপৰত খুব অসন্তুষ্ট হ'ল । কিন্তু প্ৰভাকৰৰ আগ্ৰহ আৰু কাৰ্য্যক্ষমতাৰ প্ৰশংসা নকৰাকৈ থাকিব নোৱাৰিলে । তেওঁ প্ৰভাকৰক কোনো কথা নিদিয়াকৈ তাৰ পৰা যাব দিলে আৰু পাছত মন্ত্ৰীসকলৰ পৰা পৰামৰ্শ বিচাৰিলে ।

সেই ৰাজ্যত মহাবেদ নামৰ এজন অতি ভাল ব্যক্তি আছিল । তেওঁ গাওঁৱে গাওঁৱে ঘুৰি ফুৰে আৰু মানুহৰ অৱস্থাৰ বুজ লয় । মানুহক তেওঁ জীৱনৰ নৈতিক মূল্যৰ বিষয়ে বুজায় । মানুহে কৈছিল যে তেওঁৰ কাৰণে কিমান যে দুষ্ট আৰু পাপী মানুহ সজ্জন হৈছিল আৰু সৎপথ অবলম্বন কৰিছিল । বহুতো মানুহৰ এইটোও বিশ্বাস হৈছিল যে সদায় সত্য কথা কোৱা সকলেই দেৱতা ।

মন্ত্ৰীসকলে ৰজাক গাৱঁৰ মুখীয়ালসকলৰ সত্যতা জানিবৰ বাবে মহাবেদক নিযুক্ত কৰিবলৈ পৰামৰ্শ দিলে । তেওঁক এই কামত নিযুক্ত কৰা হল । শ্ৰীধৰে মহাবেদক সাদৰেৰে নিজৰ কক্ষলৈ মাতিলে আৰু গোটেই সমস্যাটো বিবৰি কলে, মোৰ বিৰোধী সকলে মোৰ ওপৰত আৰোপ লগাইছে যে মই হেনো গাঁৱৰ মুখীয়াল নিৰ্বাচনৰ ক্ষেত্ৰত পক্ষপাতিত্ব কৰো । তেওঁলোকে এই বুলিও কৈছে যিজনক মই ভাল পাওঁ তেওঁকহে এই পদত নিযুক্ত কৰো । এই ক্ষেত্ৰত তেওঁলোকে বিভিন্ন বদনাম উলিয়াইছে । মই আনকাকো বিশ্বাস নকৰো, সেয়েহে আপনাৰ দৰে সৎপুৰুষ

এজনক এই দায়িত্ব দিব খুজিছো । আপুনিয়েই ইয়াৰ ন্যায় নিৰ্ণয় কৰিব লাগিব ।

মহাবেদে ৰজাৰ কথা মনোযোগেৰে শুনিলে আৰু গম্ভীৰ ভাবে কলে, "নিজক ভালপোৱাসকলৰ প্ৰশংসা শুনে যদি তাত সন্দেহ কৰক । তেওঁলোকৰ বিৰুদ্ধে দুপ্ৰচাৰ হলে তাক বিশ্বাস কৰক । ৰজা হিচাবে এইটো আপোনাৰ কৰ্ত্তব্য । প্ৰভাকৰে যিবোৰ কথা কৈছে, সকলোবোৰ সঁচা । সেই গাঁৱলৈ গৈ মই বহুদিন আগতেই এই সত্যকথাটো গম পাইছো । তেওঁলোকক শুধৰণি কৰাৰ ক্ষেত্ৰত মই বিফল হৈছো । আপোনাৰ আশ্ৰয় পায়, আপোনাৰ বলত, আপোনাৰ আঁৰতেই তেওঁলোকে যি ইচ্ছা তাকেই কৰিছে । আপুনি তেওঁলোকৰ ওপৰত উচিত শাস্তিৰ ব্যৱস্থা কৰিব লাগিব, তেতিয়াহে তেওঁলোকৰ পৰিবৰ্ত্তনৰ সম্ভাৱনা আছে ।"

মহাবেদৰ এই কথাও শ্ৰীধৰৰ ভাল নালাগিল । সেয়েহে তেওঁ আকৌ কলে, "হেহানপুৰুষ, মই জানো যে সকলো মানুহৰ শৰীৰতেই ভগৱান আছে । কিন্তু মোৰ এইটো বিশ্বাস নহয় যে এনে মানুহ দুষ্টও হব পাৰে । যদিহে মোৰ এই বিচাৰধাৰাত কিবা ভুল আছে দয়া কৰি কওক, যিহেতু আপুনি সৰ্বজ্ঞ ।"

"ৰাজন, এই সৃষ্টিৰ এটা বিশেষত্ব আছে, যিটো হয়তো তুমি নাজানা । এই সম্বন্ধিত এটা কাহিনী শুনিলে তোমাৰ গোটেই সন্দেহ নিজে নিজে দূৰ হব ।" তাৰ পাছত মহাবেদে ৰজাক কাহিনী কবলৈ ধৰিলে ।

"ব্ৰহ্মাই পৃথিৱীত গোটেই জীৱৰে সৃষ্টি কৰিছে । তেওঁ মানুহকেই মাত্ৰ সকলো জ্ঞান



প্ৰদান কৰিছে । বল-বুদ্ধি দিছে । এই বিশিষ্টতাৰ বাবেই মানুহে সুন্দৰ ভাবে জীৱন যাপন কৰিছে আৰু বুদ্ধিহীন অন্য জীৱবোৰে ইয়াক ইৰ্ষা কৰে ।

সহনশক্তি আৰু শান্তি মানুহৰ ওপৰত বিৰাজমান, তথাপিও এনে লাগে যেন এই সদগুণ থাকা সত্বেও মানুহ জাতি চিৰদিনৰ কাৰণে নিঃশেষ হৈ যাব । সেইবাবে ব্ৰহ্মাই এই বিষয়টোৰ ওপৰত বহুত চিন্তা-চৰ্চা কৰি এটা উপায় উলিয়ালে । তৈওঁ সকলো জন্তু, চৰাই-চিৰিকতিৰ ভিতৰত এটা মানুহ সেই ৰূপত জন্ম দিলে । সেই মানুহজনৰ কাৰণে সেই জীৱবিলাকৰ মানুহৰ প্ৰতি সদ্‌ভাবনা আৰু সহৃদয়তাৰ লগতে সদ্‌ব্যৱহাৰো জাগে। লাহে লাহে সকলো জীৱে মানুহৰ প্ৰতি ভাল ব্যৱহাৰ কৰিবলৈ ধৰিলে । সিহঁতে মানৱ জন্মৰ মহানতাৰ বিষয়ে জানিব পাৰিলে ।

ইয়াৰ পিছত সকলো জীৱ ব্ৰহ্মাৰ ওচৰলৈ

গৈ এই বুলি মিনতি কৰিলে, “এই-সৃষ্টিৰ সকলো জীৱৰে কিছুনহয় কিছু মহানতা আছে। কাৰণ সকলো জীৱৰে অন্তৰত মানুহ বিৰাজমান, সেয়ে সেই সকলো জীৱই মানুহৰ মহানতাৰ বিষয়ে জানিব পাৰিছে । সিহঁতে মানুহৰ লগত আত্মীয়তা স্থাপন কৰিছে । সেয়েহে আমি বিচাৰো সকলো তীৱৰে এটা প্ৰানীক মানুহৰ জন্ম দিয়া যাওক, তেতিয়াহে মানুহেও এই জীৱবিলাকৰ মহানতা বুজি পাব। সিহঁতৰ প্ৰতি ভাল ব্যৱহাৰ কৰিব ।”

ব্ৰহ্মাই ‘তথাস্তু’ বুলি কলে । মহাবেদে শ্ৰীধৰক এই কাহিনী শুনাই কলে, “ৰাজন, যিসকল মানুহৰ শৰীৰত পক্ষীৰ অংশ থাকে তেওঁলোকে পক্ষীক ভাল পায় । ভাল জন্তুৰ অংশ থকা লোকসকল সেই জন্তুৰ লক্ষণৰ দৰেই ভাল হয় । নিষ্ঠুৰ পশু বা বিষাক্ত সাপৰ অংশ থকা সকলে সেই প্ৰাণীৰ সীমাৰ ভিতৰতে অন্যায় অত্যাচাৰ কৰে । সেই সীমা পাৰ হলে অত্যাচাৰো বাঢ়ি যায় । সেইসকল বৰ দুষ্ট হয়।

মানুহৰ দুষ্টামিৰ কাৰণ সেইবিলাক নিষ্ঠুৰ জীৱৰ অংশ থকাৰ বাবেই । দুষ্ট জীৱক আমি যিদৰে চিকাৰ কৰো, সেইদৰে দুষ্ট মানুহৰো চিকাৰ কৰিব লাগে, নহলে সেই ৰাজ্যত শান্তিৰ পৰিবৰ্তে অশান্তিয়ে দেখা দিব । ইয়াৰ অন্ত পেলোৱায়ে হৈছে ৰজাৰ প্ৰধান কৰ্তব্য।”

তৎক্ষণাত মহাৰাজ শ্ৰীধৰে মহাবেদক সাষ্টাঙ্গে প্ৰনাম কৰিলে আৰু কলে, “হে মহানদেৱতা আপুনি মোৰ অজ্ঞানতা দূৰ কৰি দিলে । আপোনাৰ দৰে মহান ব্যক্তিৰ হিতকৰ বাণী শুনাৰ পাছতো যি দুষ্টলোক সকল আজিও ভাল মানুহ হব নোৱাৰিলে, তেওঁলোক জীয়াই থকাৰ অযোগ্য । এই নিষ্ঠুৰ জন্তু মানুহৰ মাজত থাকাৰ কোনো অধিকাৰ নাই । এই জন্তুবোৰক পিঞ্জৰাত বন্দী ৰখাটো ৰজা হিচাপে মোৰ প্ৰথম কৰ্তব্য ।”

ইয়াৰ পাছত শ্ৰীধৰে অন্যায়কাৰী আৰু অত্যাচাৰী গাঁৱৰমুখীয়াল সকলৰ বিৰুদ্ধে উচিত বিচাৰ কৰিলে । ভাল মানুহসকলক আদৰ সন্মান কৰিলে আৰু অপৰাধী সকলক যথাযোগ্য শাস্তি বিহিলে ।

# যক্ষ পৰ্বত

## 8

(গুরু ভালুক সুৰঙ্গ পথৰ ওপৰৰ দুৱাৰ মুখলৈ আহিল । খৰ্গ আৰু জীৱদন্ত্ৰই মৰা কুকুৰনেচীয়াটো দুৱাৰৰ ভিতৰলৈ দলিয়াই দিলে । সেইটো দেখি কিছুমান কুকুৰনেচীয়া ভিতৰলৈ সোমাই গ'ল । সিহঁতৰ পিছে পিছে খৰ্গ আৰু জীৱদন্ত্ৰও দুৱাৰৰ ওপৰলৈ উঠি গ'ল । সমৰবাহু আৰু তেওঁৰ অনুচৰজন তলত থিয় হৈ আছিল । কুকুৰনেচীয়াবোৰে তেওঁলোকক আগুৰি ধৰিলে) ইয়াৰ পিছত.........

সমৰবাহু চিন্তাত পৰিল, এতিয়া তেওঁ নিজকে কেনেকৈ ৰক্ষা কৰে । তেওঁ চাৰিওফালে চাবলৈ ধৰিলে । তেওঁ সুৰঙ্গ পথেৰে সোমাই গৈ নিজক ৰক্ষা কৰিব বিচৰা নাছিল । তেতিয়া চন্দ্ৰই ডাঙৰকৈ চিঞৰি কলে, "চৰ্দাৰ, কুকুৰনেচীয়াই মোক এতিয়া আক্ৰমণ কৰিব যেন লাগিছে । অনুমান হৈছে, আমাৰ মৃত্যু নিশ্চিত।

এনেতে খৰ্গবৰ্মাই দুৱাৰৰ পিছফালৰ পৰা হালি হাতখন তললৈ আগবঢ়াই দি কলে, "সমৰবাহু, চন্দ্ৰ, মোৰ হাতখনত ধৰা আৰু ওপৰলৈ উঠি আহা ।"

কোনো উপায় নেদেখি সমৰবাহু আৰু চন্দ্ৰই খৰ্গবৰ্মাৰ হাতত ধৰিলে । খৰ্গবৰ্মাই তৎক্ষণাত দুয়োকে টানমাৰি ওপৰলৈ তুলি লৈ আহিল । ইফালে জীৱদন্ত্ৰই নিজৰ মন্ত্ৰ দণ্ড ডালেৰে কুকুৰনেচীয়াবোৰক ধমক দি আছিল আৰু সুযোগ পাই ওপৰৰ সুৰঙ্গ পথলৈ আহিল ।

এতিয়া তেওঁলোক চাৰিওজনে তীক্ষ্ণদৃষ্টিৰে সুৰঙ্গ পথৰ ভিতৰলৈ চাবলৈ ধৰিলে, য'ত তেওঁলোক আছিল । খৰ্গবৰ্মাই জীৱদন্ত্ৰক কলে, "জীৱদন্ত্ৰ, গুরু ভালুক আৰু তাৰ অনুচৰবোৰৰ কোনো শুংসূত্ৰ পোৱা নাই । সিহঁত কৰবালৈ গুচিগৈছে কিজানি ?"

জীৱদন্ত্ৰই কাণপাতি শুনিবলৈ ধৰিলে, যেন গৰ্তৰ ভিতৰৰ পৰা কোনো ধৰণৰ শব্দ আহিছে। ইয়াৰ পিছত তেওঁ কলে, "খৰ্গ, গৰ্তৰ ভিতৰত গণ্ডগোল শুনা গৈছে, কিন্তু স্পষ্টকৈ জানিব পৰা নাই তাত কি হৈছে । তুমি বাৰু কিবা

ধৰিলে। তাৰপাছত জীৱদন্ত্ৰই সুৰঙ্গ পথেৰে আগবাঢ়ি গৈ কলে, "সমৰবাহু, মোৰ এই মন্ত্ৰদন্ড, খৰ্গবৰ্মাৰ তৰোৱালে তোমাক আমাৰ বন্ধু স্বৰ্ণাচাৰীৰ ওচৰলৈ ভালে কুশলে লৈ যাব। আমাৰ এই আশ্বাস পাই তুমি কিন্তু হাত সাবতি নাথাকিবা । আৱশ্যক হলে নিজৰ যাঠীপাত কামত লগাবা ।"

যেতিয়া তেওঁলোকে সুৰঙ্গ পথেৰে আগবাঢ়ি গৈ আছিল, তেতিয়া কুকুৰনেচীয়াৰ চিঞৰ, মানুহৰ কোলাহল তেওঁলোকে স্পষ্টকৈ শুনিবলৈ পাইছিল । অলপ পিছত তেওঁলোকে সুৰঙ্গ পথেৰে গৈ ভালুকৰ পোচাক পিন্ধা মানুহৰ নিবাস স্থলত গৈ উপস্থিত হ'ল । জীৱদন্ত্ৰই তাত গৈ পোৱাৰ পিছত অনুমান কৰিলে গুৰু ভালুক হয়তো বৃকেশ্বৰী দেৱীৰ মন্দিৰতে আছে ।

এনেতে এজন ভালুকৰ পোচাক পিন্ধা মানুহে চিঞৰি ভয়তে কঁপি কঁপি তেওঁলোকৰ ফালে দৌৰি আহিছিল । এটা কুকুৰনেচীয়াই তাৰে পিছে পিছে মুখ মেলি খেদি আহিছিল । খৰ্গবৰ্মাই এখোজ আগবাঢ়ি গৈ তৎক্ষণাত কুকুৰনেচীয়াৰ মুখত তৰোৱালখনেৰে আঘাত কৰিছিল । কুকুৰনেচীয়াটোৱে লুটি বাগৰ খাই আৰ্তনাদ কৰি তাৰ পৰা পলাই গৈছিল ।

তেতিয়া জীৱদন্ত্ৰই সেই ভালুকৰ পোচাকপিন্ধা মানুহজনক মাতটো অলপ সৰু কৰি সুধিলে, "হে গুৰু ভালুকৰ শিষ্য, তুমি ডাঙৰকৈ কথা নকবা । মই যি সোধো তাৰে উত্তৰ দিবা । তোমালোকৰ চৰ্দাৰ গুৰু ভালুক এতিয়া ক'ত আছে ? তোমালোকৰ সকলো লোকেই এতিয়াও গৰ্ত দুৰ্গতেই আছে নেকি ? সিহঁতে জঙ্ঘলৰ ফালে পলাই যোৱা নাইতো ?"

"মহাশয়, কুকুৰনেচীয়াৰ আক্ৰমণৰ পৰা

হাহাকাৰ শুনিবলৈ পোৱা নাইনে ?"

খৰ্গবৰ্মাই উত্তৰ দিয়াৰ আগতে সমৰবাহুয়ে কবলৈ ধৰিলে, "মই অকল কুকুৰনেচীয়াৰ চিঞৰে নহয়, লগতে গুৰু ভালুকৰ চিঞৰো শুনিবলৈ পাইছো । তেওঁ নিজৰ শিষ্যবোৰক সাৱধান কৰি দি আছে । আমি ইয়াতে থকা আৰু উচিত নহব," এইবুলি কৈ তেওঁভয়তে কাঁপিবলৈ ধৰিলে । তেওঁৰ কথা শুনি হাঁহি হাঁহি খৰ্গবৰ্মাই কলে, "তুমি কেনেধৰণৰ চৰ্দাৰ । সাম্ৰাজ্য স্থাপন কৰিবলৈ মৰুভূমিৰ পৰা ইমান দূৰলৈ আহিছা আৰু জীৱনলৈ ইমান মমতা । তোমাক এইটোৱে শোভা নাপায় ।"

এই কথা শুনি সমৰবাহু অলপ সন্তম হ'ল আৰু যাঠীপাত ওপৰলৈ তুলি লৈ কলে, "যদি মই মৰি যাওঁ কেনেকৈ সাম্ৰাজ্য স্থাপন কৰিম ? যেতিয়ালৈ মোৰ লক্ষ্য পূৰণ নহব তেতিয়ালৈ মই মৰিব নিবিচাৰো ।"

সমৰবাহুৰ কথা শুনি দুয়ো হাঁহিবলৈ



ৰক্ষা পাবলৈ আমাৰ মানুহবোৰে ঘৰৰ ভিতৰত গৈ লুকাই আছে । গুৰু ভালুকে বৃকেশ্বৰীৰ মন্দিৰত পূজা কৰি আছে ।" ভালুকৰ মানুহজনে কলে ।

"নিৰিহ মানুহবোৰক ধৰি আনি তোমালোকৰ গোলাম কৰি লোৱা । এনেদৰে নিজকে ডাঙৰ বুলি কবলৈ লাজো নকৰা । তথাপি কুকুৰনেচীয়ালৈ ইমান ভয় কিহৰ ?" খৰ্গবৰ্মাই সুধিলে ।

"মহাশয়, মানুহে নিজতকৈ অধিক বলবানৰ সম্মুখত সেও মানে । কুকুৰনেচীয়া কিন্তু অতি ক্ৰুৰ জন্তু, কোনে তাক প্ৰতিৰোধ কৰিব পাৰিব? সিহঁতে অধিক বলবানকো খাই পেলায় ।" ভালুকৰ মানুহজনে কলে ।

তাৰ কথা শুনি জীৱদন্ত্ৰই হাঁহি মাৰি কলে, "তুমি কাপুৰুষ, কিন্তু তুমি ঠিক কথাই কৈছা । তুমি কৈছিলা নহয় গুৰু ভালুক বৃকেশ্বৰী মন্দিৰত আছে । তুমি আগে আগে গৈ আমাক বাট দেখুৱাই লৈ বলা । আমাক ফাকি দিবলৈ চেষ্টা কৰিলে একেবাৰে সিপুৰী পোৱাই দিম ।"

ভালুকৰ শিষ্যই কিছু দূৰ যোৱাৰ পিছত এটা কোঠালিৰ ফালে দেখুৱাদি কলে, "মহাশয়, সেইটোৱে বৃকেশ্বৰী দেৱীৰ মন্দিৰ । গুৰু ভালুক ভিতৰতে আছে ।"

খৰ্গবৰ্মাই চুপি চুপি মন্দিৰৰ দুৱাৰৰ ওচৰলৈ গ'ল আৰু লাহেকৈ মন্দিৰৰ দুৱাৰখন ঠেলি দিলে। তেওঁ দেখিবলৈ পালে গুৰু ভালুকে বৃকেশ্বৰী দেৱী মূৰ্ত্তিৰ চাৰি পাঁচ ফুট দূৰত সাষ্টাঙ্গে প্ৰণাম কৰি আছে আৰু মুখেৰে কিবা বিৰ্‌বিৰাই আছে ।

খৰ্গবৰ্মাই জীৱদন্ত্ৰক সুধিলে, "এতিয়া কি কৰো কোৱা ?" জীৱদন্ত্ৰই কলে, "তেওঁ মূৰ্ত্তিৰ সম্মুখত সাষ্টাঙ্গে প্ৰণাম কৰি আছে । তুমি মনে মনে মূৰ্ত্তিটোৰ পিছফাললৈ যোৱা । তুমি তাৰপৰা

এনে উপদেশ দিবা যেন স্বয়ং দেৱীয়েহে কৈছে। দেৱীয়ে কোৱাৰ নিচিনাকৈ কৰা যে, গুৰু ভালুকে যেন শিষ্যসকলেৰে সৈতে গৰ্ত দুৰ্গৰ পৰা গুচি যায়। এইটোও কৰা যে এনে নকৰিলে মহা বিপদ হব।"

চুপি চুপি গৈ খৰ্গবৰ্মাই বৃকেশ্বৰী দেৱীৰ মূৰ্ত্তিটোৰ পিছফালে লুকাই থাকিল। সেই ঠাইৰ পৰাই তেওঁ কবলৈ ধৰিলে, - ভক্ত গুৰু ভালুক, তোমাৰ ভক্তিত মই অতিকৈ সন্তুষ্ট হৈছো। দৈৱদ্ৰোহী সকল প্ৰৱেশ কৰা কাৰণে এই গৰ্ত দুৰ্গ অপৱিত্ৰ হৈ গৈছে। মই এতিয়াই ইয়াৰ পৰা গুচি যাম আৰু অৰণ্যৰ মাজৰ সৰোবৰ পাৰত থকা শমীবৃক্ষৰ তলত গৈ থাকিম গৈ। তুমিও শিষ্যসকলৰ সৈতে তালৈ যোৱা আৰু তাত গৈ মোৰ পূজা কৰা।"

দেৱীৰ এই বাণী শুনি গুৰু ভালুক চিন্তিত হ'ল আৰু থিয় হৈ হাত যোৰ কৰি কলে, "বৃকেশ্বৰী মা"... এই বুলি আকৌ কিবা কব খুজিছিল, কিন্তু এনেতে খৰ্গবৰ্মাই দেৱীৰ স্বৰেৰে ধমক দি কলে, "মই একো কথা শুনিব নিবিচাৰো, তৎক্ষণাত সৰোবৰৰ পাৰলৈ যোৱা।"

গুৰুভালুক মন্দিৰৰ পৰা বাহিৰলৈ ওলাই আহিল। ইয়াৰ আগতে জীৱদন্তহঁত দেৱালৰ আঁৰত গৈ লুকাই থাকিল। গুৰু ভালুকে পঞ্চশূলৰ ওপৰত উঠি চিঞৰি কবলৈ ধৰিলে, "হে বৃকেশ্বৰী মাৰ ভক্তসকল, দেৱীয়ে আদেশ দিছে। সকলোৱে এতিয়াই ওলাই আহা আৰু অৰণ্যৰ মাজত থকা সৰোবৰৰ পাৰলৈ ব'লা।" এইদৰে চিঞৰি চিঞৰি গৰ্ত দুৰ্গৰ চাৰিওফালে ঘূৰিফুৰিবলৈ ধৰিলে। সকলো লোক গৰ্ত দুৰ্গৰ পৰা বাহিৰলৈ ওলাই আহিল। অলপ দূৰ যোৱা পিচত তেওঁৰ মনত সন্দেহ হ'ল আচলতে বৃকেশ্বৰী দেৱী এতিয়াও মন্দিৰতে আছে নে অদৃশ্য হৈ গৈছে। তেওঁ গৰ্তদুৰ্গৰ ফালে উলতি আহিবলৈ ধৰিলে। তেতিয়া খৰ্গ আৰু জীৱদন্তই কুকুৰনেচীয়াবোৰক ধমক দি ভয় খুৱাই বাহিৰলৈ খেদি দি আছিল।

সন্মুখৰ ফালে কুকুৰনেচীয়া বাঘ বোৰক দেখি গুৰু ভালুকে ভয়তে কঁপিবলৈ ধৰিলে আৰু শিষ্যসকলৰ ফালে দৌৰি গৈ কবলৈ ধৰিলে, "হে বৃকেশ্বৰী মা, আমাক ৰক্ষা কৰা।"

এই দৃশ্য দেখি আচৰিত হৈ খৰ্গবৰ্মাই কলে, "চাৰি পাঁচটা কুকুৰনেচীয়াই হে মাথোঁ তেওঁক খেদি গৈছে। সেইকেইটাক খেদি দিয়াৰো তেওঁ সাহস কৰিব পৰা নাই। বৃকশ্বৰী দেৱীৰ ভক্তৰ এই শোচনায় অৱস্থা দেখি সঁচাকৈয়ে দয়া উপজিছে।"

জীৱদন্তই বেগাই আহি মন্ত্ৰদন্ড ডালেৰে এটা কুকুৰনেচীয়াক কোবাই দিলে। সেই কোবত দুখ পাই কুকুৰনেচীয়াটো তলত পৰি গ'ল আৰু

চটফটাবলৈ ধৰিলে । বাকী থকা কুকুৰ-নেচীয়াবোৰ চেদেলী-ভেদেলী হৈ গ'ল । গুৰু ভালুকে এই দৃশ্য দেখি মনত খুব আনন্দ পালে । তেওঁ হাতযোৰ কৰি জীৱদন্ত্ৰক প্ৰণাম কৰিলে ।

জীৱদন্ত্ৰই গুৰু ভালুকৰ মূৰৰ পৰা ভৰিলৈ এবাৰ ভালদৰে চালে, তাৰ পিছত কবলৈ ধৰিলে, "গুৰু ভালুক, তোমালোকে খেতি বাতি কৰি সুখেৰে দিন কটাইছিলা, তোমালোকে কিয় বাৰু এই কুকুৰনেচীয়াবোৰক পুহিবলৈ ললা আৰু বৃকেশ্বৰী দেৱীৰ উপাসক হ'লা ?"

গুৰু ভালুকে বিনীত হৈ কলে, "মহাশয়, সকলোৰে ওপৰত নিজৰ অধিকাৰ বৰ্ত্তাই ৰাখি আৰামেৰে জীৱনটো কটাও, এয়ে মোৰ উদ্দেশ্য আছিল । সেয়েহে ইয়াৰ বাহিৰে মোৰ আৰু কোনো সহজ পথ নাছিল ।"

ভৱিষ্যতে তোমাৰ আৰু কি কৰাৰ ইচ্ছা আছেনে ? তোমাৰ সকলোবোৰ শিষ্যই তোমাক কুকুৰনেচীয়াবোৰৰ মাজত এৰি দি কিয় অৰণ্যৰ মাজলৈ গুছি গৈছে ?" খৰ্গবৰ্মাই সুধিলে ।

"সেইটো কথা নহয় মহাশয় । তেওঁলোক অৰণ্যৰ মাজৰ সৰোবৰৰ পাৰলৈ বৃকেশ্বৰী দেৱীৰ পূজা কৰিবলৈ গৈছে । মহাশক্তিশালী সেই দেৱী গৰ্ত দুৰ্গৰ পৰা গুচিগৈছে নহয় ?" গুৰু ভালুকে কলে ।

এনেতে চাৰিজন গুৰু ভালুকৰ শিষ্য দৌৰি আহি কলে, "গুৰু ভালুক, সেই সৰোবৰৰ পাৰত পাঁচ-ছয়জন উটত উঠি অহা মানুহ আছে। স্বৰ্ণাচাৰী নামৰ সিহঁতৰ চৰ্দাৰজনে আমাৰ দুজন মানুহক মাৰি পলাইছে আৰু আমাৰ পাঁচজন মানুহক বন্দী কৰিছে । এই দুখজনক বাতৰিটো দিবলৈকে আমি ইয়ালৈ দৌৰি আহিছো ।"

স্বৰ্ণাচাৰীৰ নাম শুনিয়ে খৰ্গবৰ্মা, জীৱদন্ত্ৰ আৰু সমৰবাহু অতি আচৰিত হ'ল । পৰ্বতৰ ওপৰত দুৰ্গ নিৰ্মাণ কৰি থকা স্বৰ্ণাচাৰীয়ে পাঁচ-ছয়জন অনুচৰক লগত লৈ হঠাতে ইয়ালৈ কিয় আহিল তেওঁলোকে একো বুজি নাপালে ।

কথা এইটোৱে, এই পৰ্বত আৰু অৰণ্য বীৰপুৰৰ ৰজা বীৰসিংহৰ অধীনত আছে । এসপ্তাহ আগতে বীৰসিংহৰ চিৰিয়াখানাৰ অধিকৰ্ত্তা নতুন জন্তু ধৰিবৰ কাৰণে এই অৰণ্যলৈ আহিছিল । তেওঁৰ লগত দহজন সৈনিকো আছিল । তেওঁ জাল পাতি কিছুমান চৰাই আৰু দুটা বাঘো ধৰিছে । দুপৰীয়া এটা নিজৰাৰ পাৰত বহি তেওঁলোকে আৰামেৰে খানা খাই আছিল।

ৰজাৰ এজন সৈনিকে সকলোতকৈ আগতে খানা খাই ললে । তাৰ পাছত তেওঁ এই দুপৰ বেলা গছত কোনো ধুনীয়া চৰাই আছে নেকি চাবলৈ ধৰিলে । এইদৰে তেওঁ গছৰ মাজে মাজে কিছুদূৰ আগবাঢ়ি গ'ল । তেওঁ গৈ গৈ



নিজৰাৰ পাৰৰ এডাল গছত চাৰিটা উট বান্ধি থোৱা দেখিবলৈ পালে । এই দৃশ্য দেখি তেওঁ আচৰিত হ'ল আৰু তৎক্ষণাত উভতি আহি অধিকৰ্ত্তাৰ আগত এই বাতৰিটো দিলে ।

"উট ! ক'ত আছে ? আমাৰ চিৰিয়াখানাত উট আছে নে নাই ? এইটোও যদি থাকে আমাৰ ৰজাৰ অধিক যশ বাঢ়িব । আমাৰ ৰাজ্যৰ বহুত নাম হব ।" এইবুলি কৈ অধিৰ্তাই অতি উৎসাহিত হৈ খিলখিলাই হাঁহিবলৈ ধৰিলে ।

কিন্তু সৈনিকজনে তেওঁৰ উৎসাহত চেঁচা পানী ঢালি দি কলে, "মহাশয়, সেই উট গছত বান্ধি থোৱা আছে । অনুমান হয়, সেই উটৰ মালিক ইয়াৰে কৰবাত আছে ।"

"মালিক ! সেই মালিক ক'ত আছে ? এই বীৰপুৰ ৰাজ্যৰ সমস্ত প্ৰজা, হাবি বন, পাহাৰ, নদী, পানী, বতাহ, এই ৰাজ্যত বিস্তাৰিত হৈ থকা আকাশৰ মালিক আমাৰ বীৰসিংহ মহাৰাজ। তোমালোক চাৰিজন সৈনিক গৈ সেই উটবোৰ ইয়ালৈ ধৰি লৈ আহা । যি মালিকৰ কথা তুমি কৈছা, যদি পোৱা তেওঁলোককো মোৰ সম্মুখলৈ ধৰি লৈ আহিবা ।"

চাৰিজন সৈনিক উটবোৰ বান্ধি থোৱা ঠাইলৈ গ'ল । উটৰ মালিকক কিন্তু ক'তো দেখা পোৱা নগল । উটবোৰ বান্ধি থোৱা জৰীবোৰ খুলিব ধৰোতে এটা উটে ভয় খাই চিঞৰিবলৈ ধৰিলে আৰু ভৰিৰে গছত লঠিয়াবলৈ ধৰিলে ।

স্বৰ্ণচাৰীয়ে চাৰিজন অনুচৰ লগত লৈ এই অৰণ্যলৈ চিকাৰ কৰিবলৈ আহিছিল । চিকাৰ কৰা শেষ হোৱাৰ পাছত তেওঁলোকে গছৰ তলত আৰাম কৰি বহি আছিল । এনেতে তেওঁলোকে উটৰ চিঞৰ শুনিবলৈ পালে । তেওঁলোকে ভাবিলে কোনো বাঘ বা সিংহই উটবোৰক আক্ৰমণ কৰিছে । হাতত তৰোৱাল লৈ তেওঁলোকে দৌৰি দৌৰি উটবোৰ বান্ধিৰখা ঠাইলৈ আহিল ।

তেওঁলোকক দেখি সৈনিকসকলে খাপৰ পৰা তৰোৱাল উলিয়াই ললে । স্বৰ্ণাচাৰীৰ এজন অনুচৰে ক্ৰোধিত হৈ দাঁত কৰচি কলে, "তোমালোক কোন ? সৈনিকৰ পোচাক পিন্ধা চোৰ যেন অনুমান হৈছে । তোমালোকৰ দৰে মানুহে আমাৰ উট চুৰি কৰি নিব নোৱাৰিবা ।"

"আমি কোনো চোৰ নহয় । বীৰসিংহ ৰজাৰ সৈনিক । তোমালোকৰ উট চুৰি কৰি নিবলৈ আমি অহা নাই । কোনো কৰ নিদিয়াকৈ এই ৰাজ্যৰ হাবিত প্ৰৱেশ কৰা অপৰাধ । সেয়ে আমি এই উটবোৰ ধৰি লৈ যাবলৈ আহিছো ।" এজন সৈনিকে নিৰ্ভীকভাবে হৈ উত্তৰ দিলে ।

"কোন সেই বীৰসিংহ মহাৰাজ ? এই অৰণ্যৰ সম্পূৰ্ণ অধিকাৰী হ'ল শ্ৰী শ্ৰী সমৰবাহু

মহাৰাজ। মহাৰাজৰ উট ধৰি লৈ যাবলৈ অহা তোমালোকে উচিত শাস্তি পাবা। তৎক্ষণাত তৰোৱালবোৰ খাপত সুমাই লোৱা আৰু আমাৰ ওচৰত আত্মসমৰ্পন কৰা।" স্বৰ্ণাচাৰীয়ে ধমক দি কলে। পলোৱাৰ কোনো উপায় নেদেখি বীৰসিংহৰ সৈনিক সকলে সিহঁতৰ লগত যুদ্ধ দিলে। যুদ্ধত বীৰসিংহৰ দুজন সৈনিকৰ মৃত্যু হ'ল আৰু এজন আহত হ'ল। চতুৰ্থজন সৈনিকে কোনোমতে তাৰপৰা পলাই গৈ চিৰিয়াখানাৰ অধিকৰ্তাৰ ওচৰত গৈ উপস্থিত হ'ল।

তেজেৰে লুটুৰি পুটুৰি হৈ অহা সৈনিকজনক দেখি অধিকৰ্তাই কলে, "এইটোতো খুব আচৰিত লাগিছে। মই অৰণ্যৰ জন্তুবোৰৰ বিষয়ে যিবোৰ কিতাপ পঢ়িছো, সেইবোৰ কিতাপততো উটক মাংসাহাৰী জন্তু বুলি কতো লিখা নাই। তোমাৰ লগত যোৱা বাকী তিনিজনক উটে মাৰি খাই পেলালে নেকি?"

"মহাশয়, উটৰ দ্বাৰা নহয়, সিহঁতৰ মালিকৰ হাতত হে আহত হৈছো। মোৰ লগত যোৱা আন তিনিজনক সিহঁতে মাৰি পেলাইছে। সিহঁত কোন সেই বিষয়ে একো নাজানো। কিন্তু তৰোৱাল চলোৱাত অতি পাকৈত।" সৈনিকজনে কলে।

"আমাতকৈও তৰোৱাল চলোৱা সিদ্ধহস্ত লোক ক'ত আছে? অন্য ৰাজ্যৰ লোক এই বিষয়ত অপৰিচত যেন লাগিছে। আমাতকৈও তৰোৱাল চলোৱাত পাকৈত লোক থাকিব পাৰে বুলি মোৰ বিশ্বাস হোৱা নাই।" এইবুলি কৈ অধিকৰ্তাই খাপৰ পৰা তৰোৱালখন উলিয়াই ললে। তেওঁৰ লগে লগে বাকী সৈনিক সকলেও তৰোৱাল উলিয়াই ললে।

আহত সৈনিকজন যিফালৰ পৰা পলাই আহিছিল আৰু এবাৰ সেইফালে চাবলৈ ধৰিলে। সেইফালৰ পৰা আগবাঢ়ি অহা স্বৰ্ণাচাৰীৰ অনুচৰবোৰক দেখি তেওঁ চিৰিয়াখনাৰ অধিকৰ্তাক কলে, "অতি সোনকালে আপোনাৰ সন্দেহ দূৰ হব। সেইফালে চাওক, তেওঁলোক এইফালে আগবাঢ়ি আহিছে।

"হে বীৰ সৈনিকসকল, চোৱা ইহঁতকিমান নিৰ্বোধ। যমদূতকো খেদি পঠাব পৰা শক্তি থকা আমাৰ লগত ইহঁতে যুঁজিবলৈ আহিছে? আমাৰ ওপৰত আক্ৰমণ কৰিব খুজিছে?" এইবুলি কৈ অধিকৰ্তাই সৈনিকসকলক সাৱধান কৰি দিলে আৰু স্বৰ্ণাচাৰীহঁতৰ ফালে আগবাঢ়ি গ'ল।

(ক্ৰমশঃ)

ORISSA
*The soul of India*

## তোমালোকৰ বাবে কুইজ

# চিল্কা হ্ৰদ

December
1-5, 2001
Konark Festival

এচিয়াৰ বৃহত্তম লুনীয়া পানীৰ হ্ৰদ, উৰিষ্যাৰ চিল্কা হ্ৰদৰ প্ৰাকৃতিক শোভা অতি মনোমোহা । ১১০০ কি.মি. জুৰি বিস্তৃত এই ঠাইখন পক্ষীপ্ৰেমীসকলৰ বাবে স্বৰ্গস্বৰূপ । অসংখ্য প্ৰজাতিৰ চৰাই, যেনে- বগা বুকুৰ সাগৰীয় ঈগল, বেঙুনীয়া ৰঙৰ কাম চৰাই, বগলী আদি চৰাই এই হ্ৰদত থাকে । শীত কালত ফ্লেমিঙ্গোৰ নিচিনা বহুতো প্ৰব্ৰজনকাৰী চৰাই এই হ্ৰদলৈ আহে ।

পাতল গুলপীয়া ৰঙৰ ফ্লেমিঙ্গো চৰাই চিল্কা হ্ৰদৰ এক বিশেষ আকৰ্ষণ ।

এই হ্ৰদৰ চাৰিওফালে আগুৰি থকা পাহাৰ আৰু হাবিবোৰত চিতল, কৃষ্ণষাড়, বান্দৰ, উদ, নেউল, কেটেলা পহু, সাপ, কাছ আৰু জেঠি আদি বিভিন্ন প্ৰকাৰৰ বনৰীয়া জন্তু দেখিবলৈ পোৱা যায় ।

হ্ৰদৰ মাজত থকা বিভিন্ন দ্বীপলৈ মটৰ লঞ্চেৰে নৌ ভ্ৰমণৰ বাবে যাব পাৰি । ইয়াত নৌ চালনা আৰু মাছ মৰাৰো সুবিধা আছে । যিসকলে পানীত খেলা খেল খেলিবলৈ আগ্ৰহী তেওঁলোকে ওৱাটাৰ স্পোৰ্টচ কমপ্লেক্সলৈ গৈ খেলিব পাৰে ।

শতপদত চিল্কা আৰু সমুদ্ৰৰ সঙ্গমস্থল এখন অতি ধুনীয়া ঠাই । হ্ৰদৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ২৮ কি.মি. । তালৈ গলে কেতিয়াবা ডলফিন দেখিবলৈ পোৱা যায়।

চিল্কা হ্ৰদলৈ যাবলৈ পুৰী, কটক আৰু ভূবনেশ্বৰৰ পৰা বাছ আৰু টেক্সি পোৱা যায় । চেন্নাই ক'লকাতা ৰেলপথে চিল্কালৈ যোৱাৰ সুবিধা থকা বালুগাওঁ, চিল্কা আৰু ৰম্ভা চুই গৈছে । ভূবনেশ্বৰ বিমান বন্দৰৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ১০০ কি.মি. ।

---

## তোমালোকৰ বাবে কুইজ
## ১৪ বছৰৰ তলৰ শিশুৰ বাবে
## প্ৰতিযোগিত-২

১. চিল্কা হ্ৰদ প্ৰব্ৰজনকাৰী চৰাইৰ আশ্ৰয়স্থল। তাৰভিতৰত কোন বিধ চৰাই বিশেষ আকৰ্ষণীয় ?

-----------------------------------------

২. পেচিফিক ৰিডলি চি টাৰ্ট্‌ল- দক্ষিণ আমেৰিকাৰ পৰা বহুদূৰ অতিক্ৰম কৰি আহি উৰিষ্যাৰ একমাত্ৰ কোন আশ্ৰয় স্থলত আহি থাকে ?

-----------------------------------------

৩. উৰিষ্যাৰ এখন বিখ্যাত চিৰিয়াখানাত এটা প্ৰজাতিৰ বাঘৰ প্ৰজননৰ বাবে বিখ্যাত । চিৰিয়াখানাখনৰ নাম আৰু বাঘৰ প্ৰজাতিটোৰ নাম কোৱা ।

-----------------------------------------

প্ৰশ্নৰ তলত দিয়া খালি ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা ।
তলত দিয়া কুপণখন ভৰ্ত্তি কৰি এই ঠিকনাত পঠোৱা -

**Orissa Tourism Quiz Contest**
**Chandamama India Limited**
**No.82, Defence Officers Colony**
**Ekkatuthangal, Chennai - 600 097**

নাম : ........................................
বয়স : ........................................
ঠিকানা : ........................................
: ........................................
পিন.......................ফোন.......................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for **3-days, 2-night** stay at any of the **OTDC Panthanivas**, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar - 751 014. Ph : (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

বেতাল কথা

# সন্ন্যাসীৰ বৰদান

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজেপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ আগবাঢ়ি গৈ থাকিল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-“ৰাজন, মই বুজিব পৰা নাই এই মাজনিশা কিয় তুমি ইমান কষ্ট ভোগ কৰিছা ? তোমাৰ কি এনে আৱশ্যক হৈছে ? কোনো অদ্ভুত শক্তি লাভ কৰাৰ লক্ষ্য আছে নেকি ? নে কাৰোবাৰ মঙ্গলৰ উদ্দেশ্যে এনে কৰিব লগা হৈছে ? কিন্তু তুমি জানা নে নাই এনে অদ্ভুত শক্তিৰ পৰিণাম অতি সংঘাটিক হয় । ইয়াৰ প্ৰভাব সময়ৰ লগে লগে পৰিবৰ্তন হয় । উদাহৰণ স্বৰূপে তোমাক শঙ্কৰ আৰু কালিপদ নামৰ দুজন ব্যক্তিৰ কাহিনী কম । পথৰ ভাগৰ দূৰ কৰিবলৈ এই কাহিনী

মনোযোগ দি শুনিবা।" এইবুলি কৈ কাহিনী আৰম্ভ কৰিলে।

বহুদিন আগৰ কথা। বল্লভপুৰ নামৰ দেশৰ এখন সৰু গাঁৱত ধৰ্মপাল নামৰ এজন কৃষক আছিল। তেওঁৰ একমাত্ৰ পুত্ৰৰ নাম আছিল শঙ্কৰ। শঙ্কৰ সৰু থাকোতেই তাৰ মাকৰ মৃত্যু হৈছিল। সেয়েহে ধৰ্মপালেই পুতেকক মৰমেৰে ডাঙৰ দীঘল কৰিছিল। বাপেকৰ অতি বেচি মৰম পাই শঙ্কৰে লিখা-পঢ়া একো নকৰিলে আৰু অতি এলেহুৱা হ'ল। পিতাকে ভাবিলে বিয়া কৰাই দিলে সি ঠিক হৈ যাব। সেয়েহে তেওঁ কনকা নামৰ ছোৱালী এজনীৰ লগত শঙ্কৰৰ বিয়া পাতি দিলে।

বিয়াৰ পিছত পত্নী কনকাইও পতিৰ স্বাভৱ পৰিবৰ্তন কৰিবলৈ অশেষ চেষ্টা কৰিলে, কিন্তু কোনো লাভ নহ'ল। শঙ্কৰে ৰাতিপুৱাই পেটভৰাই আহাৰ খাই ওলাই গৈছিল আৰু দিনটো হাঁহি ধেমালি কৰি ঘূৰি ফুৰি সন্ধিয়া উভতি আহিছিল। এনে এলেহুৱা, নিষ্কৰ্মা পুতেকলৈ কনকাক বিয়া কৰাই অনা বাবে শহুৰেকৰ ওপৰত তাই অসন্তুষ্ট হৈছিল। সুবিধা পালেই শহুৰেকক তাই দুই চাৰিটা কথা শুনাছিল। বিভিন্ন ধৰণে তাই শহুৰেকৰ খং তুলিবলৈ চেষ্টা কৰিছিল। কনকাই মনতে শহুৰেকৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথা ভাবিলে।

কিছুদিনৰ পিছত ধৰ্মপালৰ মৃত্যু হ'ল। তেতিয়াৰ পৰা শঙ্কৰৰ বিপদ বাঢ়িবলৈহে ধৰিলে। কনকাই পতিৰ ওপৰত অভিযোগ আনি তেওঁৰ খং তুলিবলৈ ধৰিলে।

এদিন শঙ্কৰৰ এজন বন্ধুৱে তেওঁক দেখা কৰিবলৈ আহিছিল। তেওঁ চহৰত বাস কৰিছিল। শঙ্কৰে পত্নীক কলে-"আজি মোৰ বন্ধুৱে মোৰ লগত ভাত খাব, তেওঁৰ বাবেও ভাত ৰান্ধিবা। এই কথা শুনি কনকাই খঙতে একো নাই হৈ চিঞৰি চিঞৰি কবলৈ ধৰিলে- "ফুটা কড়ি এটা অৰ্জন কৰাৰ যোগ্যতাও তোমাৰ নাই। তোমাক খাবলৈ দিয়াটোৱে ভুল, তাতে আকৌ তোমাৰ বন্ধুৰ বাবে ভাত ৰান্ধিব লাগে? এইটো কোনো অতিথিশালা নহয় যে ইয়াত যাকে-তাকে ভাত খাবলৈ দিম।"

এই কথা শুনি চহৰৰ পৰা অহা শঙ্কৰৰ বন্ধুজনে থতমত খালে। তেওঁ কাকো মাতবোল নিদিয়াকৈ তাৰ পৰা গুচি গ'ল। শঙ্কৰে এই অপমান সহ্য কৰিব নোৱাৰিলে। পত্নীৰ ব্যৱহাৰত অসন্তুষ্ট হৈ শঙ্কৰে ঘৰ এৰি গুচি গ'ল।

শঙ্কৰে হাবিৰ মাজেৰে। যাবলৈ ধৰিলে। লাহে লাহে আন্ধাৰ হৈ আহিছিল। এনেতে শঙ্কৰে কাৰোবাৰ মাত শুনিবলৈ পালে-

"তুমি কোন ? দেখা নাই নে আন্ধাৰ হৈ আহিছে ? হাবিৰ ফালে আৰু আগবাঢ়ি যোৱাতো ঠিক নহব ।" যিফালৰ পৰা মাত শুনিবলৈ পাইছিল শঙ্কৰে সেইফালে ঘূৰি চালে।

ওচৰৰে এটা টিলাত এজন সন্ন্যাসীয়ে আসন পাতি বহি আছিল । শঙ্কৰে তৎক্ষণাত সেই সন্ন্যাসীজনৰ ওচৰলৈ গৈ তেওঁৰ ফালে চাবলৈ ধৰিলে ।তেওঁৰ মুখমন্ডলত এক তেজস্বী ভাব ফুটি উঠিছিল ।

শঙ্কৰে শ্ৰদ্ধাপূৰ্বক তেওঁৰ ওচৰত বহি লৈ নিজৰ দুখপূৰ্ণ কাহিনী কবলৈ ধৰিলে । তেওঁ নিজৰ দুন্দুৰী পত্নীৰ বিষয়ে সবিশেষ সন্ন্যাসীৰ আগত কলে । তাৰপাছত আকৌ কলে- "প্ৰভু, মোৰ শেষ জীৱনটো পত্নীৰ সৈতে কটোৱাৰ বাবে মোৰ ইমান সহ্য শক্তি নাই । তেওঁক শুধৰাই এজনী সুগৃহিনী কৰাৰ দায়িত্ব এতিয়া আপোনাৰহে । আপোনাৰ দ্বাৰা এইটো সম্ভব নহলে আপোনাৰ চৰণৰ ওচৰতে মই পৰি থাকিম আৰু বাকী জীৱন আপোনাৰ সেৱা কৰিয়ে পাৰ কৰি দিম ।"



সন্ন্যাসীয়ে প্ৰথমতে অসন্তুষ্ট ভাবে শঙ্কৰৰ ফালে চাইছিল, তাৰ পাচত হাঁহি মাৰি চকুমুদি ললে । তাৰ পাছত কাষতে থকা কমন্ডলুৰ পৰা হাতত এচলু পানী ঢালি লৈ কবলৈ ধৰিলে-"কনকাৰ ককৰ্থনা সম্পূৰ্ণৰূপে মিতমাত হৈ যা ।" এইবুলি কৈ তেওঁ হাতত থকা পানীখিনি মাটিত ঢালি দিলে ।

তাৰ পাছত সন্ন্যাসীয়ে শঙ্কৰক কলে-- "এই ঘোৰ অন্ধকাৰত আগবাঢ়ি গলে বিপদ হব পাৰে । উভতি যোৱাই ভাল হব । মই তোমাক আশ্বাস দি কলো এতিয়াৰ পৰা তোমাৰ কোনো কষ্ট নহব । ঘৰলৈ উভতি গৈ চোৱা এতিয়া তোমাৰ পত্নী কনকাৰ আচৰণ কেনেকুৱা ।"

শঙ্কৰে সন্ন্যাসীৰ ওচৰৰ পৰা উঠি ঘৰলৈ উভতি গ'ল । তেতিয়া বহুত ৰাতি হৈছিল । শঙ্কৰক দেখিয়ে কনকাই পতিৰ চৰণত পৰি কান্দি কান্দি কবলৈ ধৰিলে-"মোক মাফ কৰি দিয়া । ইমান দিনে মই তোমাক খং তুলাই আছিলো । যি কব নালাগিছিল তাকে কৈছিলো । মোৰ এই পাপৰ কোনো প্ৰায়শ্চিত নাই ।"

পত্নীৰ কথা শুনি শঙ্কৰৰ আনন্দৰ কোনো সীমা নাই । তেওঁ পত্নীৰ আগত কলে- "যিহৈছে সকলো সন্ন্যাসীৰ বাবেই হৈছে । তেওঁৰ বৰ দানৰ বাবেই তোমাৰ শুধৰণি হৈছে ।"

শঙ্কৰৰ কথাত আশ্চৰ্য্য প্ৰকাশ কৰি কনকাই কলে-"অ, এইহে কথা ! আগতে শুনিছিলো দেৱতাই বৰ দান দিয়ে বুলি, এতিয়া সন্ন্যাসীয়ে এই কাম কৰিবলৈ ধৰিছে।



সময়ৰ কিমান পৰিবৰ্তন হৈছে । যিয়েই নহওক বৰদান বৰদানেই ।" তাৰ পাছত তেওঁ নিজৰ হাতদুখন ভালদৰে চাই কবলৈ ধৰিলে -"মোৰ শৰীৰৰ ৰং যাতে আৰু পৰিষ্কাৰ হয় আৰু শৰীৰটো যাতে ক্ষীণ হয় এনে বৰ সন্ন্যাসীৰ পৰা খুজি আহাচোন ।"

শঙ্কৰে পত্নীৰ ইচ্ছা পুৰণৰ বাবে পিছদিনা সন্ন্যাসীক লগ ধৰিবলৈ ওলাই গ'ল । তেওঁ সন্ন্যাসীক দেখা কৰি সেই বৰ লাভ কৰি ঘৰলৈ উভতি আহিল । শঙ্কৰে পত্নীক দেখি আচৰিত হ'ল । কাৰণ পত্নীক এজনী কম বয়সীয়া ধুনীয়া যুৱতী যেন দেখা হৈছে ।

পিছাদিনা কনকাই গিৰিয়েকক কলে, "মই ভলদৰে ৰান্ধিব নাজানো । মই ৰন্ধা বস্তু বেচি সোৱাদ নহয় । বোধহয় কাৰোবাৰ শাপৰ বাবে আমাৰ পৰিয়ালৰ তিৰোতাসকল এই বিদ্যাৰ পৰা বঞ্চিত । তুমি সন্ন্যাসীক লগ ধৰি এনে বৰ খোজা যাতে মই সুস্বাদু খাদ্য বনাব পাৰো।"

শঙ্কৰে এনে এটা সামান্য কামৰ বাবে সন্ন্যাসীৰ ওচৰলৈ যাব খোজা নাছিল, কিন্তু কি কৰে ? উপায়হীন হৈ যাবলগাই হ'ল । শেষত এই বৰটোও সন্ন্যাসীৰ পৰা লাভ কৰিলে ।

এসপ্তাহ পিছত কনকাই শঙ্কৰক কলে- "মই এতিয়া বহুত ধুনীয়া দেখা হৈছো । সুস্বাদু আহাৰো বনাব পৰা হৈছো । কিন্তু কি লাভ ? এতিয়াও আমাৰ আৰ্থিক অৱস্থা ভাল নহল । যেনে আছিলো, তেনেই আছে । গতিকে তুমি আকৌ এবাৰ সন্ন্যাসীক লগ ধৰি ধন-সম্পত্তি কামনা কৰা গৈ ।"

এইবাৰ শঙ্কৰে মনতে অসন্তোষ কৰি সন্ন্যাসীৰ ওচৰলৈ গ'ল । কিন্তু হাবিলৈ গৈ তেওঁ দেখিবলৈ পালে সেই টিলাটোৰ ওপৰত সন্ন্যাসী নাই । তেওঁ ওচৰে পাজৰে গৈ সন্ন্যাসীক বিচাৰিলে, কিন্তু ক'তো দেখা নাপালে । শঙ্কৰ নিৰাশ হৈ ঘৰলৈ উলতি আহিল । শঙ্কৰে গাৱৰ মাজত থকা ভোজনালয়টোৰ সন্মুখ পাওঁতে এজন মানুহে সুধিলে-"শঙ্কৰ, এতিয়া সন্তুষ্ট নে ? সুখেৰে সংসাৰ কৰিব পাৰিছানে ?"

দাড়ি গোঁফ নোহোৱা বাবে শঙ্কৰে প্ৰথমতে সন্ন্যাসীক চিনিবই পৰা নাছিল । যেতিয়া তেওঁক চিনিব পাৰিলে শঙ্কৰে সুধিলে, "প্ৰভু, আপোনাৰ দাড়ি, গোঁফ আৰু গেৰুৱা বস্ত্ৰ কি হ'ল ?"

সন্ন্যাসীয়ে এটা হাঁহি মাৰি কলে-"মোৰ নাম কালিপদ । কোনো জ্ঞানী মানুহে ঠিকেই কৈছিল, দেখিবলৈ বেয়া পত্নীৰ লগতে সংসাৰ কৰিব পাৰি, কিন্তু দুষ্ট আৰু কৰ্কশ স্বভাৱৰ পত্নীৰ লগত সংসাৰ কৰা সম্ভৱ নহয়। মোৰ পত্নীৰ এই দুয়োটা লক্ষণে আছে । মই এইটো সহ্য কৰিব নোৱাৰি সন্ন্যাসী হৈ

গৈছিলো । কিন্তু যোৱা ছয় বছৰৰ তপস্যাৰ ফলত মোৰ মুখৰ পৰা যি কথাই ওলাইছে, সেয়ে সঁচা হৈছে । ইয়াৰ দ্বাৰা তোমাৰ পাৰিবাৰিক জীৱনৰো উন্নতি হৈছে । এইটো দেখি মোৰ অনুমান হৈছে মোৰ পাৰিবাৰিক জীৱনৰো পৰিবৰ্তন কৰিব পাৰিম । এই বিশ্বাস লৈয়ে মই গেৰুৱা বস্ত্ৰ ত্যাগ কৰি নিজৰ গাঁৱলৈ যাবলৈ আহিছোঁ ।”

সন্ন্যাসীৰ এই কথা শুনি শঙ্কৰ একেবাৰে নিৰাশ হ'ল । তেওঁ কলে-“প্ৰভু, ছয় বছৰ ধৰি আপুনি ধ্যানত মগ্ন থাকিল । মাথোঁ আৰু এদিনৰ বাবে ধ্যান চলাই যাওক । ইয়াৰ পৰা আপোনাৰ একো লোকচান নহয় । মোৰ বৰ আশা আছিল আপুনি মোৰ ধনসম্পদ হোৱাৰ বাবে বৰ দিব আৰু আমাক সুখী কৰিব । এই বৰ লাভ কৰিবলৈকে মই হাবিলৈ গৈছিলো । আপোনাক নাপাই তাৰ পৰাই উভতি আহি আছো ।”



তেওঁৰ কথা শুনি কালিপদে জোৰেৰে এটা হাঁহি মাৰি কলে-“শঙ্কৰ, জ্ঞানীজনে কয়, কষ্টৰ ফল সদায় মিঠা । এলাহ নামৰ পিশাচটোক দূৰলৈ খেদি দিয়া । পৰিশ্ৰম কৰা। পৰিশ্ৰম কৰি ফল পালে মনত উৎসাহ বাঢ়ে। মনত আনন্দ লাগে । মই এতিয়া যাব লাগে। মোৰ গাওঁ বহুত দূৰ । আকৌ কেতিয়াবা দেখা হব ।” এইবুলি কৈ কালিপদ তাৰপৰা গুচি গ'ল ।

কালিপদে গাওঁ গৈ পাওঁতে বহুত ৰাতি হ'ল । অতি উৎসাহেৰে গৈ তেওঁ ঘৰৰ ওচৰ পালে । সেই সময়ত তেওঁৰ ঘৰৰ খিৰিকি খোলা আছিল । ভিতৰৰ পৰা অহা শব্দ তেওঁ স্পষ্ট শুনিবলৈ পাইছিল । তেওঁৰ পত্নী, বালামণি, দহ বছৰীয়া কন্যা আৰু আঠ বছৰীয়া পুত্ৰই পৰস্পৰ মাজত কথা হৈ আছিল ।

“তোমালোকৰ ককাইযথেষ্ট সম্পত্তি এৰি গৈছিল, কিন্তু কি লাভ । তাক ৰক্ষাকৰ্ত্তা কোনো নাই । তোমালোকক নিজৰ বশত ৰাখিব নোৱাৰা বাবে তোমালোক দুয়ো শিক্ষাও নাপালা । ছয় সাত বছৰৰ ভিতৰত তোমালোকৰ বিয়াও পতিব লাগে । ইমান দায়িত্ব মই কেনেদৰে পালন কৰিম ? তোমালোকৰ পিতাৰাতো অতি কঠোৰ । মই মুখৰা হব পাৰো, যিয়ে মুখত আহে তাকে কৈ দিও । কিন্তু এনে পত্নীৰ সকলো পতিয়ে সন্ন্যাসী হৈ যায় নেকি ? তেতিয়াহলে যি অতি খঙাল তেওঁৰ পত্নীয়ে কি কৰা উচিত ? কি, এনে পত্নীয়ে কুঁৱাত পৰি আত্মহত্যা কৰিব লাগে নেকি ? মই ভাবো, মৰণেই মোৰ বাবে শৰণ ।” বালামণিয়ে ল'ৰা ছোৱালী হালৰ আগত এইদৰে দুখৰ কথা কৈ আছিল ।

তাৰ পাছত ধম্‌কৈ এটা শব্দ হ'ল । যেন কোনোবাই নিজৰ মূৰটোহে আফালিছে ।

অলপ সময় খিৰিকিৰ ওচৰত থিয় হৈ কালিপদে মাতিবলৈ ধৰিলে -“বালা, মই উভতি আহিছো। দুৱাৰ খোলা ।” এইবুলি কালিপদে জোৰেৰে দুৱাৰখন ধকিয়াবলৈ ধৰিলে ।

কাহিনী শেষ হোৱাৰ পিচত বেতালে সুধিলে-“ৰাজন, শঙ্কৰে বিশেষ কোনো পৰিশ্ৰম নকৰাকৈ নিজৰ পত্নীৰ কৰ্কশতা আৰু কঠোৰতা দূৰ কৰিবলৈ কৃতকাৰ্য্য হৈছে আৰু নিজৰ সমস্যা সমাধান কৰিব পাৰিছে । কিন্তু ছয় বছৰ ধৰি ধ্যান মগ্ন হৈ থকা কালিপদে সফলতা লাভ কৰিব পৰা নাই যেন অনুমান হয় । তেওঁ পত্নীৰ মুখৰা স্বভাৱ দূৰ কৰিব নোৱাৰিলে । এনে কিয় হ'ল ? বৈদ্যই যেতিয়া ৰোগীক চিকিৎসা কৰি তেওঁৰ ৰোগ দূৰ কৰিব পাৰে, সেই ৰোগতে পিড়িত বৈদ্যই নিজৰ চিকিৎসা কিয় কৰিব নোৱাৰে ? এইটো বাৰু এক আচৰিত কথা নহয়নে ? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মনে মনে থাকা, তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।”

তেতিয়া বিক্ৰমে কলে -“অনুমান হয়, আৰম্ভনিতে কালিপদ সন্ন্যাসীয়ে নিজৰ তপস্যাৰ ওপৰত সিমান বিশ্বাস কৰা নাছিল। কিন্তু পিছত যেতিয়া তেওঁ জানিব পাৰিলে তেওঁৰ কথাৰ মহিমা আছে আৰু সেই কথাই শঙ্কৰৰ ওপৰত ভাল প্ৰভাৱ দেখুৱাইছে তেতিয়া তেওঁ ঘৰলৈ উভতি গ'ল । তেওঁ ভাবিছিল তেওঁৰ কথা তেওঁৰ পত্নীৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব আৰু এটা সুগৃহিনীত পৰিণত কৰিব । কিন্তু তেনে একো নহ'ল । তেওঁৰ পত্নীয়ে সন্তানৰ আগত কৰ্কশ পত্নীসকল আৰু খঙাল পতিসকলৰ বিষয়েহে কৈ আছিল । কালিপদে ভাবিছিল এই কথাতো সত্যতা আছে । সেয়েহে তেওঁ দুৱাৰত ধকিয়াই নিজৰ পত্নীক মাতিছিল । পত্নীৰ ক্ষেত্ৰত তেওঁ অসফল হৈছে । কাৰণ তেওঁৰ তপস্যাৰ দ্বাৰা প্ৰাপ্ত শক্তি স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিব বিচাৰিছে । ইয়াৰ ব্যৱহাৰ আচলতে আনৰ বাবে হোৱা উচিত । ইয়াতে পৰমাৰ্থ আছে ।

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰ সৈতে অদৃশ্য হৈ গছৰ ডালত গৈ পুনৰ ওলমি থাকিল ।

**গায়ত্ৰী দেৱীৰ ৰচনাৰ আধাৰত**



# ভাৰত কথা

## এক মহান সভ্যতাত এভূমুকি

## যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

## ১৯. অপূৰ্ব প্ৰকৃতিৰ আৱিষ্কাৰ

সন্দীপ আৰু চামেলীৰ বাবে এইটো আছিল এটা স্মৰণীয় দিন । তেওঁলোকে আয়োজন কৰা পিকনিকলৈ তেওঁলোকৰ ককাক, অধ্যাপক দেৱনাথকো লৈ যাবলৈ সন্মত কৰাব পাৰিছিল। পিকনিকৰ ঠাই আছিল চহৰৰে নাতিদূৰৰ এটা লেকৰ পাৰত। লেকৰ পিছফালেই গছগছনিৰে ভৰা এখন ধুনীয়া পাহাৰ আছিল । সন্দীপ আৰু চামেলীৰ বন্ধু বান্ধৱী সকলেও তাত আংশ গ্ৰহণ কৰিছিল।

বতৰটো ধুনীয়া ফৰকাল বতৰ আছিল, লেকৰ পাৰত থকা গছৰ ডালবোৰ ফুলেৰে ভৰি আছিল। ৰঙা সূৰ্য্যটো পাহাৰখনৰ পিছফালে লুকাই পৰিবলৈ পাহাৰৰ তললৈ নামি গৈছিল ।

"কি অপূৰ্ব !" অস্তগামী ৰঙিণ সূৰ্য্যটোৰ ফালে চাই চামেলীয়ে কৈছিল ।

"অপূৰ্ব এটা শব্দহে, বাচা !" অধ্যাপক দেৱনাথে কলে । আমাৰ পৰম্পৰাৰ এক উল্লেখযোগ চাৰিত্ৰিক বৈশিষ্ট হ'ল, আমাৰ পূৰ্বপুৰুষ সকলে প্ৰকৃতিক ঐশ্বৰিক বুলিয়ে ভাবিছিল । এই ধাৰণাটোৱে আমাৰ চৈতন্য বৃদ্ধি কৰিছিল । এই ধাৰণাটোকে লৈ আমাৰ ঋষি মুনিসকলে হিমালয়ত এক ঐশ্বৰিক শক্তি বিচাৰি পাইছিল । তুষাৰাবৃত হিমালয়ৰ ওপৰত তেওঁলোকে আশ্ৰম প্ৰতিষ্ঠা কৰিছিল । আনকি তেওঁলোকে হিমালয়ৰ শিখৰবোৰকো সশ্ৰদ্ধ ভক্তি নিবেদন কৰিছিল, উদাহৰণ স্বৰূপে- কৈলাশ পৰ্বতক শিৱৰ বাসস্থান বুলি কোৱা হয়।" অধ্যাপক দেৱনাথে কলে ।

"এই পৰ্বতৰ মাজতে হত্যাকাৰী সকল লুকাই



থাকি তীৰ্থ কৰিবলৈ যোৱা নিৰিহ ভক্তসকলক হত্যা কৰে, কি যে দুখলগা ঘটনা । যোৱা জুলাই মাহতে অমৰনাথ যাত্ৰীসকলক এনেদৰে হত্যা কৰিছিল !” সন্দীপৰ বন্ধু এজনে কলে ।

“কিন্তু হায়, আমাৰ মাজতে এনেকুৱা ক্ৰুৰ ব্যক্তি আছে । মাথোঁ ভগৱানেহে জানে সিহঁত এনেদৰে আৰু কিমান দিন থাকিব অথবা মানুহ হিচাবে পাৰিচয় দিবলৈ কেতিয়া ভগবানে সিহঁতক বিবেক বুদ্ধি দিব ।” অধ্যাপক দেৱনাথে কলে ।

“অমৰনাথ কেনে ধৰণৰ তীৰ্থস্থান ককা ? সেই তীৰ্থৰ দেৱতা কোন ?” সন্দীপে সুধিলে ।

“প্ৰকৃতিৰ প্ৰতি মানুহৰ যি শ্ৰদ্ধা তাৰ প্ৰকৃত উদাহৰণ হ’ল অমৰনাথ,” অধ্যাপক দেৱনাথে কলে । ককা দেৱনাথৰ মুখৰ ফালে ল’ৰা ছোৱালীবোৰে অতি উৎসুক হৈ চাই থকা দেখি তেখেতে হিমালয়ৰ এই তীৰ্থস্থান খনৰ আঁৰত থকা কাহিনী কবলৈ ধৰিলে ঃ

অমৰনাথ, সমুদ্ৰ পৃষ্ঠৰ পৰা ৪,০০০ মিটাৰ উচ্চতাত অৱস্থিত । এই ঠাইখন বৰফেৰে আবৃত। বহু হাজাৰ বছৰ আগতে এইখন এখন পবিত্ৰ ঠাই আছিল যদিও বহুদিন ধৰি ই অবহেলিত হৈয়ে আছিল । এদিনাখন এটা ভেড়াৰখীয়াৰ এটা ভেড়াছাগলী হেৰোৱাত সি চাৰিওফালে বিচাৰি ফুৰিছিল । হঠাতে আচৰিত গুহা এটা দেখি তালৈ সোমাই গৈছিল । ভিতৰত সি বৰফেৰে গঠিত এটা শিৱলিঙ্গ দেখিবলৈ পালে।

ভেড়াৰখীয়াটোৱে অতি উৎসাহিত হৈ তাত শিৱলিঙ্গ থকাৰ কথাতো কাশ্মীৰৰ ৰজাক গৈ কলে । ৰজাৰ ৰাজসভাৰ পন্ডিতবোৰে তাত এটা গুহা থকাৰ কথা আগতে জানিছিল, কিন্তু তাৰ প্ৰকৃত অৱস্থিতিৰ কথা হে জানিব পৰা নাছিল । যোৱা কেইবাপুৰুষো ধৰি এইটো কোনেও দেখা নাছিল । মানুহে মাথো সেই গুহাটোৰ লগত জৰিত উপাখ্যান হে শুনিবালৈ পাইছিল । পুৰণি কালত, শিৱৰ পত্নী পাৰ্বতীৰ এদিনাখন শিৱই পিন্ধা মানুহৰ লাওখোলৰ মালডাল সম্পৰ্কে জানিবৰ খুব ইচ্ছা হ’ল । এই বিষয়ে শিৱক সোধাত কলে যে, এই লাওখোলাবোৰ পাৰ্বতীৰ পূৰ্বজন্মৰ লাওখোলাহে । প্ৰতিবাৰে পাৰ্বতীয়ে আবিৰ্ভাৱ হৈ মৃত্যু বৰণ কৰাত শিৱই সেই লাওখোলাবোৰ সংগ্ৰহ কৰি মালা গাঠি লৈছে ।

“এইটো কি কথা, মই বাৰে বাৰে মৰি আছো আৰু জন্মি আছো, তুমি কেতিয়াও মৰা নাই নেকি ?” পাৰ্বতীয়ে সুধিলে । পাৰ্বতীৰ যাতে আকৌ মৃত্যু নহয় সেই কাৰণে শিৱই অমৰত্বৰ গোপন কথাটো পাৰ্বতীৰ আগত কবলৈ সন্মত হৈছিল । কিন্তু তাৰ বাবে এনে এখন ঠাই লাগিব যাতে কোনো জীৱিত প্ৰাণীয়ে তেওঁৰ কথা শুনিবলৈ নাপায় ।

শিৱৰ অনুচৰবোৰে নিৰ্জন স্থান বিচাৰি এই গুহাটো পাইছিল । শিৱ আৰু পাৰ্বতীয়ে গুহাৰ ভিতৰত গৈ বহিছিল । শিৱই পাৰ্বতীক কাহিনীটো কৈ আছিল । কাহিনীটো শুনি থাকোতে পাৰ্বতীৰ টোপনি আহিছিল যদিও কোনোবাই শিৱৰ কথাত সঁহাৰি দি আছিল । এইটো আছিল কণীৰ পৰা জন্ম হোৱা এটা ভাটৌৰ পোৱালি । যেতিয়া শিৱই চৰাইটোৰ উপস্থিতিত সজাগ হৈছিল, তেতিয়া চৰাইটো দূৰলৈ উৰি গৈছিল আৰু মহৰ্ষি ব্যাসৰ পত্নীৰ গৰ্ভত গৈ স্থিতি লৈছিল । তেওঁৰ গৰ্ভৰ পৰা জন্ম লোৱা শিশুটোৱে হ'ল শুকদেৱ--শুকমানে হ'ল ভাটৌ চৰাই ।

ভেড়াৰখীয়াটোৱে, ৰজা আৰু সভাসদ সকলক সেই গুহাটোলৈ বাট দেখুৱাই লৈ গৈছিল । সেইটো আছিল এহেজাৰ বছৰৰো আগৰ কথা ।

"তেতিয়াৰ পৰা প্ৰতি বছৰে, যেতিয়া গুহালৈ যোৱা পথৰ বৰফবোৰ গলি পথেৰে মানুহ যাব পৰা হয়, হাজাৰ হাজাৰ ভক্তই প্ৰকৃতিয়ে সজা এই তীৰ্থস্থানলৈ যায় । এটা শুভ দিন চাই পেহেলগাঁওৰ পৰা তেওঁলোকে যাত্ৰা আৰম্ভ কৰে । বাটত নানা ধৰণৰ বাধা বিপত্তি অতিক্ৰম কৰি পৰ্বতীয়া পথেৰে তেওঁলোকে এই পথচোৱা যাব লগা হয় । তেওঁলোকৰ চাৰিওফালে থকা বিস্ময়জনক প্ৰকৃতিৰ তেওঁলোকো অংশীদাৰ হয় ।এইটো এটা ডাঙৰ অভিজ্ঞতা । যেতিয়া তেওঁলাকে গুহাৰ ভিতৰত থকা অশ্চৰ্য্যজনক দৃশ্য দেখিবলৈ পাই তেওঁলোকৰ আনন্দই চৰম সীমা পায়গৈ । তুষাৰৰ শিৱলিঙ্গৰ পৰা এক অপাৰ্থিৱ জ্যোতি উদ্ভাসিত হোৱা দেখিবলৈ পোৱা যায় ।" ককা দেৱনাথে কলে ।

সূৰ্য্য অস্ত যোৱাৰ পাছত লেকৰ পাৰলৈ এক পাতল এন্ধাৰ নামি আহিছিল । পিকনিকৰ দলটো ঘৰলৈ উভতি যোৱাৰ সময় হৈছিল, কিন্তু তেওঁলোকৰ কিছুমানে অনুভৱ কৰিছিল যে, তেওঁলোক অন্ততঃ প্ৰকৃতি প্ৰেমী হৈ উভতিব পাৰিছে ।

**ক্ৰমশঃ**

# গুজৰাটৰ লোক কথা

## গুজৰাট : তেতিয়াৰ আৰু এতিয়াৰ

গুজৰাট নামটো গুজ্জাৰ জনজাতি-সকলৰ 'গুজ্জাৰ ৰাষ্ট্ৰ' পৰাই আহিছে। এই জনজাতিটোৱে হুন সকলৰ আক্ৰমণৰ বাবে ৫ম শতিকাত ভাৰতলৈ পলাই আহিছিল ।

কিন্তু, গুজৰাটৰ ইতিহাস প্ৰায় খৃঃপূঃ ২০০০ বো আগৰ । কচ্ছৰ ৰাণত হৰপ্পা সভত্যাৰ চানেকি পোৱা গৈছে । এইটো বিশ্বাস কৰা হয় যে, ভগবান কৃষ্ণই মথুৰা ত্যাগ কৰি সৌৰাষ্ট্ৰৰ পশ্চিম উপকূলৰ দ্বাৰকাত বাস কৰিবলৈ আহিছিল ।

১৯৬০ চনৰ বোম্বে পুনৰগঠন আইনৰ ফলত ১৯৬০ চনৰ ১ মে তাৰিখে গুজৰাট ৰাজ্য গঠন কৰা হৈছিল। এই ৰাজ্যৰ পশ্চিম ফালে আছে আৰব সাগৰ, উত্তৰ আৰু উত্তৰ পূৱত আছে ক্ৰমে পাকিস্থান আৰু ৰাজস্থান। দক্ষিণ পূৱত আছে মধ্যে প্ৰদেশ আৰু মহাৰাষ্ট্ৰ আছে দক্ষিণত ।

এই ৰাজ্যৰ মুঠ মাটি কালি হ'ল ১৯৬,০০০ বৰ্গমাইল, যিটো ভাৰতবৰ্ষৰ মাটি কালিৰ ৬.১ শতাংশ । ২০০১ চনৰ চেঞ্চাশ মতে গুজৰাটৰ মুঠ জনসংখ্যা হ'ল ৫০,৫৯৬,৯৯২ জন। ভাৰতৰ জনসংখ্যাৰ ভিত্তিত ইয়াৰ স্থান হ'ল নৱম ।

# জ্ঞান বিক্ৰী কৰা ল'ৰাজন

এসময়ত গুজৰাটৰ এখন ৰাজ্যত বিপুল নামৰ ল'ৰা এজনে বাস কৰিছিল । সি সৰু থাকোতেই তাৰ পিতাকৰ মৃত্যু হৈছিল । পিতাকে তাৰ বাবে কোনো অৰ্জনৰ পথো ৰাখি যোৱা নাছিল । কিন্তু পিতাক জীয়াই থাকোতে পিতাকে কেনেকৈ ব্যৱসায় কৰে সি ভালদৰে নিৰিক্ষণ কৰি আছিল । এদিনাখন তাৰ খুব ভাল বুদ্ধি এটা মনত খেলালে ।

# শিল্পকৰ্ম

বাৰেবৰণীয়া হস্ত শিল্পৰ বাবে গুজৰাট অতি বিখ্যাত। সম্ভবত: তাৰ ভিতৰত বেচি জনপ্ৰিয় হ'ল বন্ধনী বা বন্ধেজৰ বস্তুবোৰ । বস্ত্ৰ শিল্পৰ বাবেও গুজৰাট অতি প্ৰসিদ্ধ । পটোলা ফেব্ৰিক, চুৰাটৰ জৰীৰ কৰ্ম আৰু মশ্ৰু আৰ্হিৰ বাবে গুজৰাট অতি বিখ্যাত । এই ৰাজ্যত উদ্ভব হোৱা জনপ্ৰিয় এমব্ৰইডাৰী ডিজাইনবোৰ হ'ল চলক, চালইয়া, কাংগ্ৰী, টিক্কি আৰু কটোৰী । কচ্ছ অঞ্চলটো পোচাক আৰু শাৰীৰ ওপৰত কৰা চিকমিকীয়া মিৰৰ ওৱাৰ্কৰ বাব প্ৰসিদ্ধ ।

বিপুলে অলপ টকা ধাৰ কৰিলৈ বজাৰত এখন সৰু দোকান খুলিলে । সি কেইখিলামান বগা কাগজ, এটা কলম আৰু চিয়াহীৰ দোৱাত দোকানৰ কাউন্টাৰত ৰাখিলে । তাৰ পিছত 'ইয়াতে জ্ঞান বিক্ৰী কৰা হয়' বুলি এখন চাইনবোৰ্ড লগাই দিলে ।

ব্যৱসায়ীসকলে সাধাৰণতে তেওঁলোকৰ দোকানৰ বস্তু কিনিবলৈ গ্ৰাহকক মাতে । সকলো ধৰণৰ মাল থকা তাত বহুতো দোকান আছে । তাত আনকি বন্ধেজ, জৰী আৰু পটোলাৰ নিচিনা দামী কাপোৰ থকা দোকানো আছে । লাৰ পুতলা, কেচুৱাৰ খাট, চকী আৰু ষ্টেণ্ড বিক্ৰী কৰা দোকান আৰু গৰম জিলাপী, দুধপাক, শ্ৰীখণ্ড আদি বিক্ৰী কৰা মিঠাইৰ দোকানো আছে ।

সেই দোকানীবোৰে শাক পাচলি অথবা চাউল দালি, প্ৰসাধন সামগ্ৰী অথবা মিঠাই, অথবা সাজ বাচন বিক্ৰী কৰে যিবোৰ ধৰি চাব, অনুভৱ কৰিব, গোন্ধ লব বা সোৱাদ লব পাৰি। কিন্তু তাৰ দৰে কোনে আৰু জ্ঞান বিক্ৰী কৰি আচৰিত মানুহ হিচাবে পৰিচয় দিব ? সকলোৱে তাক পাগল বুলিয়ে ভাবিছিল । কিন্তু বিপুলে ধৈৰ্য্য হেৰুৱা নাছিল আৰু 'ইয়াত জ্ঞান বিক্ৰী কৰা হয়' বুলি গ্ৰাহকক মাতিছিল !"

বুদ্ধুনাথ নামৰ এজন ধনী মানুহৰ ল'ৰা সেইপিনেৰে পাৰ হৈ গৈছিল । তাৰ পিতাকে তাক সদায় মূৰ্খবুলি গালি পাৰিছিল সি বিপুলৰ দোকানৰ সম্মুখত থিয় হৈ পোন্দোৱাকৈ চাই সুধিলে 'এইটো কি'? বিপুলে বুজাই কলে ইয়াত জ্ঞান বিক্ৰী কৰা হয় । বুদ্ধুনাথে ভাবিলে পিতাকৰ মনত ভাল লাগোৱাৰ এইটোৱে ভাল উপায় । সেয়েহে সি সুধিলে প্ৰতি গজ জ্ঞাণত কিমান দাম লাগিব ।

'জ্ঞান গজ হিচাবে বিক্ৰী নহয়, ইয়াক গুণৰ ওপৰত ভিত্তি কৰিহে বিক্ৰী কৰা হয়," বিপুলে এজন দক্ষ পৰামৰ্শদাতাৰ নিচিনাকৈ

উত্তৰ দিলে। বুদ্ধুনাথে আচলতে একো বিষয়ে ভালদৰে নাজানিছিল । সি বিপুলক কলে, ‘মোক এটকাৰ জ্ঞান দিয়া ।’

বিপুলে এখিলা কাগজ আনি লিখিলে “দুজন মানুহৰ কাজিয়াৰ মাজত নোসোমাবা আৰু চাই নাথাকিবা ।” আৰু সি কাগজখিলা বুদ্ধুনাথক দিলে ।

## উৎসৱ পাৰ্বণ

বিভিন্ন ধৰণৰ উৎসৱৰ বাবে গুজৰাট অতি জনপ্ৰিয় । তাৰ ভিতৰত অতি জনপ্ৰিয় উৎসৱ হ’ল মকৰ সংক্ৰান্তিত আহমদাবাদত হোৱা চিলা উৰুৱা উৎসৱ, এই প্ৰতিযোগিতাত যোগ দিবলৈ গোটেই বিশ্বৰ পৰাই মানুহ আহি ইয়াত লগলাগে ।

অন্যান্য উৎসৱবোৰ হ’ল টৰনেটৰত হোৱা ত্ৰিনেতেশ্বৰ মহাদেৱ উৎসৱ । এইটো বিশ্বাস কৰা হয় যে মহাভাৰতৰ দ্ৰৌপদীৰ স্বয়ম্বৰ ইয়াতে হৈছিল।

ইয়াৰে সবৰমতী আৰু ভত্ৰক নদীৰ সঙ্গমস্থল ভৌথকত ৰাজস্থানৰ পুষ্কৰ মেলাৰ আৰ্হিত বছৰে এবাৰ পশু মেলা পতা হয়। এই মেলাত গাধ কিনা বেচা কৰা হয় ।

বুদ্ধুনাথে ধন্যবাদ দি কাগজখন ভাঁজ কৰি তাৰ পাগুৰিৰ মাজত সোমাই লৈ তাৰ পৰা গুচি গ’ল ।

ঘৰত গৈ সি যেতিয়া এই কথাটো কলে বুদ্ধুনাথৰ বাপেকৰ তাৰ ওপৰত খং উঠিছিল। “তোৰ মূৰ্খামিৰ কোনো সীমা নাই,” বাপেকে গালি পাৰি কৈছিল । ‘কোনোবা বদমাচে জ্ঞান বিক্ৰী কৰিছে আৰু তই সেইটো কিনিছ । মূৰ্খ কৰবাৰ, তই নাজান নেকি জ্ঞান কিনিব নোৱাৰি?” সঁচাকৈয়ে, আগৰ দিনত এনে ধৰণৰ কোনো পৰামৰ্শদাতা নাছিল ।

বাপেকে তাক বজাৰলৈ টানি লৈ গ’ল আৰু বিপুলৰ দোকানখন দেখুৱাই দিবলৈ কলে । তেওঁ বিপুলৰ ওচৰলৈ গৈ আপত্তি কৰি কলে, “তুমি মোৰ পুত্ৰৰ মূৰ্খামিৰ সুযোগ লৈছা । মই তোমাক ৰজাৰ ওচৰলৈ লৈ-গৈ মানুহক ঠগোৱা বাবে ৰজাক কৈ শাস্তি দিয়াম। বদমাচ কৰবাৰ !”

“এইটো কথা লৈ ইমান খং কৰাৰ কোনো কাৰণ নাই ।” বিপুলে কলে । ‘যদি মোৰ বস্তুটো ভাল লগা নাই, তেতিয়াহলে মোক ওভতাই দিয়া আৰু তোমাৰ টকা ঘূৰাই লৈ যোৱা ।”

বিপুলৰ কথা শুনি ধনী মানুহজন খুব আনন্দিত হ’ল । তেওঁ সমস্যাটো ইমান সহজে মিতমাত হব বুলি ভবাই নাছিল ।

‘এই তোমাৰ জ্ঞান ফিৰাই লোৱা,” এইবুলি বিপুলে লিখি দিয়া কাগজৰ টুকুৰাটো মানুহজনে ঘূৰাই দিলে ।

‘নহয়, নহয় ! এই কাগজ টুকুৰা মই বেচা জ্ঞান নহয় । ইয়াত থকা উপদেশটোহে জ্ঞান। তোমাৰ পুত্ৰই মই দিয়া জ্ঞান ব্যৱহাৰ নকৰো

বুলি প্ৰতিজ্ঞা কৰিব লাগিব আৰু মানুহৰ কাজিয়া লাগিলে থিয় হৈ চাই থাকিব লাগিব।" বিপুলে কলে ।

তাত গোটখোৱা মানুহবোৰো তাৰ কথাত সন্মত হ'ল, সেয়েহে ধনী মানুহজনে বিপুলে তেওঁৰ পুতেকক দিয়া জ্ঞান কামত নলগাও বুলি প্ৰতিজ্ঞা কৰি এটকা ৰূপ ওভতাই লৈ তাৰপৰা গুচি গ'ল ।

সেই দেশৰ ৰজাৰ ৰূপমতী আৰু তৰামতী নামৰ দুজনী ৰাণী আছিল । তেওঁলোকৰ মাজত প্ৰায়ে কাজিয়া লাগিছিল । দুয়ো ৰাণীৰ দুজনী লিগিৰী আছিল । সিহঁতেও সুবিধা পালে নিজৰ শ্ৰেষ্ঠতা দেখুৱাবলৈ ইজনীয়ে সিজনীৰ লগত কাজিয়া কৰিছিল ।

এদিনাখন বুদ্ধুনাথে এনেয়ে বজাৰত ঘুৰিফুৰিছিল । সেই-দিনা লিগিৰী দুজনীও বজাৰলৈ আহিছিল । সিহঁতে একেজন তৰকাৰী দোকানীৰ ওচৰলৈ গৈছিল আৰু দুয়োৰে চকু একে সময়তে একেটা বঙালাওৰ ওপৰতে পৰিছিল । সিহঁত দুজনীৰ প্ৰত্যেকেই সেই একেটা বঙালাওৱেই কিনিব খুজিলে, অন্য বঙালাও নহয়।

এই কথাটোকে লৈ দুয়ো চিৎকাৰ কৰি গালাগালি কৰিবলৈ ধৰিলে বুদ্ধুনাথ যদিও মূৰ্খ আছিল, খুব সাধু আছিল। গতিকে, বাপেকে বিপুলৰ আগত কৰা প্ৰতিজ্ঞাৰ কথা মনত কৰি দুয়োৰে মাজত লগা কাজিয়া থিয় হৈ সি চাই থাকিল । অতি সোনকালে সিহঁতৰ মাজত ঘুচিয়াঘুচি লাগিল। তাৰে এজনীয়ে ওচৰতে বুদ্ধুনাথক দেখি কলে "তুমি মোৰ সাক্ষী হব লাগিব, তাইহে প্ৰথমতে কাজিয়া লগাইছে ।"

তেতিয়া অন্যজনীয়ে কলে, "তুমি মোৰ সাক্ষী হবই লাগিব, তাইহে মোক প্ৰথমতে ঘুচিয়াইছে আৰু চুলিত টানিছে ।" তাৰপিছত সিহঁত দুজনীয়ে মনত কৰিলে, সিহঁতৰ আৰু বহুত কাম কৰিবলৈ বাকী আছে, গতিকে দুয়ো ৰাজপ্ৰাসাদলৈ উভতি গ'ল । দুয়ো খঙেৰে ভোৰ ভোৰাই দুয়োৰে ৰাণীৰ কোঠালৈ গ'ল ।

তাত গৈ দুয়ো প্ৰত্যেকে প্ৰত্যেকৰ ৰাণীৰ ওচৰত আপত্তি দৰ্শালে আৰু এই কাজিয়াৰ সাক্ষী বুদ্ধুনাথ থকা বুলি কলে । দুয়ো ৰাণীয়ে ভালদৰে সাজি-কাচি, চক্‌চকীয়া গহনা পিন্ধি ৰজাৰ ওচৰলৈ গৈ দুয়ো ৰাণীৰ লিগিৰীৰ মাজত লগা কাজিয়াৰ কথা কলে আৰু ইজনীয়ে সিজনীৰ লিগিৰীৰ বিৰুদ্ধে আপত্তি দৰ্শালে, লগতে সাক্ষী হিচাপে বুদ্ধুনাথৰ নামটোও কলে । কিনো হৈছে ঘটনাটো জানিবলৈ ৰজাই বুদ্ধুনাথক মাতি পঠালে ।

বুদ্ধুনাথ বৰ বিমোৰত পৰিল, কাৰণ সি যি কথাই কয় সেয়াই তাক বিপদত পেলাব। তাৰ পিতাকে তাক গালি দিয়াৰ বাহিৰে আৰু একো কৰিব নোৱাৰিলে। দুজনী তিৰোতাৰ কাজিয়া থিয় হৈ চাই থকা বাবে পিতাকে তাক খুব বকিলে। তেতিয়া বুদ্ধুনাথে প্ৰতিবাদ কৰি কলে, তেওঁ বিপুলক কথা দিয়া বাবেহে এই কাজিয়াখন চাব লগা হ'ল। যি হওক, সমাধানৰ একো উপায় নাপায় অৱশেষত

উপায় বিচাৰি বিপুলৰ ওচৰলৈ গ'ল। তেতিয়া বিপুলে কলে ইয়াৰ উপায় আছে, কিন্তু এইবাৰ বেচি দাম নাগিব।

"মোক এইবাৰ পাঁচশ টকা লাগিব।" বিপুলে কলে। ধনী মানুহজনে অন্য পথ নেদেখি বিপুলৰ কথাত সন্মত হল। তেতিয়া বিপুলে বুদ্ধুনাথক পাগলৰ ভাও ধৰিবলৈ কলে, ৰজাই যেতিয়া সিনো কি কৈছে বুজি নাপাব তেতিয়া তাক যাবলৈ কব আৰু ৰাণী দুগৰাকীয়ে তাৰ ওপৰত খং নকৰিব।

ধনী মানুহজনে বিপুলক পাঁচশ টকা দিলে আৰু তেওঁৰ পুতেকে বিপুলৰ কথা মতে কাম কৰিলে। কিন্তু বাপেক পুতেক এইবাৰ অন্য এটা সমস্যাত পৰিল, যিটো তেওঁলোকে ভবা নাছিল। ধনী মানুহজনে বুজিব পাৰিলে যে, ৰজাই যদি জানে বুদ্ধুনাথ আচলতে পাগল নহয় তেতিয়া আৰু বিপদ হব। গতিকে, তেওঁলোকে উভতি গৈ বিপুলৰ উপদেশৰ গুণাগুণ সপৰ্কে অভিযোগ জনালে।

তেতিয়া বিপুলে কলে, "মই যেতিয়া উপদেশ দিছিলো, সেইটো ঠিকেই আছিল। এতিয়া নতুনকৈ দিব লাগিলে আকৌ পাঁচশ লাগিব।

ধনী মানুগজনে পাঁচশ টকা দিয়াত বিপুলে কলে, ৰজাই যেতিয়া ভাল অৱস্থাত থাকিব তেওঁক এটা গল্প শুনাবা। তেতিয়া ৰজাই এটা হাঁহি মাৰি তোমাক ক্ষমা কৰি দিব।" বিপুলে আকৌ সোঁৰৰাই দি কলে, "কিন্তু এইটো নিশ্চিত হৈ লবা যে ৰজা ভাল অৱস্থাত আছে।"

বুদ্ধুনাথ আৰু পিতাকে ঠিক তাকেই কৰিলে। ৰজাই গল্প শুনি হাঁহিত বাগৰি পৰিল। ইয়াৰ পিছত ৰজাই সেই জ্ঞান বিক্ৰী কৰা ল'ৰাজনৰ বিষয়ে জানিবলৈ ইচ্ছুক হ'ল।

বিপুল গৈ যেতিয়া ৰজাৰ আগত দেখা দিলে ৰজাই সুধিলে, "মই শুনিছো তুমি জ্ঞান বিক্ৰী কৰা। মোৰ বাবে কি জ্ঞান বিক্ৰী কৰিবা?"

"মহাৰাজ, মোৰ জ্ঞান বহুত দামী!" বিপুলে ৰজাক কলে।

"ঠিক আছে। কিমান দাম লাগিব?" ৰজাই সুধিলে।

"পাঁচ হাজাৰ! আপোনাৰ বাবে জ্ঞানৰ

মূল্য লাগিব পাঁচ হাজাৰ, মহাঁশয় ।" বিপুলে কলে ।

"জ্ঞানৰ গুণাগুণ যদি ভাল হয়, মই দামৰ কথা নাভাবো ।" ৰজাই কলে । বিপুলে তেতিয়া কাগজ এটুকুৰাত উপদেশ লিখি ৰজাক দিলে । তাত লিখা আছিল "আপুনি কিবা কাম কৰাৰ আগতে গভীৰ ভাবে চিন্তা কৰিব।"

উপদেশটো ৰজাৰ বৰ ভাল লাগিল আৰু ধুনীয়া অঞ্জাৰ পেইন্টিঙৰ লগতে প্ৰাসাদৰ যতে ততে এই উপদেশটো লিখি ৰাখিলে । ৰজাই বিপুলক পাঁচ হাজাৰ টকা দিলে ।

এই ঘটনাৰ কিছুদিন পিছত ৰজা এদিন বেমাৰত পৰিল । ৰাণী ৰূপমতী আৰু মন্ত্ৰীয়ে ৰজাক মাৰিবৰ ষড়যন্ত্ৰ কৰি ৰজাৰ ঔষধত বিষ মিহলাই দিবলৈ ডাক্তৰক কলে আৰু তাৰ বাবে ডাক্তৰক টকা দিলে । ৰজাই ঔষধ খাব ধৰিছিলেই, এনেতে বেৰত লিখি থোৱা কথাষাৰত চকু পৰিল--"কোনো কাম কৰাৰ আগতে গভীৰভাৱে চিন্তা কৰি চাবা ।" এই কথাষাৰে তেওঁৰ মনত আকৌ এবাৰ খুন্দিয়ালে আৰু ঔষধ খোৱাৰ পৰিবৰ্তে ৰজাই কথাটো চিন্তা কৰিবলৈ ধৰিলে ।

ডাক্তৰৰ মনত এনেয়ে দোষী দোষী ভাব এটা আছিলেই, ৰজাই চিন্তা কৰা দেখি ডাক্তৰে ভাবিলে তেওঁৰ ঔষধক ৰজাই সন্দেহ কৰিছে । গতিকে ডাক্তৰে ভাবিলে ৰজাই ধৰা পেলোৱাৰ আগতে দোষ স্বীকাৰ কৰাই ভাল । এইবুলি ভাবি ডাক্তৰে ৰজাৰ ভৰিত দীঘল দি পৰি কলে-'ক্ষমা কৰিব মহাৰাজ !"

ৰজাই প্ৰথমতে আচৰিত হৈছিল, পিছত যেতিয়া গোটেই ঘটনাটো জানিব পাৰিলে ৰজাৰ খুব খং উঠিল । ৰজাই বিচাৰ কৰি ৰাণী ৰূপমতী, মন্ত্ৰী আৰু ডাক্তৰক নিৰ্বাসন দন্ড দিলে ।

তাৰ পিছত ৰজাই বিপুলক মাতি আনি মন্ত্ৰী পাতিলে । তাৰ বহু বছৰ পিছলৈকে ৰজাই ৰাজকাৰ্য্য চলোৱাত বিপুলে সহায় কৰিছিল ।

**উমা ৰমনৰ দ্বাৰা পুনৰ কথন**

## ভ্ৰমণ স্থান

তুমি যদি গুজৰাটলৈ যোৱা দ্বাৰকালৈ যাবলৈ নাপাহৰিবা -য'ত ভগবান কৃষ্ণই বাস কৰিছিল বুলি বিশ্বাস কৰা হয় । বৰ্ত্তমানৰ দ্বাৰকাখন ষষ্ঠ দ্বাৰকা নগৰ, আগৰ পাঁচখন সমুদ্ৰ গৰ্ভত লীন হৈছে । হয়াৰ দ্বাৰকাদীশ মন্দিৰটো ২,৫০০ বছৰৰো অধিক পুৰণি বুলি বিশ্বাস কৰা হয় । কচ্ছৰ লোঠাল, হৰপ্পাৰ বসতিৰ বাবে জনজাত । ভাৰতৰ এনে ধৰণৰ ঠাইবোৰৰ ভিতৰত ইয়াৰে লোঠাল আৰু হৰপ্পাৰ ঠাইবোৰ অতি প্ৰাচীন ।

# কথাকলি

## ভাৰতীয় নৃত্য নাটিকা

দেৱ-দেৱী, দৈত্য আৰু প্ৰেতাত্মাই অদ্ভুত শক্তিৰে পাকঘূৰণী খাই ঘূৰি আছে। অন্ধকাৰচ্ছন্ন মঞ্চত এটা ওখ পিতলৰ লেম্প আৰু নৃত্য শিল্পীৰ সাজ পোচাক ৰখা আছে।

দক্ষিণ ভাৰতৰ কেৰেলাৰ স্থানীয় নৃত্য কথাকলি প্ৰদৰ্শন অনুষ্ঠানলৈ আহ্বান জনোৱা হৈছে। কথাকলিৰ প্ৰকৃত অৰ্থ হৈছে 'কাহিনী-অভিনয়'। এইটো এটা ক্লাচিকেল নৃত্য-নাটিকা। চাৰিত্ৰিক দিশৰ পৰা ই নাট্যধৰ্মী। ৩০০ বছৰ পুৰণি এই কলাশৈলী নৃত্য, নাটক আৰু মাৰ্শ্বেল আৰ্টৰ এক সংমিশ্ৰন। এই নৃত্যৰ উপাদান আৰু প্ৰতীকধৰ্মীতাত নৱম শতিকাৰ কেৰেলাৰ কূদিয়াত্তম নামৰ কলাশৈলীৰ প্ৰভাৱ পৰিছে। অলপতে (unesco) ইউনেচ-কোৱে ইয়াক ঐতিহ্যপূৰ্ণ কলা শৈলী হিচাবে স্বীকৃতি দিছে।

নৃত্যশিল্পীসকলে সাধাৰণতে ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ কাহিনীকলৈ অভিনয় প্ৰদৰ্শন কৰে।

কথাকলি যদিও নৃত্য নাটিকাৰ আৰ্হিৰ, ইয়াৰ নৃত্যশিল্পীয়ে কিন্তু মুখেৰে কোনো কথা উচ্চাৰণ নকৰে। এদল বৰ্ণনাকাৰী শিল্পীয়ে গানৰ আৰ্হিত কাহিনী ভাগ বৰ্ণনা কৰি যায় আৰু নৃত্যশিল্পীয়ে তাকে হাতৰ মুদ্ৰা, চকু মুখৰ ভঙ্গিমাৰে অভিনয় কৰি দেখুৱায়।

এই নৃত্যৰ প্ৰায় ৭০০ মুদ্ৰা আছে আৰু ২৪টা বিভিন্ন উপায়েৰে ইয়াক সংলগ্ন কৰা হৈছে। অতি পাকৈত নৃত্যশিল্পীসকলে ১৭ ধৰণেৰে চকুৰ মণি লৰাব পাৰে। তেওঁলোকে আঠ ধৰণেৰে চকুৰ ভ্ৰূ আৰু আঠ ধৰণেৰে চকুৰপতা সঞ্চালন কৰিব পাৰে। এইটো বাৰু আচৰিত নহয় নে?

কিছুদিন আগলৈকে অকল পুৰুষেহে কথাকলি নৃত্য নাচিছিল। তেওঁলোকে মহিলাৰ নিচিনাকৈ, মনোমোহা ভঙ্গিমাৰে নৃত্য প্ৰদৰ্শন কৰা দেখিলে আচৰিত হ'বা।

**মুখমণ্ডলৰ প্ৰসাধন**

নৃত্যশিল্পীসকলে তেওঁলোকৰ ওঠ, চেলাউৰি আৰু চকুৰপতাৰ নোমবোৰ আঁকি লয়। নায়ক, খলনায়ক, দৈত্য, ঋষি মুনি, ৰজা আৰু মহিলা প্ৰতিটো চৰিত্ৰৰ বাবে বিশেষ ধৰণৰ প্ৰসাধন আৰু সাজপোচাক আছে। নৃত্য-

শিল্পীসকলে প্ৰধান কৰোতে আৰু সাজ পোচাক পিন্ধোতে প্ৰায় চাৰি পাঁচ ঘন্টা সময় লাগে ।

সেউজীয়া ৰংটোৱে ভাল বুজায়, ৰঙা ৰঙে বীৰত্ব আৰু হিংস্ৰতা বুজায়, ক'লা ৰঙে অশুভ আৰু আদিম-তাক বুজায়, হালধীয়া ৰঙে আশ্চৰ্য্য আৰু বগা ৰঙে পবিত্ৰতাক বুজায় । এইবোৰ ৰঙৰ সংমিশ্ৰণে নাটকৰ চৰিত্ৰবোৰৰ চাৰিত্ৰিক বৈশিষ্ট্য ফুটাই তোলে ।

নৃত্যশিল্পীৰ চকুবোৰ কাজলেৰে দীঘলীয়াকৈ আঁকি লয় । ছুনদাপূ নামৰ এবিধ ফুলৰ গুটি চকুত দিয়ে । তেতিয়া লাইটৰ পোহৰত চকুবোৰ উজ্জল ৰঙা দেখি আৰু ইয়াৰ প্ৰভাৱ অতি আশ্চৰ্যজনক ।

প্ৰসাধন কৰাৰ আগতে শিল্পীসকলে ভালদৰে মুখমণ্ডল ধুই লয় আৰু তাৰ পাছত কপালত এটা চন্দনৰ ফোট লয়, তাৰ পাছতহে প্ৰসাধনকাৰীয়ে প্ৰসাধন কৰাৰ সুবিধাৰ বাবে শিল্পীজনক মজিয়াত শুৱাই লয়।



এই নৃত্য নাটিকাবোৰ সাধাৰণতে মন্দিৰৰ খোলা প্ৰাঙ্গণত প্ৰদৰ্শন কৰা হয় । নাটক, ৰাতি পলমকৈ আৰম্ভ হয় আৰু খুব ৰাতিপুৱাতে শেষ হয় । চেৰুটুৰুঠিত কেৰেলা কলামণ্ডলম স্থাপন হোৱাৰ পিছত কবি ভাল্লথল নাৰায়ণ মেননে কথাকলিক নতুন ৰূপত সজায় আৰু কিছু পৰিবৰ্তন আনে । আজি কালি কথাকলি নৃত্য নাটিকা প্ৰেক্ষাগৃহত সঘিয়া প্ৰদৰ্শন কৰা হয় । বৰ্ত্তমানে ইয়াত আনকি বাইবেলৰ কাহিনীৰো নাট্য ৰূপ প্ৰদৰ্শন কৰা হয় ।

কথাকলি নৃত্যশিল্পীসকলে প্ৰাকৃতিক ৰঙেৰে তেওঁলোকৰ মুখমণ্ডলত ৰং সানে । কেনেকৈ সেউজীয়া, হালধীয়া, ৰঙা, বগা আৰু ক'লা ৰং পাব পাৰি তাৰ বাবে তুমি আচৰিত হৈছা নহয়নে ? সেইবোৰ প্ৰাকৃতিক উপাদানৰ পৰা লোৱা হয়, সেইবোৰ গুড়ি কৰি নাৰকিল তেল সানি ব্যৱহাৰ কৰা হয় ।

বগা ৰংটো চূণৰ পৰা কৰা হয়। ৰঙা ৰংটো হালধী আৰু চূণ মিহলাই তৈয়াৰ কৰা হয় ।

সেউজীয়া গছৰ পাতবোৰ থেঁতালি চূনৰ সৈতে মিহলাই সেউজীয়া ৰং পাব পাৰি ।

নাৰিকলৰ খোলাটো পুৰি তাৰ চাইবোৰ গুড়ি কৰি সেই গুড়িত নাৰিকলৰ তেল মিহলাই ক'লা ৰং তৈয়াৰ কৰা হয় ।

হালধী গুড়িৰ পৰা হালধীয়া ৰং তৈয়াৰ কৰা হয় ।

# অযাচিত মতবাদ

তুমি নিশ্চয় চূফী পীৰসকলৰ কথা শুনিছা। চূফীবাদ হ'ল ইচলাম ধৰ্মৰ এক আধ্যাত্মবাদ। চূফীসকলৰ মতবাদ হ'ল প্ৰেম, কৰুণা আৰু বিশ্বভাতৃত্ব। কিন্তু কোন সন্তইনো বাৰু সমালোচনাৰ সম্মুখীন হোৱা নাই ? আৰু এই চূফীসকলো সমালোচনাৰ উৰ্দ্ধত নহয়।

এখন গাঁৱত এজন ডেকা মানুহে বাস কৰিছিল। তেওঁ সদায় চূফী পীৰসকলৰ বিৰুদ্ধে কৈছিল। এই নিজমতবাদী মানুহজনৰ আমনি লগা কথা শুনি গাঁৱৰ প্ৰত্যেকে বিৰক্ত হৈছিল। তেওঁৰ আচৰিত মতবদৰ বিষয়ে দীঘলীয়া আলোচনা কৰিব খুজিলেও কোনেও তেওঁৰ লগত তৰ্ক বিতৰ্ক কৰিবলৈ আগবাঢ়ি অহা নাছিল।

অৱশেষত সেই গাঁৱতে বাস কৰা চূফী পীৰ এজনে সিদ্ধান্ত কৰিলে যে, এই ডেকা মানুহজনক তেওঁৰ মতবাদৰ মূল্য সম্পৰ্কে শিকোৱাৰ এইটোৱে সময়। তেওঁ নিজৰ আঙুলিৰ পৰা এটা অঙঠি উলিয়াই তেওঁক দিলে।

"ডেকা ল'ৰা, এইটো বজাৰলে লৈ যোৱা আৰু ৫০০ টকাত বিক্ৰী কৰি আহা। ডেক জনে এই কামটো কৰিব পাৰিব বুলি ইমানেই বিশ্বাসী আছিল যে, তেওঁ সেই আঙঠিটো লৈ তৎক্ষণাত বজাৰলৈ গ'ল।

কিন্তু হায়, সেই আঙঠিটো কোনো কিনা মানুহ নোলাল। এজনী মহিলাই আঙঠিটো লাৰি চাৰি চাই কলে, "মই এই আঙঠিটোত ১০ টকা দিবলৈ ৰাজি, তাকো মোৰ সন্তানটোৱে এইটো বিচৰা বাবেহে কিনিব খুজিছো।" তেওঁ আঙঠিটো লৈ পীৰৰ ওচৰলৈ উভতি গ'ল। তাৰ পাছত পীৰজনে তেওঁক এজন গহনা বেপাৰীৰ ওচৰলৈ পঠালৈ আৰু কলে যে আঙঠিটোৰ মূল্য কিমান হব পাৰে সুধিবা। গহনা বেপাৰীজনে সেইটো ভালদৰে পৰীক্ষা কৰি লৈ জুখি চাই কলে যে ইয়াৰ মূল্য ৫,০০০ টকা হব।

যেতিয়া তেওঁ ঘূৰি আহি পীৰজনক কথাটো কলে তেতিয়া চূফী পীৰজনে এটা হাঁহি মাৰি কলে-"বাচা, তুমি চূফী পীৰসকলক সিমানখিনিহে জানা, বজাৰত মহিলাগৰাকীয়ে আঙঠিটোৰ বিষয়ে যিমানখিনি জানিছিল। এই কথাটোৰ পৰাই ডেকাজনে এটা শিক্ষা পালে।

ভাৰতৰ উৎসৱ পাৰ্বণ

# বিজয়ৰ উৎসৱ

# দশহৰা

ৰং বিৰং, জাকজমক আৰু উলহ-মালহৰ ফালৰ পৰা ভাৰতৰ অতি কম উৎসৱেহে দশহৰাক বা দশেৰাক চেৰপেলাব পাৰে । এই উৎসৱ হিন্দু কেলেন্ডাৰ মতে আহিন মাহত আৰু ইংৰাজী মতে চেপ্তেম্বৰ-অক্টোবৰ মাহত পালন হয় । মহিষাসুৰ দানৱৰ বিৰুদ্ধে দেৱী দুৰ্গাৰ বিজয়ৰ স্মৃতি স্বৰূপে এই দশহৰা উৎসৱ পৰম্পৰাগত ভাবে পালন কৰি অহা হৈছে ।

পুৰাণৰ কাহিনী মতে, শিৱই মহিষাসুৰক এইবুলি বৰ দিছিল যে, তেওঁক কোনো দেৱতাই বধ কৰিব নোৱাৰিব । শিৱৰ বৰত বলীয়ান হৈ মহিষাসুৰে নিদোষী মানুহবোৰৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে । এই দৈত্য ৰজাক বধ কৰিবলৈ দেৱতাসকলে তেতিয়া এটা সৰ্বশক্তিমান দেৱীৰ সৃষ্টি কৰাৰ সিদ্ধান্ত কৰিলে । ইয়াৰ ফল স্বৰূপে দুৰ্গাৰ জন্ম হৈছিল ।

দিব্য শক্তিৰ অধিকাৰিণী হৈ আৰু দেৱতা সকলে দিয়া বিশেষ অস্ত্ৰ-শস্ত্ৰৰ গৰাকী হৈ দেৱী দুৰ্গাই মহিষসুৰৰ লগত যুদ্ধৰ সন্মুখীন হয় । দুয়োৰে মাজত তয়ামযা যুদ্ধ লাগে । যুদ্ধত দেৱীয়ে মহিষাসুৰক বধ কৰে ।

ভাৰতৰ কিছুমান ঠাইত ন দিন ব্যাপি দশহৰা উৎসৱ পালন কৰা হয় । এই উৎসৱ মহালয়াৰ দিনা আৰম্ভ হয় । উৎসৱৰ নটা ৰাতিক নৱৰাত্রি বুলি কোৱা হয় । এই উৎসৱ দশম দিনাখন শেষ হয় যাক কোৱা হয় বিজয়া দশমি আৰু এই দিনটো কোনো নতুন কাম আৰম্ভ কৰাৰ বাবে শুভ দিন বুলি বিবেচনা কৰা হয় ।

ভাৰতৰ কিছুমান অঞ্চলত শেষৰ দিনটোকো উৎসৱৰ দিন হিচাবে গণ্য কৰা হয় । দহ দিন ধৰি পালন কৰা এই উৎসৱটোক দসৰা বুলি কোৱা হয় ।

### পশ্চিম বঙ্গৰ দুৰ্গা পূজা

মাজে সময়ে তোমাৰ মা বন্ধৰ দিনত মাকৰ ঘৰলৈ নাযায় নে ? বাঙালীসকলে বিশ্বাস কৰে যে প্ৰতি বছৰে দুৰ্গা মায়ো তেওঁৰ পৰিয়ালৰ লোকৰ সৈতে হিমালয়ত থকা মাকৰ ঘৰলৈ যায় । প্ৰতি বছৰে মাক পিতাকৰ ঘৰলৈ যোৱা এই অনুষ্ঠানটোকে বঙালীসকলে দুৰ্গাপূজা হিচাবে পালন কৰে। গোটেই ৰাজ্যখনতে প্ৰচুৰ পৰিমাণৰ দুৰ্গা, লক্ষ্মী, সৰস্বতী, গণেশ আৰু কাৰ্তিকৰ ধুনীয়া মূৰ্ত্তি তৈয়াৰ কৰা হয় আৰু সেইবোৰ অতি সুন্দৰকৈ সজ্জিত মণ্ডপত ৰখা হয় । দেৱী দুৰ্গা দেখিবলৈ অতি হিংস্ৰ ধৰণৰ এটা সিংহৰ ওপৰত উঠি থকা আৰু তেওঁৰ ভৰিৰ তলত মহিষাসুৰ থকা প্ৰতিমা তৈয়াৰ কৰা হয় । এইটোৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয়কে বুজায় ।

সপ্তম দিনাৰ পৰা পূজা আৰম্ভ হয় আৰু ইয়াক মহাসপ্তমী পূজা বুলি কোৱা হয় । অষ্টম দিনাখন হ'ল ভৰ পূজা । সেই দিনৰ পূজাক কোৱা হয় মহাঅষ্টমী পূজা । পূজাৰ সময়ত মণ্ডপত ঢাক বজোৱা হয় ।

পৰম্পৰাগত নীতি অনুসৰি বঙালী মহিলা সকলে দশমীৰ দিনাখন দেৱীক বিদায় জনায় । ইয়াকে সিন্দুৰ খেলা বুলি কোৱা হয়। চুবুৰীৰ মহিলাসকলে সেইদিনা মণ্ডপত লগহৈ মূৰ্ত্তিবোৰৰ কপালত সেন্দুৰ দিয়ে, মুখত মিঠাই দিয়ে আৰু হাতত একোখন পান দিয়ে। এইদৰে তেওঁলোকে দেৱীক বিদায় জনায় । ইয়াৰ পিছত মহিলাসকলে পৰস্পৰে পৰস্পৰৰ কপালত সেন্দুৰ দি শুভেচ্ছা জনায়।

### মহিশূৰৰ দসৰা

দসৰা উৎসৱ পালন কৰাৰ বাবে মহিশূৰ

অতি বিখ্যাত । এইটো বিশ্বাস কৰা হয় যে, ১৪শ শতিকাত কৃষ্ণদেৱৰায়ৰ ৰাজত্ব কালত বিজয়নগৰ ৰাজ্যৰ হাম্পিত এই দসৰা উৎসৱ পালন কৰা হৈছিল ।

বিজয়নগৰৰ শেষ ৰজাজনে মুম্মাদি কৃষ্ণৰাজ উদেয়াৰৰ হাতত মহিশূৰৰ ভাৰ অৰ্পণ কৰিছিল । বৃটিছৰ ৰাজত্বৰ আগতে উদেয়াৰৰ শাসন কালত দসৰা উলহ মালহেৰে পালন কৰা হৈছিল । সৈন্যবাহিনী আৰু ৰাজসভাৰ

বিশিষ্ট ব্যক্তিসকলক লৈ সন্ধিয়া শোভাযাত্ৰা উলিওৱা হৈছিল । বিশিষ্ট সঙ্গীতজ্ঞ, নৃত্যশিল্পী, কুস্তিগিৰ আৰু হস্তশিল্পীসকলেও এই শোভাযাত্ৰাত ভাগ লৈছিল; আৰু সেইদৰে সুসজ্জিত হাতী, উট আৰু ঘোঁৰাও এই শোভাযাত্ৰাত উলিওৱা হৈছিল । কামান, ৰাইফল আৰু সোণ, ৰূপেৰে তৈয়াৰ কৰা ইয়াৰ গুলিবোৰে শোভাযাত্ৰাৰ জাকজমকতা বৃদ্ধি কৰিছিল ।

ৰাজকীয় হাতীয়ে বহন কৰা সোণৰ সিংহাসনত উঠি মহাৰাজে এই উৎসৱত ভাগ লৈছিল । শোভাযাত্ৰাৰ একেবাৰে আগত আছিল নন্দী কাম্ব নামৰ এক পৱিত্ৰ লোক কলাৰ চিহ্ন । এই উপলক্ষে টেবলোও বাহিৰ কৰা হৈছিল । হাজাৰ হাজাৰ মানুহে পথৰ দুয়োকাষে থিয় হৈ এই দৃশ্য উপভোগ কৰিছিল।

সময়ৰ লগে লগে যদিও মহিশূৰৰ শোভাযাত্ৰাৰ জাকজমকতা কমিছে, তথাপি এতিয়াও মহা ধুমধামেৰে দসৰা উৎসৱ পালন কৰা হয় ।

### হিমাচল প্ৰদেশৰ দশেৰা উৎসৱ

হিমাচল প্ৰদেশৰ কুলু উপত্যকাত দশেৰা উৎসৱ পালনৰ এক নিজা বৈশিষ্ট্য আছে । পাহাৰী মানুহবোৰে এক ডাঙৰ সামাজিক অনুষ্ঠানেৰে দশেৰা উৎসৱ পালন কৰে । এই উৎসৱ উপলক্ষে ভগবান ৰঘুনাথৰ সোণ আৰু ৰূপৰ মূৰ্ত্তি লৈ শোভাযাত্ৰা বাহিৰ কৰা হয় ।

### তামিলনাডুৰ নৱৰাত্ৰি

তামিলনাডুত এই উৎসৱটো নৱৰাত্ৰি হিচাবে জনা যায় । এই উৎসৱৰ বিশেষ আকৰ্ষণ হ'ল প্ৰতি ঘৰে ঘৰে পুতলা আৰু ঘৰৰ আৱশ্যকীয় সঁজুলিৰ (বোম্মাই কোলু) প্ৰদৰ্শন । এই পুতলাবোৰ কেইবাপুৰুষ ধৰি হাত বাগৰি আহিছে । সমসাময়িক পুতলা আৰু দেৱদেৱীৰ মূৰ্ত্তি একেলগে প্ৰদৰ্শন কৰা হয় । কিছুমান পুতলাৰ মাজেৰে গাৱৰ দৃশ্য,

## ৰাম লীলা

উত্তৰ ভাৰতৰ ৰাজ্যবোৰত এই দশহৰা উৎসৱত, সীতাক হৰণ কৰি নিয়া ৰাৱণৰ বিৰুদ্ধে ৰামৰ জয়ৰ কাহিনীটো জৰিত । ৰামৰ কাহিটো নাটক আৰু সঙ্গীতৰ মাজেৰে দেখুৱা হয় । এই উপলক্ষে অসুৰৰাজ ৰাৱণ তেওঁৰ ভাতৃ কুম্ভকৰ্ণ আৰু তেওঁৰ পুত্ৰ ইন্দ্ৰজিতৰ প্ৰতিকৃতি দাহ কৰা হয় ।



বিয়াৰ দৃশ্য, বিমান ঘাটিৰ দৃশ্য, স্কুল, বজাৰ আৰু বন্দৰৰ দৃশ্য দেখুৱা হয়।

শিশুৰ বাবে বিজয়া দশমীৰ দিনটো এক তাৎপৰ্য্যপূৰ্ণ দিন। সেই দিনাখনৰ পৰা ন শিকাৰুৰ পাঠ আৰম্ভ কৰা হয়। এইটো বিশ্বাস কৰা হয় যে, সেইদিনাখন কোনো কাম আৰম্ভ কৰিলে সফলতাৰে চলি থাকে।

### গুজৰাটৰ নৱৰাত্ৰি

গুজৰাটত নৱৰাত্ৰিৰ সময়ত পূজা আৰু ৰং-ধেমালি কৰা হয়। তিৰোতাবোৰে তেওঁলোকৰ পৰম্পৰাগত পোচাক ছোলি আৰু ঘাগ্ৰা পিন্ধি গৰ্বা নৃত্য নাচে। এই নৃত্যত তেওঁলোকে এটা মাটিৰ চাকিৰ চাৰিওফালে সাৱলীল ভাবে ঘূৰি ঘূৰি এটা ছন্দত হাততালি বজাই নাচে। এই উৎসৱত যুৱক যুৱতী-সকলে পৰম্পৰাগত গুজৰাটী পোচাক, উজ্বল ৰঙৰ ছানিয়া ছোলি আৰু কেদিয়া পিন্ধে। পৌৰাণিক কাহিনী মতে ভগবান কৃষ্ণ আৰু গোপীনিসকলে এক ধৰণৰ নৃত্য প্ৰদৰ্শন কৰিছিল, ইয়াকে ৰাস নৃত্য বুলি জনা যায়।

তাৰে এটা শৈলী হ'ল দাণ্ডি নৃত্য। নৃত্যশিল্পীসকলে হাতত সৰু লাঠি লৈ লাঠিৰ কোবৰ তালে তালে নৃত্য কৰে। ইয়াকে দাণ্ডি নৃত্য বুলি কোৱা হয়। এই নৃত্যৰ আন এটা শৈলীত, নৃত্যশিল্পী সকলে হাততালি বজাই তাৰ তালে তালে নৃত্য কৰে। ইয়াকে কোৱা হয় গৰ্বা নৃত্য।

গুজৰাটৰ এই জনপ্ৰিয় গৰ্বা লোক-নৃত্যটো প্ৰথমতে শ্ৰীকৃষ্ণৰ নাতি, অনিৰুদ্ধৰ পত্নী ঊষাই নাচিছিল বুলি কোৱা হয়।

# জাকজমকেৰে সজাও আহা !

ৰংচঙীয়া ফেষ্টুন, কাগজৰ ফুল আৰু বেৰত আৰিথোৱা চিত্ৰ নোহোৱাকৈ কিনো উৎসৱ হয়? ইয়াতে ৰঙীণ কাগজেৰে তৈয়াৰ কৰা বেৰত অৰা চিত্ৰ দিয় হ'ল ।

তিনিটা ৰঙৰ কাগজ লোৱা । ইয়াতে ৰঙা, নীলা আৰু হালধীয়া কাগজ ব্যৱহাৰ কৰা হৈছে। এডাল ৰুল মাৰি, এডাল পেন্সিল, এখন কেচি, আঠা আৰু বেজী-সূতা তোমাক লাগিব ।

১. প্ৰতিখন কাগজৰ পৰা বিভিন্ন আকাৰৰ সাতটাকৈ দীঘল টুকুৰা কাটা, প্ৰতিটুকুৰা কাগজৰ মূৰ দুটা লগ লাই আঠা লগাই দিয়া, নীলা: ১৫X১ চেমি, হালধীয়া ১২.৫X১ চেমি, ৰঙা: ১০X১ চেমি,

২. নীলা কাগজৰ টুকুৰাবোৰৰ আঠালগোৱা মূৰবোৰ এক লগ কৰি বেজীৰে সি দিয়া । কাগজৰ ইটো টুকুৰা আৰু সিটো টুকুৰা য'ত লাগি আছে সেইখিনি আঠা লগাই দিয়া ।

৩. নীলা লুপবোৰৰ ভিতৰত ৰঙা লুপবোৰ আঠা লগাই দিয়া । দুটা নীলা লুপৰ মাজত থকা খালি ঠাইত হালধীয়া লুপবোৰ আঠা লগাই দিয়া।

৪. এটা লুপত সূতা লগাই এই কাগজৰ ফুলটো বেৰত আৰি থোৱা অথবা চিলিঙৰ পৰাও ওলমাই থব পাৰা ।

এইটো বিভিন্ন বস্তুৰে আৰু বিভিন্ন ৰঙেৰে, বিভিন্ন আকাৰত চকুত লগাকৈ তৈয়াৰ কৰিব পাৰি।

**শুভ দশহৰা !**

# ৰসিক ব্যক্তি – যদুমণি

ঊনৈশ শতিকাৰ উৰিয়া কবি যদুমণিৰ পিতৃ মুকুন্দ আছিল এজন নিপুণ ভাস্কৰ। তেওঁ এটা কৃষ্ণৰ মূৰ্তি খোদিত কৰিছিল । "এই ৰাধানাথক আমি কলৈ লৈ যাম?" যদুমণিয়ে সুধিছিল । আমি এটা মন্দিৰ নিৰ্মাণ কৰিম," পিতাকে কৈছিল ।



মুকুন্দই মন্দিৰ নিৰ্মাণৰ কামত সকলো টকা পইচা খৰছ কৰিছিল। যেতিয়া তেওঁৰ মৃত্যু হৈছিল তেওঁৰ আনকি শ্ৰাদ্ধ কৰিবলৈও কোনো টকা পইচা নাছিল । যদুমণি বিমোৰত পৰিছিল। "ৰজাইহে মাথোঁ মোক সহায় কৰিব পাৰিব ! কিন্তু মই তেওঁক কেনেকৈ কওঁ? মই এতিয়া কি কৰিম ?" যদুমণিয়ে ভাবিলে ।

তেতিয়া বেলি দুপৰ হৈছিল । দেৱতাক ভোগ দিয়া হৈ গৈছিল, পুৰোহিতেওঁ মন্দিৰৰ দুৱাৰ বন্ধ কৰি ঘৰলৈ গৈছিল । 'আঃ, নায়গ্ৰহৰ ৰজাই এতিয়াই এই বাটেৰে পাৰ হৈ যাব ।' যদুমণিয়ে মন্দিৰলৈ দৌৰি আহি দুৱাৰমুখত বহি দুৱাৰত ঢকিয়াবলৈ ধৰিলে । "ভাই ৰাধানাথ! তুমি উঠা !"

ৰজাৰ পাল্কি সেই বাটেৰে আহিছিল । তেওঁ মন্দিৰৰ দুৱাৰত এজন মানুহে ঢকিয়াই থকা দেখি আচৰিত হৈছিল । ৰজাই এজন পাল্কিভাৰিক মাতি সেইজননো কোন জানি আহিবলৈ কৈছিল ।

ৰজাই পাল্কিতে অপেক্ষা কৰি আছিল আৰু পাল্কিৱালাজন যদুমণিৰ ওচৰলৈ গৈছিল। "ৰজা!" তেওঁ এই শব্দটো উচ্ছাৰণ কৰিছিল আৰু পাল্কিৱালাজনৰ আগত কিবা কিবি কৈছিল।
যদুমণিয়ে পাল্কিৱালাজনক অনুসৰণ কৰিছিল। "মহাৰাজ, তেওঁ হ'ল ৰাধানাথৰ মূৰ্ত্তি খোদিত কৰা মুকুন্দৰ পুত্ৰ যদুমণি।" ৰজাই অলপ কঠোৰ ভাবে কলে, "হে ডেকা ল'ৰা, তুমি কি কৰি থকা বুলি ভাবিছা? তুমি পাগল হৈছা নেকি?"
যদুমণিয়ে মূৰটো দোৱাই কৈছিল। "এই ৰাধানাথ মোৰ ডাঙৰ ভাই, মই জন্ম হোৱাৰ আগতে পিতাই তেওঁক জন্ম দিছিল। বৰ পুত্ৰ হিচাবে পিতাকৰ মৃত্যুৰ শ্ৰাদ্ধ কৰাতো তেওঁৰ কৰ্ত্তব্য নহয় নে মহাৰাজ?" কিন্তু তেওঁ সাৰ পোৱাই নাই।"
ৰজাই টকাৰ মোনা এখন উলিয়াই আনিছিল। "তোমাৰ ৰাধানাথে এতিয়া সাৰ নাপাব। এই মোনাখন লোৱা আৰু তোমাৰ পিতাৰাৰ শ্ৰাদ্ধ কৰিবলৈ পলম নকৰিবা। শ্ৰাদ্ধৰ কাম শেষ হোৱাৰ পিছত মোৰ দৰবাৰলৈ আহিবা। আজি এই বিষাদপূৰ্ণ মুহূৰ্ত্ত নহলে মই তোমাৰ কৌতুক উপভোগ কৰিব পাৰিলো-হেতেন।

# সংবাদ বিচিত্ৰা

## সন্দেহজনক নহয়, সঁচা

নিসন্দেহে এইটো এটা মাছৰ কথা । এটা ক'লা মাৰ্লিন মাছে চাৰি বছৰত ১৩,০০০ কি.মি. সাঁতুৰিছিল । এই চাৰি বছৰীয়া পৰিক্ৰমা আৰম্ভ হৈছিল ১৯৯৬ চনৰ কোনো এটা দিনত ! বেৰিল য়েটচ্-এ নৌ ভ্ৰমণত যাওঁতে তেওঁ এই মাছটো ধৰিছিল আৰু তাৰ গাত এটা টেগ্ লগাই সেইটো অষ্ট্ৰেলিয়াৰ গ্ৰেট বেৰিয়াৰ ৰীফত এৰি দিছিল । যোৱা মে মাহত সেই মাছটো মধ্য আমেৰিকাৰ, কোষ্টাৰিকাৰ, কুইপচৰ এটা মাছমৰীয়াৰ জালত পৰিছিল । তেতিয়ালৈকে সেই মাছটোৱে প্ৰশান্ত মহাসাগৰৰ মাজেৰে সাতুৰি আহিছিল । মাছমৰীয়াজনে মাছটোৰ পৰা টেগটো গুচাই সেইটো আমেৰিকাৰ এজন গৱেষকৰ ওচৰলৈ পঠাইছিল। তেওঁৱেই এই খবৰটো বেৰিল য়েটচক দিছিল ।

## জন্তুবিহীন চাৰ্কাচ

সকলো জন্তুৰ বাবে নহয় । এই নিষেধাজ্ঞা মাথোঁ ভাৰতৰ চাৰ্কাচত খেল দেখুৱা সিংহ, বাঘ, ভালুক, নাহৰফুটুকী আৰু বান্দৰৰ বাবেহে । কেন্দ্ৰীয় চৰকাৰে লগোৱা নিষেধাজ্ঞা উচ্চতম ন্যায়ালয়েও মানি লৈছে । ভাৰতৰ চাৰ্কাচ ফেডাৰেচন আৰু চাৰ্কাচৰ মালিকসকলে জনোৱা আবেদন বাতিল কৰি উচ্চতম ন্যায়ালয়ে এই সিদ্ধান্তৰ কথা জনাইছে । উচ্চতম ন্যায়ালয়ে ভাবে যে, এই জন্তুবোৰক প্ৰশিক্ষণ দিয়াৰ সময়ত নিষ্ঠুৰ ব্যৱহাৰ কৰা হয় । ৪০ বছৰ ধৰি বিচাৰাধীন হৈ থকাৰ পিছত অৱশেষত আদালতৰ এই চূড়ান্ত নিৰ্দেশটো আহিছে ।

# আটাইতকৈ দীঘল ৰেলগাড়ী

তুমি মাথোঁ ইয়াৰ দৈৰ্ঘ্য সম্পৰ্কে কল্পনাহে কৰিব পাৰিবা। যদি তুমি ৰেলগাড়ীখন চাব খোজা তেতিয়াহলে উৰাজাহাজত উঠিব লাগিব, কাৰণ ওপৰৰ পৰাহে ইয়াৰ দৃশ্যটো দেখা যাব । এতিয়া ইয়াৰ বিতং বিবৰণ হ'ল ৰেলগাড়ীখন যেতিয়া পশ্চিম অষ্ট্ৰেলিয়াৰ ৰেল পথেৰে গৈ আছিল ইয়াত আছিল ৬৮২ টা মালগাড়ীৰ দবা (যাত্ৰীবাহী গাড়ীৰ দবা নহয়); এই ডবাবোৰ টানিবলৈ আৰু থেলিবলৈ ইয়াত আছিল ৮টা হেভি ডিউটিৰ ৰেলইঞ্জিন; ইয়াৰ দৈৰ্ঘ্য আছিল ৭.৩৫ কিলোমিটাৰ ! ৰেলগাড়ীখনে যেন সাপৰ দৰেহে ৰেলপথেৰে গৈ আছিল !

# ভাটৌৰে পঠোৱা চচ (sos) বাৰ্তা

ইংলণ্ডত জৰুৰী অৱস্থাৰ বাবে ফোন নম্বৰ হ'ল ৯৯৯ । মানচেষ্টাৰৰ পুলিচে এদিন সেই নম্বৰত ফোন পাই কৰপৰানো ফোনটো আহিছে তাৰ উৎস বিচাৰি উলিয়ালে । তেওঁলোকে যেতিয়া ফ্লেটটোত প্ৰৱেশ কৰিলে তেওঁলোকে দেখিবলৈ পালে এটা অষ্ট্ৰেলিয়ান ভাটৌ ফোনটোৰ ওচৰত আছে আৰু ৰিচিভাৰটো হুকৰ পৰা আঁতৰি আছে । ইয়াৰ পৰা এইটো প্ৰতিয়মান হয় যে ভাটৌটোৱে ৯ নম্বৰ বুতামটোৰ ওপৰত তিনিবাৰ জাপ মাৰিছিল !

# গছত জিলাপী লগা দিনটো

অৰ্জুন এজন গাঁৱৰ ভিতৰতে তজবজীয়া যুৱক আছিল । তেওঁ হাতৰ কামত খুব পাৰ্গত আৰু বুধিয়াক আছিল । তেওঁ জেওৰা দিব পাৰিছিল, চোলা চিলাব জানিছিল, কাঠৰ পুতলা কাটি উলিয়াব পাৰিছিল আৰু অন্যান্য প্ৰায় এশটা কাম জানিছিল । এইটোৱে দুখৰ কথা তেওঁৰ পত্নী ৰতি কিন্তু তেওঁৰ দৰে নাছিল । তাই বুধিয়কো নাছিল কৰ্মপটুও নাছিল । ইয়াৰ বিপৰিতে তাই মেল মাৰি গাঁৱত ঘূৰিবলৈ বৰ ভাল পাইছিল । তাইৰ কথা আৰু ব্যৱহাৰত অৰ্জুনে প্ৰায়ে লাজ পাব লগা হৈছিল, তথাপিতো অৰ্জুনে তাইক ভাল পাইছিল ।

এদিনাখন অৰ্জুনৰ ঘৈণীয়েকে আলু খাব বিচাৰিছিল, কিন্তু ঘৰত আলু নাছিল । গতিকে অৰ্জুনে ওচৰৰে হাবিত গজি থকা বনৰীয়া আলু তুলিবলৈ গ'ল । তেওঁ সাৱধানে আলুতলীলৈ গৈ আলু খান্দিবলৈ ধৰিলে । আহ্, এইটোতো আলু যেন লগা নাই ! এইটো ইমান টান ! এইটো কি হব পাৰে ? তেওঁৰ কোৰখন কিবা কঠিন বস্তুত খুন্দা খাইছিল । তেওঁ আৰু দ কৈ খান্দি বস্তুটো পালে । একলহ চকচকীয়া সোণৰ মুদ্ৰা ! এইবোৰ ক'ৰ পৰা আহিল ?

অৰ্জুনে তৎক্ষণাত ভাবিলে, এই কলহটোতো যোৱা সপ্তাহ ইয়াত নাছিল, কাৰণ যোৱা সপ্তাহো তেওঁ ইয়াত আলু খান্দিছিল। নিশ্চয় কোনোবা চোৰে অলপতে এইটো পুতি থৈছে । অৰ্জুনে ভাবিলে, 'আঃ বেচাৰা চোৰ ! সি এই অপহৰণৰ মালবোৰ হেৰুৱালে আৰু মই এইবোৰ পালো, গতিকে মোৰ লগত ৰখাই ভাল হব," এইবুলি ভাবি সি ঘৰৰ ফালে আগবাঢ়িল ।

'অ' নহয় !' হঠাতে তেওঁৰ কথা এটা মনত খেলালে । "এই কথাটো মই ৰতিক কেনেদৰে কম ? তাই লগৰ তিৰোতাবোৰৰ আগত কথাটো কৈ দিব পাৰে । তেতিয়া মই এইবোৰ চুৰি কৰি আনিছো বুলি পুলিচে মোক সন্দেহ কৰিব পাৰে । মই যদি এইবোৰ আলুৰ মাজত পোৱা বুলি কও কোনে মোক বিশ্বাস

কৰিব?'' তেওঁ লাহে লাহে কলহটো মাটিত থৈ ভাবিবলৈ ধৰিলে।

তেওঁৰ মনত এটা বুদ্ধি খেলালে। কাৰ্য্যত পৰিণত নোহোৱালৈকে বুদ্ধিটো বাঢ়িয়ে থাকিল। তেওঁ ইফালে সিফালে ঘূৰিপকি চাবলৈ ধৰিলে। তেওঁ এডাল ডাঙৰ বটগছ দেখিবলৈ পালে, তাৰ গাগছডাল ফোপোলা। হা, এইটোৱে ভাল ঠাই হব! তেওঁ সোণৰ মুদ্ৰা থকা কলহটো ফোপোলা গা গছডালৰ ভিতৰত সুমুৱাই থলে, তেওঁ যেতিয়া নিশ্চিত হ'ল যে এইটো বাহিৰৰ পৰা কোনেও দেখা নাপায় তেতিয়া তাৰপৰা তেওঁ গুচি গ'ল।

তাত তেওঁ নিজৰ দিহা মতে কাম কৰি থৈ তাৰপিছত ঘৰলৈ গ'ল।

ৰতি অধৈৰ্য্য হৈ আছিল। ''মই সকলো ৰন্ধা কাম শেষেই কৰিলো। আলু ৰান্ধিবলৈহে বাকী আছে। তুমি ইমান সময় কি কৰিলা?'' ৰতিয়ে সুধিলে।

''হাবিত পকা আমেৰে গছবোৰ ভৰি আছে! আমি গৈ কিছুমান লৈ আহো নেকি? দুপৰীয়াৰ আহাৰৰ লগত পকা আমৰ চাটনি খাবলৈ খুব মজা লাগিব!'' অৰ্জুনে ঘৈণীয়েকৰ প্ৰশ্নটো এৰাই গৈ অন্য এটা উত্তৰ দিলে।

তেওঁলোক তাৰাতাৰি হাবিৰ ফালে গ'ল।



গাঁৱলৈ ঘূৰি গৈ প্ৰথমতে তেওঁ মন্দিৰৰ ওচৰত থকা মিঠাইৰ দোকানলৈ গ'ল আৰু কলে, ''গোবিন্দ খুৰা, এক কিলো জিলপী দিবানে?'' ''কিয় নিদিম, নিশ্চয় দিম।'' এইবুলি গোবিন্দ খুৰাই এককিলো জিলাপী জুখি অৰ্জুনৰ হাতত দিলে।

তাৰপাছত অৰ্জুন এখন ফলৰ দোকানলৈ গৈ এথোক ডাঙৰ কল কিনিলে। এইবোৰ কিনি তেওঁ ঘৰলৈ নগৈ পুনৰ হাবিৰ ফাললৈ গ'ল!

বটগছজোপাৰ ওচৰতে থকা এজোপা আম গছৰ ফালে আৰ্জুনে ঘৈণীয়েকক লৈ গ'ল। 'মই কিছুমান আম চিঙি লও ৰবা!'' তাই কলে, তাৰ পাছত গছডালৰ ফালে ভালদৰে চাই আচৰিত হৈ চিঞৰি উঠিল - ''এই গছডালত জিলাপী লাগি আছে!''

''অঃ, এইটোতো সম্ভৱ নহয়!'' অৰ্জুনে হাঁহি মাৰি ঘৈণীয়েকৰ ওচৰলৈ আহিল। অৱশ্যে অৰ্জুনেই নিজৰ আঁচনি মতে গোবিন্দৰ দোকানৰ



পৰা নিয়া জিলাপীবোৰ আমৰ ডালত বান্ধি ওলমাই থৈ গৈছিল । কিন্তু তেওঁআচৰিত হোৱাৰ ভাও জুৰি চিঞৰি উঠিল --"অঃ' কি আচৰিত, আমৰ গছত জিলাপী লাগিছে !"

"তুমি পূজাৰ কাৰণে কিছুমান জবাফুল নিচিঙা কিয়, মই বাৰু অন্য এডাল আমৰ গছ চাওঁ ।" অৰ্জুনে ঘৈণীয়েকক পৰামৰ্শ দি আন ফালে গ'ল । ঠিক দুই মিনিটৰ পাছতে ৰতিৰ মুখমন্ডলত এক আশ্চৰ্য্যৰ ভাব ফুটি উঠিল ।

"জবাফুলৰ গছত কল লাগি আছে !" তাই আচৰিত হৈ চিঞৰি উঠিল ।

ফুলৰ গছত কল থকা কথাটো অৰ্জুনে জানিছিল । কাৰণ অৰ্জুনে নিজেই সেইবোৰ তাত বান্ধি থৈ গৈছিল । কিন্তু তেওঁ অতি আচৰিত হোৱাৰ ভাও ধৰি ঘৈণীয়েকৰ ওচৰলৈ দৌৰি আহিল ।

"মই এই কলবোৰ জবাফুলৰ গছত পাইছো!" তাই কেইটামান পকা কল অৰ্জুনৰ হাতত দি কলে ।

"আমৰ গছত জিলাপী আৰু জবাফুলৰ গছত কল ! আজি কি আচৰিত দিন !" তেওঁ এইবুলিকৈ এনেয়ে এবাৰ বটগছডালৰ ফালে হালি চালে । তেওঁ গছজোপাৰ ফালে ভালদৰে চকুফুৰাই আচৰিত হৈ জাঁপ মাৰি উঠিল । "আকৌ এটা আশ্চৰ্য্যজনক ঘটনা !" তেওঁ চিৎকাৰ কৰি কলে ।

"সেইটো আকৌ কি ?" ৰতিয়ে ইচ্ছুক হৈ সুধিলে ।

"বটগছজোপাৰ ফোপোলা গাগছডালত এইটো কলহ আছে !" এইবুলি কৈ অৰ্জুনে কলহটো উলিয়াই আনিলে ।

"সোণ !" তাই চক খাই উঠিল । তাৰ পাছত তেওঁলোকে কলহটো ঘৰলৈ লৈ গ'ল ।

"এতিয়া মনত ৰাখিবা, এই বিষয়ে কাকো নকবা !" অৰ্জুনে ঘৈণীয়েকক সোঁৱৰাই দি কলে, যদিও অৰ্জুনে জানিছিল কেইঘন্টামান পিছতে এই কথাটো চাৰিওফালে প্ৰচাৰ হৈ যাব ।

"অৱশ্যে, মই এই বিষয়ে সমূলি কাকো একো নকও !" ৰতিয়ে প্ৰতিজ্ঞা কৰি কলে ।

কিন্তু তাইৰ অতি বিশ্বাসী বান্ধৱী গীতাৰ আগত কাকো নকবলৈ শপত দি তাই কথাটো কলে । গীতাই তাইৰ মৰমৰ বান্ধৱী এজনীক কলে । বান্ধৱীজনীয়ে আকৌ তাইৰ বৌয়েকক কলে, বৌয়েকে আকৌ দেওৰেকক কলে, দেওৰেকে গৈ ওচৰ চুবুৰীয়াক কলে । তাৰ এঘন্টামাণৰ পিছতে থানাৰ দাৰোগা আৰু ইন্‌স্পেক্টৰে কথাটো শুনিবলৈ পালে ।

"অৰ্জুনক ইয়ালে মাতি লৈ আহা ! যোৱা নিশা বোলে এক লৰী সোণা তেওঁৰ বাগনত

পেলাই থৈ গৈছে, এই গুৰুত্বপূৰ্ণ ঘটনাটো অনুসন্ধান কৰিবই লাগিব ।'' ইন্স্পেকটৰে কলে, দাৰোগাই তেওঁৰ আদেশ কাৰ্যকৰী কৰিবলৈ যোৱাৰ আগতে তেওঁক এটা চেলুয়েট দিলে । তুমি বাৰু অনুমান কৰিব পাৰিছানে, কেনেকৈ একলহ সোণ গৈ এক লৰী সোণ হ'ল?

যি হওক, দাৰোগাই অৰ্জুন আৰু তেওঁৰ ঘৈণীয়েকক থানালৈ লৈ আহিছিল ।

''মই কি শুনিবলৈ পাইছো ?'' ইন্স্পেকটৰে খঙেৰে তেওঁলোকৰ ফালে চাই কবলৈ আৰম্ভ কৰিলে । ''যোৱা নিশা বোলে এখন লৰী আহি এক লৰী সোণৰ মুদ্ৰা তোমাৰ বাগানত পেলাই থৈ গৈছে ?''

''এক লৰী ?'' ৰতিয়ে আচৰিত হৈ সুধিলে। ''নহয় চাৰ, আমি মাথোঁ একলহ সোণ হে পাইছো ।'' অৰ্জুন মনে মনে থাকিল ।

''একলহ সোণ ? তোমালোকে সেইবোৰ ক'ত পাইছা ?'' ইন্স্পেক্ট ৰে অবিশ্বাসৰ সুৰত সুধিলে ।

''আজি ৰাতিপুৱা সকলো ধৰণৰ আশ্চৰ্য্যজনক ঘটনাই ঘটিছিল মহাশয়,'' ৰতিয়ে কলে ।

''আচৰিত ঘটনা ?'' ইন্স্পেক্টৰে প্ৰশ্ন বোধক দৃষ্টিৰে সুধিলে ।

''আমি আমৰ গছত জিলাপী লাগি থকা দেখা পাইছো....''তাই অলপ ৰল, ইন্স্পেকটৰে তাইৰ ফালে তধা লাগি চাই থাকিল।

''আমৰ গছত জিলাপী ?'' ইন্স্পেকটৰে কথাটো পুনৰ দোহাৰিলে ।

''হয় মহাশয়, আৰু আমি জবাফুলৰ গগছত কল লাগি থকা দেখিছো !'' তাই কৈ গল ।

''জবাফুলৰ গছত কল !'' ইন্স্পেকটৰে ভাবিলে তাই নিশ্চয় পাগল হৈছে ।

''আৰু আমি এজোপা বটগছৰ গাদছৰ ভিতৰত একলহ সোণ পাইছো !'' এইবুলি কৈ তাইৰ কথা শেষ কৰিলে । ইন্স্পেক্টৰে তাইৰ গিৰিয়েকৰ ফালে পুতৌৰ দৃষ্টিৰে চালে । তেওঁৰ বিশ্বাস হৈছিল যে তাই সম্পূৰ্ণ পাগল হৈছে । ''এইটো হয় নেকি বাৰু ?'' তেওঁ ভদ্ৰভাবে সুধিলে । ''বেয়া নাপাবা । ঘৰলৈ যোৱাগৈ । তোমাৰ পত্নীৰ ভালদৰে যত্ন লবা !'' এই শেষৰ বাক্যটো অৰ্জুনক উদ্দেশ্য কৰি কৈছিল ।

অৰ্জুন আৰু ৰতি ঘৰলৈ উভতি গ'ল । বাটতে ৰতিয়ে গিৰিয়েকক সুধিছিল -''ইন্স্পেকটৰে বাৰু এইবোৰ কথা কৈ কি বুজাব খুজিছিল ? কাক উদ্দেশ্য কৰি কৈছিল ?''

# ভৰতৰ বিষয়ে জানি লোৱা

## প্ৰশ্নাৱলী

উৎসৱৰ বতৰ আৰম্ভ হৈছে । তাৰে কিছুমান হৈছে ধৰ্মীয় তাৎপৰ্য্য থকা; কিছুমান হ'ল শস্য চপোৱাৰ উৎসৱ; আৰু অন্যান্য কিছুমান সামাজিক উৎসৱৰ ভিত্তিত কৰা হৈছে । তাৰ উত্তৰ দিবলৈ চেষ্টা কৰা ।

১. ভগবান বিষ্ণুৰ দহটা অৱতাৰৰ ভিতৰত এটা অৱতাৰৰ সৈতে কোনটো উৎসৱ জৰিত ?

২. ৰামে ৰাৱণ বধ কৰি চৈদ্ধ বছৰ বনবাসৰ শেষত অযোধ্যালৈ ঘূৰি অহা উপলক্ষ্যে এটা বিজয় উৎসৱ পালন কৰা হৈছিল । সেই উৎসৱটোৰ নাম কি ? ২০০১ চনৰ কোন তাৰিখত সেইটো পালন কৰা হৈছিল ।

৩. এটা বিশেষ দিনত শিশুসকলৰ বিদ্যাৰম্ভ কৰা হয় । কোনটো দিনত ? বঙালীসকলে অন্য এটা দিনত বিদ্যাৰ অধিস্থাত্ৰী দেৱীৰ পূজা কৰে । কোনটো দিনত ?

৪. কোন দুটা উৎসৱে ভাই ভনীৰ সম্পৰ্ক গভীৰ কৰে ?

৫. পাৰ্চীসকলে কোনটো দিনত তেওঁলোকৰ প্ৰফেটৰ জন্ম দিন পালন কৰে ।

৬. মুছলমানসকলে পালন কৰা প্ৰফেটৰ জন্ম দিনটো অন্য এটা নামেৰেও জনা যায় । সেই নামটো কি ?

৭. ইষ্টাৰৰ তাৎপৰ্য্য কি ?

৮. বুদ্ধ পূৰ্ণিমা বা ব'হাগ পূৰ্ণিমাৰ তিনিটা তাৎপৰ্য্য আছে । সেই তিনিটা কি কি ?

৯. এটা উৎসৱত তামিলনাডুৰ মহিলাসকলে ৰন্ধা ভাত পাত্ৰৰ পৰা বাগৰি পৰিবলৈ দিয়ে । সেইটো কি উৎসৱ ?

১০. মকৰ সংক্ৰান্তি, দক্ষিণ ভাৰতৰ এটা মন্দিৰৰ অদ্ভুত ঘটনাৰ সৈতে জৰিত । সেই মন্দিৰটোৰ নাম কি ? সেই অদ্ভুত ঘটনাটো কি ?

(উত্তৰ অহা সংখ্যাত)

## চেপ্তেম্বৰ মাহৰ প্ৰশ্নৱলীৰ উত্তৰ

১. নালন্দা ।

২. ৰবীন্দ্ৰনাথ ঠাকুৰ, ১৯০১ চন ।

৩. কলাক্ষেত্ৰ, ৰুক্মিণী দেৱী অৰুণদলে ।

৪. ১৯৮৬ ।

৫. চিমলা ।

৬. পণ্ডিত মদন মোহন মালব্য ।

৭. আলিগড় মুছলিম ইউনিভাৰচিটি ।

৮. বুনিয়াদী শিক্ষা ।

৯. মৌলানা আবুল কালাম আজাদ ।

১০. ১৮৫৭ ।

১১. ১৮৩৫, লৰ্ড মেক্‌লেৰ দ্বাৰা ।

১২. ডঃ মেলকম অডিশেচিয়া, যিজ ন মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য আছিল ।

১৩. দ্ৰোণচাৰ্য্য ।

১৪. চেৰুতুৰুতিৰ কলামণ্ডলম ।

১৫. টক্সিলা ।

# কৃষ্ণভূপতি

বহুদিন আগতে মন্দাকিনী নদীৰ তীৰত মলয়দ্বীপ নামৰ এখন দেশ আছিল । গোপাল ভূপতি সেইদেশৰ ৰজা আছিল । কৃষ্ণভূপতি আছিল ৰজাৰ একমাত্ৰ দত্তক পুত্ৰ । যেতিয়া তেওঁৰ দহ বছৰ বয়স হৈছিল তেতিয়া তেওঁৰ পিতাকৰ মৃত্যু হৈছিল ।

তেওঁৱেই ৰাজ্যৰ একমাত্ৰ উত্তৰাধিকাৰী আছিল কিন্তু ঈশ্বৰৰ বিধান মতেই সকলোৱে চলিব লাগে । এদিন ঘোঁৰাত উঠি ঘূৰি ফুৰোতে ঘোঁৰাৰ পৰা পৰি গৈ কৃষ্ণভূপতিৰ মূৰত আঘাত লাগিছিল । বৈদ্যসকলে যৎপৰোনাস্তি চেষ্টা কৰা স্বত্বেও শেষত কৃষ্ণভূপতিৰ মৃত্যু হ'ল ।

ৰাণী সুনন্দা শোকতে ব্যাকুল হৈ উঠিছিল । কিন্তু ৰাজমাতাৰ ধৰ্ম পালন কৰি ৰাণীয়ে সেই ৰাজ্যৰ চিপাহী এজনৰ পুত্ৰক তোলনীয়া পো কৰি ললে আৰু তাৰ নামো ৰাখিলে কৃষ্ণভূপতি । বয়সত সৰু থকা বাবে তেওঁ ৰাজনীতিৰ বিষয়ে একেবাৰে অনভিজ্ঞ আছিল ।

কৃষ্ণভূপতিৰ শাসন চলোৱাৰ সামৰ্থ নথকাত তেওঁৰ মা, ৰাণী সুনন্দাই সেই সমস্যাৰ সমাধান কৰিব লগা হৈছিল । এই অৱস্থাত চন্দন বৰ্মাই তেওঁৰ কামত সহায় কৰা বাবে ৰাণী এই বিষয়ত চিন্তামুক্ত হৈছিল ।

চন্দনবৰ্মা ৰাণী সুনন্দা দেৱীৰ সহোদৰ ককায়েক আছিল । তেওঁ কুশ দ্বীপৰ ৰজা আছিল। ভনী জোৱায়েকৰ মৃত্যুৰ খবৰ পাই তেওঁ মলয়দ্বীপলৈ আহিছিল । ভনীয়েকক সান্ত্বনা দিয়ে তেওঁ অকল মনে মনে থকা নাছিল, এনে দুৰৱস্থাত তেওঁ ভনীয়েকক এৰি এতিয়া কেনেকৈ যায় ? তেওঁ ভালদৰে জানিছিল তেওঁ গুচি গলে মলয়দ্বীপৰ অৱস্থা কি হব । সেয়ে তেওঁ নিজৰ কৰ্ত্তব্য ঠিক কৰি ললে । তেওঁ কুশ দ্বীপলৈ উলতি গৈ ৰাজপৰিয়ালৰ এজন বিশ্বাসযোগ্য ব্যক্তি মূল্যবন্তক ৰাজ্য ভাৰ অৰ্পন কৰিলে । তাৰপিছত

স্বদেশত উপস্থিত হোৱাৰ পিছত তেওঁ অপ্রত্যাশিত ঘটনাৰ সম্মুখীন হব লগা হ'ল। তেওঁৰ অনুপস্থিতি মূল্যবন্ত অকল সুখ ভোগতে ৰত আছিল। তেওঁৰ মনত ৰাজ্যৰ প্রতি ইমান লালসা বাঢ়ি গৈছিল যে, যেতিয়া চন্দনবর্মা তাত গৈ উপস্থিত হৈছিল তেতিয়া তেওঁক বন্দী কৰি থৈছিল। এজন বিশ্বাসঘাতকৰ এই আচৰণ সহ্য কৰিব নোৱাৰি চন্দন বৰ্মাই তাতেই মৃত্যু বৰণ কৰিলে । তেওঁৰ পত্নী আৰু পুত্ৰই এজন বিশ্বাসী চাকৰৰ সহায়ত কোনোমতে মলয়দ্বীপত গৈ উপস্থিত হ'ল।

নিজৰ ককায়েকৰ পৰিয়ালৰ এই দুখলগা অৱস্থা দেখি সুনন্দাৰ মনত বহুত দুখ লাগিল। তেওঁ এইটো পাহৰা নাছিল, চন্দনবর্মাৰ সহায়তে তেওঁৰ পুত্ৰ ইমান যোগ্য শাসক হব পাৰিছে । যদি সেই সঙ্কতময় অৱস্থাত তেওঁ সহায় নকৰিলেহেতেন তেতিয়া তেওঁৰ নিজৰ অৱস্থা আৰু ৰাজ্যৰ অৱস্থা কি হল হেতেন । সুনন্দাই তেওঁৰ ককায়েকৰ পত্নী আৰু পুত্ৰক সাদৰ অভ্যৰ্থনা জনাই নিজৰ লগতে ৰাখিলে ।

ৰাজমাতা সুনন্দাই এদিন কৃষ্ণভূপতিক অন্তঃপুৰলৈ মাতি আনি কলে-"বাচা কৃষ্ণ, মই আজিলৈকে তোমাৰ পৰা একো খোজা নাই। সঁচা কথা কবলৈ হলে মোৰ নিজৰ কোনো ইচ্ছাও নাই । কিন্তু আজি মই তোমাৰ ওচৰত দুটা বৰ মাগিব বিছাৰিছো, মাগিম নে?"

কৃষ্ণভূপতিয়ে এটা হাঁহি মাৰি কলে- "আপোনাৰ প্রয়োজন পূৰণ কৰা মোৰ কর্ত্তব্য। কোনো পুত্ৰই বাৰু নিজৰ মাকৰ ইচ্ছা পূৰণ কৰিবলৈ অস্বীকাৰ কৰে নে ? যদি মোৰ ওপৰত আপোনাৰ সন্দেহ থাকিল হেতেন, তেতিয়াহলে আপুনি ইয়ালৈ মোক নামাতিলে হেতেন । আপোনাক কি লাগে নিঃসংকোচে কওক !"

"কৃষ্ণ, মই খোজাৰ আগতেই তুমি হাঁহি মাৰিছিলা । ইয়াৰ অৰ্থ এইটোৱে, মই কি মাগিব বিছাৰিছো আগৰে পৰা তুমি সেই বিষয়ে জানা!" সুনন্দা দেৱীয়ে কলে ।

তেওঁ পত্নী পুত্ৰক লগত লৈ পুনৰ মলয়দ্বীপলৈ আহিল ।

এক শুভ মুহূৰ্ত্তত চন্দনবৰ্মাই ভাগিনিয়েক কৃষ্ণভূপতিৰ ৰাজ্যাভিষেক কৰালে আৰু তেওঁৰ নামতে নিজে ৰাজ্য চলোৱাৰ দায়িত্ব ললে । চন্দন বৰ্মাই ভাগিনিয়েকৰ গুৰু হৈ ৰাজনীতি বিষয়ক সকলো কথাই তেওঁক শিকাইছিল ।

যুদ্ধকলা বিশেষজ্ঞৰ পৰা তেওঁ অস্ত্ৰশস্ত্ৰৰ শিক্ষা লৈছিল । কৃষ্ণ ভূপতিৰ মেধা শক্তি থকাৰ বাবে চাৰি পাঁচ বছৰৰ ভিতৰতে তেওঁ সকলো বিদ্যাতে পাৰ্গত হৈ উঠিছিল । সুকুমাৰ কলাৰ প্ৰতিও তেওঁৰ অত্যন্ত অনুৰাগ আছিল । তেওঁ কবিতাও ৰচনা কৰিছিল ।

চন্দন বৰ্মাৰ মনত যেতিয়া বিশ্বাস হ'ল, তেওঁৰ ভাগিনিয়েকে এতিয়া নিজেই শাসন ভাৰ চলাব পাৰিব, তেতিয়া তেওঁৰ হাতত সকলো ভাৰ গতাই দি চন্দন বৰ্মা স্বদেশলৈ বুলি ৰাওনা হ'ল ।

"এইটো কথা সত্য যে মই অনুমান কৰিছিলো এই দুটা বৰ কি হব পাৰে, এতিয়া কওক আপুনি কি বিচাৰিছে।" কৃষ্ণ ভূপতিয়ে কলে।

"তেতিয়াহলে শুনা। মোৰ প্ৰথম ইচ্ছা, তুমি মূল্যবন্তক বধ কৰা, যিয়ে তোমাৰ মোমায়েৰাৰ সৈতে বিশ্বাসঘাতকতা কৰিছে, যাৰ ফলস্বৰূপে মোমায়েৰাৰ মৃত্যু হৈছে। যিমান সোনকলে পাৰা তেওঁক বধ কৰা। ইয়াৰ বাবে যদি যুদ্ধত তোমাৰ মৃত্যুও হয় মই অতি আনন্দিত হম।"

"এতিয়া থাকিল মোৰ দ্বিতীয় ইচ্ছা! মই বিচাৰো, তুমি কুশ দ্বীপৰ মন্ত্ৰীৰ কন্যা জ্যোৎস্নাক বিবাহ কৰাব লাগে। কিয়নো কুশ দ্বীপৰ মন্ত্ৰীয়ে বিচাৰিছিল তেওঁৰ কন্যা তোমাৰ ধৰ্মপত্নী হওক।" এইবুলি সুনন্দাই মনৰ ইচ্ছা প্ৰকাশ কৰিলে।

তেতিয়া কৃষ্ণভূপতিয়ে কলে-"এই সামান্য কথাটোৰ বাবে ইমান চিন্তা কিয় কৰিছে। আপোনাৰ ইচ্ছা অনুসাৰে মই জ্যোৎস্নাক ৰাণী কৰি লম। এতিয়া থাকিল মূল্যবন্তক বধ কৰাৰ কথা। এটিতো মোৰ বাওঁহাতৰ খেল। এই বিষয়ে মই মোৰ মহামন্ত্ৰী আৰু সেনাপতিৰ লগতো কথা হৈ লও।

অকল কুশদ্বীপেই নহয়, মলয়দ্বীপ আৰু কুশদ্বীপৰ মাজত যি আমাৰ আৰু কল্বাৰ দ্বীপ আছে সেই দ্বীপ দুটাও আমাৰ অধীন কৰি লোৱাৰ মোৰ ইচ্ছা। তাৰ দুৰ্গতো আমাৰ পতাকা উৰুৱাম। শুনিবলৈ পাইছো সেই তিনিওটা দ্বীপৰ ৰজাই আনন্দতে মচগুল হৈ জীৱন কটাইছে, প্ৰজাসকলৰ মঙ্গলৰ বাবে একো কামকে কৰা নাই। তাৰ প্ৰজাসকলো স্বাৰ্থপৰ ৰজাৰ বিৰুদ্ধে। এই বহুপঞ্চমীৰ দিনাখনে মই সেই দ্বীপ আক্ৰমণ কৰো বুলি ভাবিছো।"

পুতেকৰ কথা শুনি ৰাজমহিষী অতি আনন্দিতহৈ পুতেকক এইবুলি আশীৰ্বাদ দিলে--'বিজয়ীভব, তুমি বিজয়ী হৈ ঘূৰি আহিবা বাচা!"

কৃষ্ণভূপতিয়ে কোৱা অনুসাৰে বহুপঞ্চমীৰ দিনাখনেই মলয়দ্বীপৰ অসংখ্য সেনা বিজয় যাত্ৰালৈ ওলাই আহিল। সুপ্ৰশিক্ষণ প্ৰাপ্ত সৈন্যসকলৰ আগত কল্বাৰ আৰু আমাৰ দ্বীপৰ সৈন্যসকলে তিষ্ঠিব নোৱাৰি তেওঁলোক বেয়াকৈ হাৰি গ'ল। সেই দ্বীপৰ ৰজাই পৰাজয় মানিলৈ কৃষ্ণভূপতিৰ বৈশ্যতা স্বীকাৰ কৰি ললে। এই জয়ত উৎসাহিত হৈ সৈন্যসকল কুশদ্বীপৰ ফালে আগবাঢ়ি গ'ল।



গোটেই দিনটো আগবাঢ়ি গৈ সন্ধিয়া সময়ত গৈ এখন সৰু হাবি পালে। ৰজাৰ আদেশ মতে সেই হাবিৰ মাজতে সেনাবোৰে চাউনী পতিলে। সেই চাউনীৰ ভিতৰৰ বিচনাতে কৃষ্ণভূপতি শুই পৰিল।

এক ঘন্টামান সময় হৈছে নে নাই এনেতে কৃষ্ণভূপতিয়ে বাহিৰৰ পৰা অহা গণ্ডগোল শুনিবলৈ পালে। তৎক্ষণাত তেওঁ উঠি বহিল আৰু প্ৰহৰীক সুধিলে "কৰপৰা এই গণ্ডগোলৰ শব্দ আহিছে?"

বালকজনেও ৰজাৰ ফলে এবাৰ মূৰ তুলি চালে। কৃষ্ণভূপতিয়ে বালকজনক ভিতৰলৈ পঠাই দিবলৈ সেনাপতিক আদেশ দিলে।

বালকজনে তৎক্ষণাত ভিতৰলৈ সোমাই আহি ৰজাক নমস্কাৰ জনাই কলে-"মই ভবাই নাছিলো যে, ইমান সোনকালে আপোনাৰ দৰ্শন লাভ কৰিব পাৰিম। ইয়াৰ বাবে আপোনাক অশেষ ধন্যবাদ।"

বালকৰ মুখত এক কলাসুলভ কণ্ঠস্বৰ শুনি কৃষ্ণভূপতিয়ে সুধিলে-"কোন তুমি? তুমি কোন দেশৰ? আমাৰ সৈন্যবাহিনীত ভৰ্ত্তি হোৱাৰ ইচ্ছা তোমাৰ কিয় জাগিছে?"

"হে প্ৰভু, মোৰ নাম কলাপূৰ্ণ। মই যি দেশৰে নহওঁ মই এতিয়া অনাথ। মোৰ আপোন বুলিবলৈ কোনো নাই। আপুনি অধৰ্মৰ বিৰুদ্ধে জয় লাভ কৰিবলৈ ওলাইছে। ময়ো এই যাত্ৰাত ভাগ লৈ নিজৰ কৰ্ত্তব্য পালন কৰিব খুজিছো। মোক ৰামায়ণৰ সেই কেৰ্কেটুৱাটো বুলি ভাবক, যিয়ে সেতু বন্ধনৰ সময়ত ৰামক সহায় কৰিব বিচাৰিছিল।" বিনীতভাৱে বালকে কলে।

তাৰমানে তুমি বিচাৰিছা মই তোমাৰ কথা বিশ্বাস কৰি তোমাক সেনাবাহিনীত ভৰ্ত্তি কৰি লওঁ? মই বাৰু জানিব পাৰোনে যুদ্ধ বিদ্যাত তোমাৰ দক্ষতা কিমান?

কলাপূৰ্ণই নিৰ্ভীকভাৱে উত্তৰ দিলে-"নিশ্চয় মোৰ দক্ষতা দেখুৱাম। আপোনাৰ সৈনিকৰ কোনোবা আহে যদি আপোনাৰ আগতে মোৰ নিপুনতা দেখুৱাব পাৰিম।" ভূপতিয়ে হাততালি বজোৱাৰ লগে লগে এজন সৈনিক ভিতৰলৈ দৌৰি আহিল। কলাপূৰ্ণই কোৱা মতে সেই সৈনিকজন চাউনীৰ ভিতৰৰ এটা মূৰলৈ গ'ল। তাত পৰ্দাৰ দৰে ওলমি থকা কাপোৰৰ ওচৰত থিয় হৈ থাকিল।

কলাপূৰ্ণই কাপোৰৰ তলৰ পৰা এটা সৰু কাঠৰ বাকচ উলিয়াই ললে। তাৰ ভিতৰৰ পৰা পাতল বেজী কেইটামান উলিয়াই ললে। তাৰ

বাহিৰতে থিয় হৈ থকা দুজন প্ৰহৰীয়ে ৰজাৰ ওচৰলৈ আহি কলে, "মহাৰাজ, বাহিৰ পৰা এজন বালক আহিছে। তাৰ দাড়ি গোঁফ গজাই নাই, সি সৈন্যবাহিনীত ভৰ্ত্তি হবলৈ আকোঁৰগোজ কৈ লাগি আছে। আমাৰ সেনাপতিৰ সন্দেহ হৈছে সি শত্ৰুপক্ষৰ গুপ্তচৰো হব পাৰে, সেয়েহে তাক আগবাঢ়িবলৈ বাধা দিছে।"

কৃষ্ণভূপতিয়ে চাউনীৰ বাহিৰলৈ আহি চালে। সৈনিকসকলৰ সন্মুখত থিয় হৈ থকা বালকজন সঁচাকৈয়ে কম বয়সৰ। সৈনিকসকলৰ হাতত থকা জোৰৰ পোহৰত তেওঁ দেখিবলৈ পালে বালকৰ মুখমণ্ডলত এক কান্তি বিৰাজ কৰিছে। সৈনিকসকলে হয়তো তাক বহুতো হাৰাশাস্তি কৰিছে, সেয়েহে তাৰ ডাঙৰ ডাঙৰ চকু দুটোৰে ইফালে সিফালে চাই আছে আৰু চকুৰ চাৰনিত এক আতুৰ বাব ফুটি উঠিছে।

কৃষ্ণভূপতিয়ে বালকজনৰ ফালে এবাৰ চালে,

পৰা এটা এটাকৈ বেজী লৈ সৈনিকজনৰ মূৰৰফালে দলিয়াবলৈ ধৰিলে ।

পাঁচিশটা বেজী দলিয়াওতেই সৈনিক- জনৰ মূৰৰ চাৰিওফালে কাপোৰখনৰ ওপৰত এক বলয় দেখা গ'ল । কলাপূৰ্ণৰ কান্ড দেখি ভয়তে কঁপি কঁপি সেই সৈনিকজনে তাৰ পৰা বাহিৰলৈ ওলাই গ'ল। অতি কৌশলপূৰ্ণ ভাবে আৰু খুব জোৰেৰে নিক্ষেপ কৰা সেই বেজীবোৰৰ ফালে কৃষ্ণভূপতিয়ে তধালাগি চাই আছিল । তেওঁৰ বিশ্বাসেই হোৱা নাছিল যে সৈনিকজনৰ গাত অকণো আঁচ নলগাকৈ এইদৰেও বেজী নিক্ষেপ কৰিব পাৰে । এনেকুৱা একাগ্ৰতা অতি বিৰল । সৈনিকজন পৰ্দাৰ ওচৰৰ পৰা অহাৰ পিছত হে ৰজাই তাৰ আচল দৃশ্যটো দেখিলে । পাঁচিশটা বেজী সমান দূৰত্বত অৰ্ধ বলয়ৰ আকৃতিত পৰ্দাখনত ফুটাই থোৱা আছে ।

কৃষ্ণভূপতিয়ে হাততালি বজায় শলাগি কলে- "অতি অদ্ভুত, অতি অদ্ভুত ! তুমি আচৰিত কাম কৰি দেখুৱালা ।"

কলাপূৰ্ণই উৎসাহিত হৈ কলে- "প্ৰভু, এইবোৰ অতি সাধাৰণ বেজী । মোৰ লগত অতি বিষাক্ত বেজীও আছে ।

কৃষ্ণভূপতিয়ে কলাপূৰ্ণৰ হাতত ধৰি নিজৰ ওচৰতে বহুৱাব খুজিছিল । তেতিয়া কলাপূৰ্ণই কলে "ইয়াতে নহয় প্ৰভু মই তাতে বহিম," এইবুলি তেওঁ ৰজাৰ সম্মুখৰ ফালে বহিল ।

"তেতিয়াহলে যুদ্ধত ভাগ লবলৈ তুমি দৃঢ়প্ৰতিজ্ঞ ?" কৃষ্ণভুপতিয়ে সুধিলে । "এইটো সোধাৰ আৰু কোনো প্ৰয়োজন নাই প্ৰভু । বিজয় সাধান কিম্বা শৰীৰ পতন, এয়ে মোৰ লক্ষ্য।" কলাপূৰ্ণই দৃঢ়কন্ঠে ৰজাৰ আগত উত্তৰ দিলে ।

কৃষ্ণভূপতিয়ে আৰু কোনো কথা নকৈ নিজৰ তম্বুটোৰ ওচৰতে আৰু এটা তম্বু তৰাই তাতে কলাপূৰ্ণক থাকিবলৈ দিলে । ৰাতিপুৱা সেনাপতিক কলে, কলাপূৰ্ণই যুদ্ধভূমিত মোৰ লগে লগে থাকিব ।

কেইদিনমানৰ ভিতৰতে যুদ্ধ সমাপ্ত হ'ল। কৃষ্ণভূপতিয়ে কৃতঘ্ন আৰু বিশ্বাসঘাতক মূল্যবন্তক যুদ্ধক্ষেত্ৰতে বধ কৰিলে আৰু কুশদ্বীপৰ দুৰ্গত নিজৰ বিজয় পতাকা উৰুৱালে । এই বিজয়ৰ বাবে ৰজাই সৈন্যসকলক শুভেচ্ছা জনালে আৰু সাক্ষাত অভিমন্যুৰ দৰে যুদ্ধক্ষেত্ৰত শত্ৰু সৈন্যসকলক বিবুধিত পেলাই দিয়া বাবে ৰজাই কুলাপূৰ্ণৰ ভূৰি-ভূৰি প্ৰশংসা কৰিলে ।

যুদ্ধত জয় লাভ কৰাৰ পিছত এসপ্তাহ জুৰি কুশদ্বীপত বিজয় উৎসৱ চলিল । এদিন ৰাতি ৰজাই কলাপূৰ্ণক মাতি আনি কলে- "কলাপূৰ্ণ, তোমাৰ আশা আকাঙ্খা পূৰ হ'ল। এতিয়া তোমাৰ নিজৰ বিষয়ে সঁচা কথা কোৱাচোন ।"

কলাপূৰ্ণই তৎক্ষণাত ইয়াৰ কোনো উত্তৰ নিদিলে । কিছু সময় মৌন হৈ তলমূৰ কৰি থাকি ৰজাক কলে- "প্ৰভু, মোৰ আৰু এটা সামান্য ইচ্ছা আছে । যদি আপুনি কৃপাকৰে..." কবলৈ খুজিও তেওঁ ৰৈ গ'ল।

"সংকোচ কিহৰ ? কোৱা, তোমাৰ কি ইচ্ছা ?" কৃষ্ণভূপতিয়ে সুধিলে।

"প্ৰভু, মই এজন অনাথ যুৱক । পেট প্ৰবৰ্ত্তাৰৰ বাবে কৰবাত নহয় কৰাবাত পৰিশ্ৰম কৰিবই লাগিব । আপোনাৰ লগত যদি মোকো মলয় দ্বীপলৈ লৈ যায়, আজীৱন মই আপোনাৰ সেৱা কৰি থাকিম ।" কলাপূৰ্ণই নিজৰ মনৰ ইচ্ছা ব্যক্ত কৰিলে ।

কৃষ্ণভূপতিয়ে এটা হাঁহি মাৰি কলে-"এইটো কি ডাঙৰ কথা ? কিন্তু প্ৰথমতে তুমি এটা গীত শুনাব লাগিব, যিটো উদ্যান বনৰ গছৰ তলত বহি তুমি গাই আছিলা ।

কৃষ্ণভূপতিৰ এই কথা শুনি কলাপূৰ্ণই আচৰিত হৈ ৰজাক সুধিলে--"প্ৰভু, আপুনি তালৈ কেতিয়া গৈছিল ?"

ৰজাই তেতিয়া হাঁহি মাৰি কলে,-আকাশত জোনাকে যেতিয়া খেলি আছিল, তেতিয়া সেই পূৰ্ণচন্দ্ৰৰ ফালে জুমি চাই কোৱা নাছিল ? "হে জোনাক, কৃষ্ণ পক্ষৰ ঘনঘোৰ অন্ধকাৰৰ কাৰণে এই উজ্বল, শুভ্ৰ জোনাকৰ ইমান খ্যাতি আৰু যশ । জগতত যদি বেয়া বস্তু নাথাকিল হেতেন ভাল বস্তুটোৰ ইমান মূল্য নহল হেতেন । সেয়েহে হে জোনালী, তুমি এইটো ভাবি আনন্দিত নহবা যে এই সকলো গৌৰৱ তোমাৰ নিজৰ হে । সম্পূৰ্ণ গৌৰৱতো এই কৃষ্ণবৰ্ণৰহে ।" এই মধুৰ গানত তুমি যেতিয়া মগ্ন হৈ আছিলা, তেতিয়া ওচৰৰে আম গছজোপাৰ তলত লুকাই মই শুনি আছিলো ।"

কলাপূৰ্ণই মৌন হৈ তলমূৰ কৰি মূৰ্ত্তিৰ দৰে থিয় হৈ থাকিল । কৃষ্ণভূপতিয়ে কলাপূৰ্ণৰ ওচৰলৈ আহি কলে-"কলাপূৰ্ণ, তোমাৰ মুখমন্ডলৰ নিৰ্মলতা, তোমাৰ আঙুলিৰ গঠন দেখিয়ে প্ৰথমৰ পৰাই মই সন্দেহ কৰি আছিলো । এতিয়াহে বুজিছো । তুমি নিজৰ বিষয়ে সঁচা কথা কোৱা আৰু মোৰ সন্দেহ দূৰ কৰা ।

কলাপূৰ্ণই তৎক্ষণাত একো উত্তৰ নিদিলে। তেওঁ মূৰত বন্ধা পাগুৰিটো খুলি দিলে । লগে লগে তেওঁৰ দীঘল ক'লা চুলিটাৰি খোল খাই পিঠিত পৰিল । তেওঁ তৎক্ষণাত কৃষ্ণভূপতিৰ সম্মুখত আঠুকাঢ়ি সেৱা কৰি কলে-"মই নিজৰ স্বাৰ্থ পূৰণৰ বাবে মিছা কথা কৈছিলো । মোক ক্ষমা কৰক। মই কলাপূৰ্ণ নহয়, কলাকৌমুদী হে।"

ৰজাই তেওঁক দুয়োহাতে ধৰি উঠাই দিলে আৰু কলে-"সেইদিনাই মই ভাবিছিলো তুমি নিশ্চয় কোনো ক্ষত্ৰিয় কন্যা হবা । তুমি ইয়াতে বহি লৈ কোৱা, তুমি এই ভেশছন কিয় ধাৰণ কৰিছা ?" এইবুলি ৰজাই তেওঁক এখন আসনত বহিবলৈ দিলে ।

ৰজাৰ অতি আদৰ-সাদৰ পাই কলাকৌমুদীৰ দুয়ো চকুৰে আনন্দশ্ৰু বৈ আহিল । কিছু ক্ষণ ধৰি তেওঁ একো কব পৰা নাছিল । তাৰপাছত নিজকে সষ্টম কৰি লৈ তেওঁ কলে - (ক্ৰমশঃ)

# দেৱী ভাগৱত

নৈমিশাৰণ্যত বাস কৰা মুনিসকলক সুত মুনিয়ে মহৰ্ষি ব্যাসৰ পৰা শুনা বহুতো পুৰাণৰ কাহিনী শুনাইছিল । কিবা কথা প্ৰসঙ্গত সুতে শৌনক আদি মুনিসকলৰ আগত দেৱী ভাগৱত নামৰ পুৰাণৰ কথা উল্লেখ কৰিছিল । এদিন শৌনকে সুত মুনিক সোঁৱৰাই দি সেই দেৱী ভাগৱতৰ কথা কবলৈ অনুৰোধ কৰিছিল । তেতিয়া সুতে মুনিসকলক দেৱী ভাগৱত পুৰাণৰ কথা কলে :

সুতে সৰ্বপ্ৰথমে আদি শক্তিৰ বিষয়ে এইবুলি কলে : দেৱী এক মহান শক্তি । তেওঁৰেই বিদ্যা, সকলো লোক তেওঁৰ আশ্ৰয়তে আছে । সৃষ্টি, স্থিতি আৰু লয়, এই তিনিওৰে কাৰণ বাস্তৱতে আদি শক্তিয়েই । তেওঁৰ প্ৰেৰণাতে ত্ৰিমূৰ্ত্তিয়ে তেওঁলোকৰ কৰ্ত্তব্য পালন কৰে । ব্ৰহ্মাই বিষ্ণুৰ নাভিৰ পৰাই জন্ম গ্ৰহণ কৰিছে । বিষ্ণুৰ আধাৰ হৈছে আদিশক্তি । সেই পানীৰ আধাৰ হ'ল মহাশক্তি লোকমাতা । এনেধৰণৰ দেৱী সম্বন্ধীয় কথাই হ'ল দেৱী ভাগৱত ।"

সুত মুনিৰ মুখৰ পৰা দেৱী ভাগৱতৰ কথা শুনা মুনিসকলৰ ফালৰ পৰা শৌনকে সুত মুনিক সুধিলে, "এবাৰ ব্ৰহ্মাই আমাক এটা চক্ৰ প্ৰদান কৰি কৈছিল যে, ইয়াৰ অংশ যি ঠাইত ভাঙি পৰিব সেই ঠাইখন অতি পবিত্ৰ হব । এই চক্ৰৰ অংশ আৰু চক্ৰদন্ড ইয়াতে ভাঙি পৰিছিল । তেতিয়াৰে পৰা এই ঠাইৰ নাম নৈমিশ হল । আমি ইয়াতে থাকি গলো ।

ইয়াতে আমাৰ পুণ্য কামৰ বাহিৰে অন্য কাম নাই । সেয়েহে আপুনি আমাক পুণ্যপ্ৰদ দেৱী ভাগৱত পুৰাণৰ বিষয়ে শুনাওক ।"

ইয়াৰ পিছত সুত মুনিয়ে এইদৰে কলে :

"মহামুনি ব্যাসে মোক যিদৰে দেৱী ভাগৱত শুনাইছিল, সেইদৰেই মই আপোনালোকক এই পুৰাণৰ কাহিনী শুনাম ।

এতিয়ালৈকে সাতাইশ দ্বাপৰ পাৰ হৈ আঠাইশ দ্বাপৰ চলি আছে । প্ৰত্যেক দ্বাপৰতে এজন ব্যাসৰ জন্ম হয় । বেদক বিভাজন কৰি, পুৰাণবোৰ ৰচনা কৰা সাত্যৱতেয় নামৰ ব্যাস (সত্যৱতীৰ পুত্ৰ) মোৰ গুৰুদেৱ । তেওঁ তেওঁৰ পুত্ৰ শুকক এই দেৱী ভাগৱত শুনাই আছিল,

১. সুত, শৌনক মুনিগণ হয়গ্ৰীবাবতাব



হৈ বিবাহ কৰালে পুত্ৰ বধুৰ আদৰ আপ্যায়ন পাব । পুত্ৰ হলে কিমান যে লাভ । আমাৰ বৃদ্ধাৱস্থাত তেওঁলোকে আমাক শ্ৰদ্ধাৰে সৈতে সেৱা কৰিব । আমাৰ মৃত্যুৰ পিছত কাঠ সংস্কাৰৰ সময়ত মুখত অগ্নি দিব, আমি উত্তম লোক প্ৰাপ্ত হোৱাৰ উদ্দেশ্যে পিন্ড দান কৰিব । সেয়েহে মানুহৰ বাবে পুত্ৰ লাভতকৈ অধিক সুখ আৰু কতো নাই ।

এই কথা ভাবি মহৰ্ষি ব্যাসে পুত্ৰ লাভ কৰাৰ উদ্দেশ্যে তপস্যা কৰিবলৈ কাঞ্চনাদ্ৰি গৈ পালে আৰু ভাবিবলৈ ধৰিলে কোন দেৱতাক আৰাধনা কৰিলে অতি সোনকালে তেওঁৰ ইচ্ছা পূৰ্ণ হব । সেই সময়তে তাত গৈ নাৰদ উপস্থিত হ'ল । নাৰদক দেখি ব্যাসে প্ৰণাম জানাই কলে, "মহামুনি নাৰদ, আপুনি ঠিক সময়তে আহিছে । সম্ভৱতঃ মোৰ মনৰ কামনা পুৰণ কৰাৰ বাবেই আপুনি ইয়াত উপস্থিত হৈছে ।"

ইয়াৰ পিছত নাৰদে কলে-"আপুনি সৰ্বজ্ঞ। আপোনাৰ কাৰণে অন্যৰ সাহায্যৰ প্ৰয়োজনেইবা কি ? তথাপিতো আপোনাৰ কোনো কামনা আছে যদি মোৰ আগত কব পাৰে ।"

"শুনিবলৈ পাইছো পুত্ৰহীন ব্যক্তিৰ বোলে পৰলোক প্ৰাপ্তি নহয় । কওকচোন মুনিবৰ, কোন দেৱতাক পূজা কৰিলে তেওঁ মাক পুত্ৰ প্ৰদান কৰিব ?" ব্যাসে সুধিলে ।

এই কথা শুনি নাৰদে এইদৰে কলে- "এসময়ত মোৰ পিতৃ ব্ৰহ্মাৰ মনতো এই সন্দেহ জাগিছিল । তেওঁ গৈ বিষ্ণুলোক পালে । তাত গৈ বিষ্ণুক দেখি কলে,

"মোই আপোনাক সকলোতকৈ শ্ৰেষ্ঠ বুলি ভাবো । আপোনাতকৈও যদি কোনো মহান ব্যক্তি আছে সেই বিষয়ে কওঁক ।"

বিষ্ণুয়ে কলে-"মানুহে ভাবে আপুনি

সেই সময়ত মই অত্যন্ত ভক্তি আৰু শ্ৰদ্ধাপূৰ্বক সেই কথা হৃদয়ঙ্গম কৰি লৈছিলো । বৃদ্ধলোকে কয় নহয়-"জোৱাইৰ লগত খাবা, পুত্ৰৰ লগত পঢ়িবা । এইদৰে শুকমুনিয়ে দেৱী ভাগৱত শুনি তাতে নিমগ্ন হ'ল । বাস্তৱতে যিসকল লোকে দেৱী ভাগৱত পুৰাণ শুনে তেওঁৰ কষ্ট দূৰ হয়।"

ইয়াৰ পিছত মুনিসকলে সুধিলে -"শুকমুনি ব্যাসদেৱৰ পুত্ৰ কেনেকৈ হ'ল ?" ইয়াৰ পিছত সুত মুনিয়ে শুকৰ জন্ম বৃত্তান্ত কবলৈ ধৰিলে :

এসময়ত মহৰ্ষি ব্যাসে সৰস্বতী নদীৰ পাৰত তপস্যা কৰি আছিল । সেই সময়তে তেওঁ তাত থকা কিছুমান চৰায়ে বাহত পোৱালি জন্ম দিয়া দেখিছিল । চৰাইবোৰে পোৱালিবোৰক আহাৰ খুউৱা দৃশ্যটো তেওঁ পৰম আনন্দেৰে সৈতে চাই আছিল । এই দৃশ্য দেখি ব্যসেও ভাবিলে তেওঁৰো যদি সন্তান জন্ম হয় কিমান ভাল হব ! বিবাহ কৰোৱাৰ পিছত পত্নীৰে সৈতে সুখ ভোগ কৰিব পাৰিব । পুত্ৰ জন্ম দিব পাৰিব । পুত্ৰ ডাঙৰ

সৃষ্টিকৰ্ত্তা, মই পালনকৰ্ত্তা আৰু শিৱ হল সংহাৰকৰ্ত্তা । কিন্তু সেইটো সম্পূৰ্ণ ভুল । বুদ্ধিমান মানুহে জানে যে তেজস্বী 'আদি শক্তি'য়ে হ'ল সৃষ্টিকৰ্ত্তা । আমি যদি সৃষ্টি, স্থিতি আৰু প্ৰলয়কাৰক হয়, ইয়াৰ কাৰণ হ'ল আপোনাৰ ৰজ, মোৰ সত্ত্ব আৰু শিৱৰ তম গুণ । নহলে আমাৰ মূল্যাই বা কি ? মই যে অহঙ্কাৰী ৰাক্ষসসকলক বধ কৰো সেইটোও এই শক্তিৰ কৃপাৰ কাৰণে সম্ভৱ হয় । কিয়, বহুদিন আগতে মধু আৰু কৈটভ নামৰ দানবৰ লগত পাঁচ হাজাৰ বছৰ ধৰি যুদ্ধ কৰি শেষত সেই আদি শক্তিৰ সহায়তে বিজয় প্ৰাপ্ত হোৱা নাই নে ? মই কেতিয়াও নিজকে স্বতন্ত্ৰ শক্তি বুলি নাভাবো । এবাৰ ধনুৰ গুণেৰে মোৰ শিৰ কটা যোৱাত আপুনি দেৱশিল্পীৰ হাতেৰে ঘোঁৱাৰ মূৰ এটা লগাই দিছিলে, এইদৰে মই হয়গ্ৰীৱ হোৱা নাছিলোনে ? সেয়েহে মই হলো শক্তিৰ অধীন। এইসমস্ত লোকতে শক্তিতকৈ কিবা ডাঙৰ বস্তু আছে বুলি মই নাভাবো ।"

এইদৰে বুজাই কৈ নাৰদে ব্যাসক কলে- "সেয়েহে যদি আপুনি আদি শক্তিৰ আৰাধনা কৰে তেতিয়াহলে আপোনাৰ বাঞ্ছা পুৰণ হব।"

ইয়াৰ পিছত মহৰ্ষি ব্যাসে লোকমাতাৰ উদ্দেশ্যে তপস্যা কৰিলে ।

তাৰ পাছত মুনিসকলে সুতক সুধিলে-

"বিষ্ণুৰ শিৰ কেনেকৈ কটা গৈছিল ? তেওঁৰ কান্ধত ঘোৰৰ মূৰ কেনেকৈ লগোৱা হৈছিল ? এই বিষয়ে বিস্তৃত ভাবে অলপ কওক ।"

হয়গ্ৰীবাবতাৰ

প্ৰাচীন কালত বিষ্ণুৱে ৰাক্ষস সকলৰ লগত দহ হাজাৰ বছৰ ধৰি যুদ্ধ কৰিছিল, শেষত ভাগৰি পৰি ধনুৰ গুণৰ ওপৰত থুতৰিটো থৈ শুই পৰিছিল । সেই সময়ত দেৱতাসকলে যজ্ঞ কৰাৰ সংকল্প কৰি তেওঁক বিচাৰি আহিল । বিষ্ণু

শুই থকা দেখি তেওঁলোক চিন্তাত পৰিল, এতিয়া কি কৰা যায় ? তেতিয়া শিৱে ব্ৰহ্মাক কলে- "আপুনি এটা পোকৰ সৃষ্টি কৰি তাৰ দ্বাৰা বিষ্ণুৰ ধনুৰ গুণডাল কটাই দিয়ক । ধনুৰ গুণডাল কাটি দিলে ধনুৰ মূৰ এটা ওপৰলৈ উঠিব । তেতিয়া বিষ্ণুৱে সাৰ পাব । এইদৰে দেৱতাসকলৰ যজ্ঞ সম্পন্ন হব পাৰে ।"

ইয়াৰ পাছত ব্ৰহ্মাই পোক এটাৰ সৃষ্টি কৰি বিষ্ণুৰ ধনুৰ গুণ কাটিবলৈ আদেশ দিলে ।

তেতিয়া পোকটোৱে কলে-"হে প্ৰভু, মইনো এইটো কাম কেনেকৈ কৰো ? এইটো ডাঙৰ পাপ নহয়নে ? মাক আৰু কেচুৱাক বেলেগ কৰা, পতি-পত্নীৰ মাজত বিৰহ জন্মোৱা, নিদ্ৰা ভঙ্গ কৰা এই সকলোবোৰ ব্ৰহ্মহত্যা কৰাৰ সমান পাপ । এনে পাপ কৰিবলৈ আপুনি মোক কিয় আদেশ দিছে ?"

তুমি চিন্তা নকৰিবা ! যজ্ঞত অগ্নিক আহুতি নিদিয়া সকলো পদাৰ্থই মই তোমাক দিম ।" ব্ৰহ্মাই পোকটোক এই দৰে বুজালে ।

পোকটোৱে তেতিয়া সন্তুষ্ট হৈ ধনুৰ গুণডাল কাটি দিলে । সেই সময়তে এটা ডাঙৰ শব্দ হ'ল আৰু ধৰণী কঁপিবলৈ ধৰিলে। ধনুৰ গুণৰ মূৰটো চিঙি গৈ আৰু সেই গুণডালে বিষ্ণুৰ মূৰটো কাটি ওপৰলৈ উৰাই লৈ গ'ল । এই দৃশ্য দেখি দেৱতাসকল মহা চিন্তাত পৰিল । তেওঁলোকে এইবুলি বিলাপ কৰিবলৈ ধৰিলে -"হে ভগবান, আপুনিতো সকলোৰে ঈশ্বৰ । সমস্তলোকৰে পালনকৰ্ত্তা । আপোনাৰ এই অৱস্থা কেনেকৈ হ'ল ? সকলো ৰাক্ষসে যিটো কাম কৰিব নোৱাৰিলে, সেইটো কাম কোনে কৰিলে ? আপুনিতো মায়াৰ পৰাও দূৰত থাকে ! মায়াই এইটো কৰা সম্ভৱ নে ?"

তেতিয়া দেৱগুৰু বৃহস্পতিয়ে সকলোকে বুজাই কলে-"কান্দি কান্দি বহি থাকিলে কেনেকৈ কাম চলিব ? যি হ'ল হৈ গ'ল । ইয়াৰ কোনো উপায় চিন্তা কৰা ।"

ইন্দ্ৰই কলে -"সকলো দেৱতাই চাই থাকোতে থাকোতে বিষ্ণুৰ শিৰ কাটি উৰি গ'ল। এই অৱস্থাত আমাৰ যত্নৰ দ্বাৰা কি হব পাৰে ? ভগবানৰ কৃপাৰেহে কিবা সম্ভৱ হব পাৰে ।"

ইয়াৰ পাছত ব্ৰহ্মাইদেৱতাসকলক বুজাই কলে-"সকলো কাৰ্য্যৰ বাবে জগদীশ্বৰীৰ অনুগ্ৰহ বিচাৰক । তেওঁৱেই হ'ল সৃষ্টি, স্থিতি আৰু লয়কাৰিণী । সেই কাৰণে আপোনালোক সকলোৱে আদি শক্তিক প্ৰাৰ্থনা কৰক ।"

তেতিয়া দেৱতাসকলে আদি শক্তিক প্ৰাৰ্থনা কৰিলে । তেওঁলোকৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ তেওঁলোকৰ আগত দেখা দিলে ।

দেৱীক দেখি দেৱতাসকলে সুধিলে-"মাতা! ভগবান বিষ্ণুৰ এই অৱস্থা কিয় হ'ল ? তেওঁৰ মূৰটো কি হ'ল ?"

দেৱীয়ে তেতিয়া তেওঁলোকক কলে, "বিনা কাৰণে কোনো কাৰ্য্য নহয় । এদিন বিষ্ণুৱে শয়ন কক্ষত লক্ষ্মীক দেখি হাঁহি ছিল । লক্ষ্মী তেতিয়াখুব চিন্তিত হ'ল । ভগবান বিষ্ণুৱে তেওঁক দেখি কিয় হাঁহিলে ? কি, তেওঁ ইমানেই কুৰূপা নেকি ? নে তেওঁতকৈও বেচি ৰূপৱতী নাৰী দেখি সেই নাৰীৰ ৰূপতে মোহিত হ'ল ? এইদৰে চিন্তা কৰি সিদ্ধান্ত কলি সতিনীৰ লগত দিন কটোৱাতকৈ মৃত্যুয়ে অধিক শ্ৰেষ্ট । ইয়াৰ পাছত লক্ষ্মীয়ে খঙতে বিষ্ণুত অভিশাপ দিলে যে, তেওঁৰ পতিৰ মূৰটো চিঙি সমুদ্ৰত গৈ পৰক । এই শাপৰ বাবেই বিষ্ণুৰ এই অৱস্থা হ'ল । লগতে হয়গ্ৰীব নামৰ এজন ৰাক্ষসে মোৰ প্ৰতি এহেজাৰ বছৰ ধৰি তপস্যা কৰিছিল । মই তেওঁৰ আগত দেখা দি বৰ দিব বিচাৰিছিলো । তেওঁ এই বৰ বিচাৰিলে কাৰো দ্বাৰা তেওঁৰ যেন মৃত্যু নহয় । মই তেওঁক বুজালো, যি প্ৰাণীয়ে জন্ম গ্ৰহণ কৰিছে তেওঁৰ এদিন মৃত্যু হবই । সেই কাৰণে তেওঁক অন্য বৰ খুজিবলৈ কলো । তাৰ পিছত তেওঁ এই বৰ মাগিলে, যিহেতু তেওঁ হয়গ্ৰীব, সেয়েহে হয়গ্ৰীবৰ দ্বাৰাই তেওঁৰ যেন মৃত্যু হয় । তেতিয়া

মই তথাস্তু বুলি কলো । এই বৰ পাই হয়গ্ৰীৱে চাৰিওফালে অত্যাচাৰ কৰিবলৈ ধৰিলে । এই তিনিওলোকত তেওঁক মাৰিব পৰা শক্তি আৰু কোনো নাই । এই কাৰণে তোমালোকে ঘোঁৰাৰ মূৰ এটা আনি বিষ্ণুৰ কান্ধত লগাই দি হয়গ্ৰীৱৰ সৃষ্টি কৰি দিয়া । এনে কৰিলে হয়গ্ৰীৱ বিষ্ণুৱে হয়গ্ৰীৱ ৰাক্ষসক বধ কৰিব পাৰিব আৰু তোমালোকৰ কামনাও পূৰ্ণ হ'ব ।"

এইবুলি কৈ আদি শক্তি অদৃশ্য হৈ গ'ল । তেতিয়া দেৱতাসকলে দেৱশিল্পীক মাতি আনি বিষ্ণুৰ কান্ধত ঘোঁৰাৰ মূৰ এটা লগাই দিবলৈ কলে ।

দেৱশিল্পীয়েও তাকেই কৰিলে । তাৰপাছত বিষ্ণুৱে হয়গ্ৰীৱৰ ৰূপ ধৰি হয়গ্ৰীৱ ৰাক্ষসক বধ কৰি চাৰিওফালে শান্তি বিৰাজ কৰিলে ।"

ইয়াৰ পিছত মুনিসকলে সুতক অনুৰোধ কৰিলে তেওঁ যেন মধু আৰু কৈটভৰ কাহিনী কয়। তেতিয়া সুত মুনিয়ে কাহিনী আৰম্ভ কৰিলে -

ক্ষীৰ সাগৰৰ অন্তিম শয্যাত যেতিয়া বিষ্ণু শুই আছিল তেতিয়া তেওঁৰ দুই কাণেৰে দুটা ৰাক্ষসৰ জন্ম হৈছিল । তেওঁলোকে পানীত সাঁতুৰি নিজৰ জন্মৰ কাৰণে আচৰিত হ'ল । তেতিয়া কৈটভে মধুক কলে -"এই মহাসমুদ্ৰত আমাৰ বাবে নিশ্চয় কোনো আধাৰ থাকিব ।"

তেওঁৰ মুখৰ পৰা ওলোৱা শব্দ যেন আকাশৰ পৰাহে শুনা গৈছিল ।

তেতিয়া তেওঁলোকৰ অনুমান হ'ল আকাশত যেন বিজুলী চমকিছে । সেইটো দেখি ৰাক্ষসে ভাবিলে এয়া আদি শক্তিৰ চমকনি । তেতিয়া তেওঁলোকে যি ধ্বনি শুনিবলৈ পালে তাকে মন্ত্ৰজপি এহেজাৰ বছৰ পৰ্যন্ত তপস্যা কৰিলে । তেওঁলোকৰ তপস্যাত সন্তুষ্ট হৈ দেৱীয়ে বৰ দিব বিচাৰিলে । তেওঁলোকে স্বেচ্ছা মৃত্যুৰ কামনা কৰিলে । দেৱীয়ে তথাস্তু বুলি কলে ।

ইয়াৰ পাচত তেওঁলোকে পানীতে বিচৰণ কৰিবলৈ ধৰিলে । এঠাইত তেওঁলোকে ব্ৰহ্মাক দেখি যুদ্ধৰ বাবে আহ্বান জনালে । ব্ৰহ্মাক কলে- "আপুনি আমাৰ লগত যুদ্ধ কৰক, নহলে পদ্মাসন এৰি অন্য ঠাইলৈ গুচি যাওক ।"

ব্ৰহ্মাই ভয় পাই যোগ সমাধিস্থিত বিষ্ণুক প্ৰাৰ্থনা কৰিলে-"হে বিষ্ণু ! জাগৃত হোৱা ! দুটা ৰাক্ষসে মোক বধ কৰিব বিচাৰিছে । মোক ৰক্ষা কৰা ।"

বিষ্ণুৱে যোগ নিদ্ৰাক প্ৰাৰ্থনা কৰিলে-"হে জগৎ মাতা ! এই দুই ৰাক্ষসক বধ কৰিবলৈ তুমি বিষ্ণুক জগাই দিয়া, নহলে তুমিয়ে মোক ৰক্ষা কৰা ।" তেতিয়া যোগ নিদ্ৰা বিষ্ণুক এৰি গুচি গ'ল । বিষ্ণুৱে নিদ্ৰাৰ পৰা সাৰ পোৱা দেখি ব্ৰহ্মা পৰম আনন্দিত হ'ল ।

চান্দমামাৰ নিবেদন
অজেয় গৰুড়
আদিতাই এক বিৰোধী দলৰ সদস্য ৰামসিংহৰ পৰা জানিব পাৰিলে তেওঁৰ পিতাক তথা প্ৰধানমন্ত্ৰীৰ কেনেকৈ মৃত্যু হৈছিল । তেওঁ সেই মানুহবোৰক আশ্বাস দি কলে যে তেওঁ তেওঁলোকক সহায় কৰিব । নৰেন্দ্ৰদেৱ আৰু তেওঁৰ পুত্ৰই নিজৰ কামত লাগি থাকিল । সেনাপতি নৰেন্দ্ৰদেৱে আদেশ দিলে যে গৰুড়ক গ্ৰেপ্তাৰ কৰিব লাগে । এখন ডাঙৰ নাৱত গৰুড়ক দেখা গ'ল । তেওঁলোকে গৰুড়ক দৰবাৰলৈ লৈ গ'ল ।
সেনাপতিক পুৰস্কাৰ দিয়া উচিত ।
এতিয়া আমি শান্তিৰে থাকিব পাৰিম ।
গৰুড়ক শেষত ধৰা হ'ল ।
সকলো সভাসদে গৰুড়ক চোৱাৰ বাবে প্ৰতীক্ষা কৰি আছিল । তেতিয়া শিকলিৰে বান্ধি ৰখা অৱস্থাত গৰুড়ক দৰবাৰলৈ লৈ অহা হ'ল ।
সভাসদসকলক নৰেন্দ্ৰদেৱৰ মুখা খুলি দিবলৈ কলে । কিন্তু নৰেন্দ্ৰদেৱ তাত নাছিলেই । ৰবীন্দ্ৰদেৱ আতুৰ হৈ উঠিল ।
মই নিজে সেই মুখা খুলি দিম ।
ভয়ানক চিৎকাৰ শুনা গ'ল । চাৰিও ফালে থিয় হৈ থকা লোকসকল স্তম্ভিত হৈ ৰল ।
কি মোৰ পিতাদেৱ ?
কোনে এই তামাচা কৰিছে? আতাইবোৰ মুখ্য অধিকাৰিকে মাতিব লাগে ।

ৰজাৰ খং উঠিল ।
নৰেন্দ্ৰদেৱৰ গৰুড়ৰ নিচিনা মুখা পিন্ধিছে নেকি ? কিমান লাজৰ কথা ।
মহাৰাজ, এইটো জানিব পৰা গৈছে, এই গৰুড় কোনো এক ব্যক্তি নহয়, ই হ'ল ৰাজ্য প্ৰশাসনৰ বিৰুদ্ধে কোনো সামূহিক আন্দোলন ।
তুমি যি কৈছা সেইটো যদি সত্য হয়, তেতিয়াহলে অনুসন্ধান কৰাতো অতি আৱশ্যক । ইয়াৰ বিষয়ে সবিশেষ জানি লৈ মোক ৰিপোৰ্ট দিবা ।
হব মহাৰাজ ! যদি মানুহৰ অভিযোগ সঠিক হয়, তেতিয়াহলে আমি নিয়ম-কানুন পৰিবৰ্তন কৰিব লাগিব ।
মেকো প্ৰায় ছমাহ সময় আৱশ্যক ।
তোমাক এই সময় দিয়া হল । আদিত্য, তুমি নিজৰ কাম আৰম্ভ কৰা ।

গৰুড়ই ৰামসিংহক লগ ধৰিলে । এইজনে এজন মানুহ যাৰ পৰা গৰুড়ই সঁচাতো জানিব পাৰিলে।
আমাক আৰু কিছুমান যুৱকৰ আৱশ্যক হ'ব, যাৰদ্বাৰা নদীৰ ওচৰৰ মাটিবোৰ ঠিক কৰিব পাৰো ।
শ্ৰীমাণ, এইটো কোনো সমস্যাই নহয় ।
কেইসপ্তাহ মান পিছত ৰাজ্যত এটা উৎসৱ পালন কৰা হ'ল ।
ইমাণ আনন্দিত হোৱাৰ কাৰণ কি ? তেওঁলোকে আদিত্যৰ ইমান প্ৰশংসা কিয় কৰিছে ? তেওঁ মাথোঁ ৰজাৰ হে আদেশ পালন কৰিছে ।
ৰবীন্দ্ৰই বিনা কাৰণতে চিন্তিত হৈ আছে । চন্দ্ৰপুৰীৰ প্ৰশাসণিক কামৰ শীঘ্ৰে পৰিবৰ্ত্তন কৰা হ'ব ।

আদিত্যৰ তত্ত্বাবধানত সেই মাটিবোৰ চহ কৰিবলৈ ধৰিলে, আৰু যিবোৰৰ মাটি নাছিল তেওঁলোকক দিয়া হ'ল ।
ৰাতিপুৱাৱলৈ বেচি পলম নাই ।
ৰাজ্যত শান্তি পুনৰ প্ৰতিষ্ঠিত হোৱা দেখি ৰজা অতি আনন্দিত হ'ল ।
তোমাৰ বাবে মোৰ গৌৰৱ হয় আদিত্য !
মই তোমাক প্ৰধানমন্ত্ৰীৰ পদত নিযুক্ত কৰিম ।
কিন্তু মহাৰাজ....
...মই অধিক অনুভৱী ব্যক্তি বিচাৰো ।
আদিত্যক প্ৰধানমন্ত্ৰী ? তেওঁৰ শিক্ষা-দীক্ষা কিমান ?
এইটো মই নিৰ্বাচিত কৰিছো । ইয়াক ঘোষণা কৰা হওক ।
ক্ৰমশঃ




# ফটো নামকৰণ প্ৰতিযোগিতা

**কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?**

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

*ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,*

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

## অভিনন্দন

আগষ্ট সংখ্যাৰ পুৰস্কাৰ বিজয়ী
অৰুণাভ দাস, কাহিলিপাৰা
গুৱাহাটী - ১৯

**বিজয়ী বাক্য**

ভাল পাওঁ মই পুতলাৰ সতে খেলি ।
গছেই আমাৰ ঘৰ, গছতে কাবো আমি খেল ধেমালি ।

**চান্দমামাৰ বছৰেকীয়া ৱৰঙণি**

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED
No, 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam


Are you a fan of Garuda, the masked hero with magical powers?
Enjoy the exciting exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001